বিত্ত বিভাগ
অসম চৰকাৰ

# বাজেট ভাষণ
## ২০২১-২২

অসম বাজেট
২০২১-২২



**শ্ৰীমতী অজন্তা নেওগ**
বিত্তমন্ত্ৰী, অসম চৰকাৰ

*অধ্যক্ষ মহোদয়,*

এই মহামান্য সদনত মাননীয় মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰৰ বিত্তমন্ত্ৰী হিচাপে থিয় হৈ ২০২১-২২ বৰ্ষৰ বাজেটখন উত্থাপন কৰাৰ প্ৰাক মুহূৰ্তত ৰূপকোঁৱৰ জোতিপ্ৰসাদ আগৰৱালাদেৱৰ এটি কবিতাৰে সকলোৰে মংগল কামনা কৰিছোঁ—

**জয় হওক পোহৰৰ জয়**
**জয় হওক মানৱৰ মহত্ত্বৰ**
**আদৰ্শৰ জয়**
**চিৰ মংগলৰ, চিৰ কল্যাণৰ**
**জগতৰ এই মহা বিকাশৰ**
**জয় হওক যুগে যুগে**
**চিৰ সুন্দৰৰ জয়।।**

অসমৰ প্ৰথমগৰাকী মহিলা বিত্তমন্ত্ৰী হিচাপে বাজেট দাখিলৰ দৰে পৱিত্ৰ কৰ্তব্যৰ দায়িত্ব সম্পাদন কৰিবলৈ পাই মই গৌৰৱান্বিত। ৰাজ্যখনৰ ক'ভিডসৃষ্ট সংকটৰ মুহূৰ্তত এগৰাকী মাতৃৰ মমতাভৰা অন্তৰেৰে বাজেটখন প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছোঁ। মই আগবঢ়াৰ পূৰ্বে আগন্তুক অলিম্পিকত অংশগ্ৰহণৰ বাবে টকিঅ'লৈ যাত্ৰা কৰা লাভলিনা বুঢ়াগোহাঁইলৈ অসমৰ ৰাইজৰ হৈ শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

১। মহোদয়, আমি সকলোৰে জানো যে অৰ্থনীতি যেনেকৈ ব্যক্তিগত স্তৰত এটা পৰিয়ালৰ অন্যতম মূল বিষয়, ঠিক তেনেকৈয়ে ই ৰাষ্ট্ৰ বা ৰাজ্যৰ ক্ষেত্ৰতো মূল বিষয়। ক'ভিড অতিমাৰীয়ে ২০২০ বৰ্ষৰ পৰা এতিয়ালৈকে অসমৰ অৰ্থনৈতিক অৱস্থাত বিস্তৰ প্ৰভাৱ পেলাইছে। সৰ্বসাধাৰণ লোকৰ জীৱন যাত্ৰা কল্পনাতীতভাৱে দুৰ্বিষহ হৈ পৰিছে। এনে এটা দুৰ্যোগপূৰ্ণ

পৰিৱেশত আমাৰ চৰকাৰখনে ৰাইজৰ বিপুল আশীৰ্বাদ শিৰত লৈ ৰাজ্যখনৰ সৰ্বাংগীণ উন্নয়নৰ বাবে আগবাঢ়িছে।

২। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ গতিশীল নেতৃত্বত কোভিড অতিমাৰীৰ দ্বিতীয় আৰু তৃতীয় ঢৌ মোকাবিলা কৰাৰ বাবে আমাৰ চৰকাৰে আমাৰ চৰকাৰে দৃঢ় পদক্ষেপ গ্ৰহণ কৰিছে। নিৰ্বাচনী ইস্তাহাৰত উল্লেখ কৰা অনুসৰি অৰ্থনীতি সম্পৰ্কীয় সকলো প্ৰতিশ্ৰুতি নিষ্ঠাৰে পালন কৰিবলৈ সিদ্ধান্ত লৈছে। মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰে আমাক সকলো ক্ষেত্ৰতে সহায়-সহযোগিতা আগবঢ়াই আছে। প্ৰচলিত বিত্তীয় বিধিসমূহ মানি চলি আমাৰ বিত্তীয় দক্ষতা আৰু অৰ্থনৈতিক সুৰক্ষা শক্তিশালী কৰাৰ বাবেও আমি প্ৰতিশ্ৰুতিবদ্ধ।

৩। ইতিমধ্যে মই বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, সংগঠন, ব্যক্তিবিশেষ আৰু চৰকাৰৰ বিভিন্ন বিভাগৰ লগত আলোচনা কৰিছোঁ। লগতে বিভিন্ন মাধ্যমেৰে সকলো স্তৰৰ ৰাইজৰ পৰাও বিভিন্ন পৰামৰ্শ লাভ কৰিছোঁ। আটাইবোৰ কথা আন্তৰিকতাৰে শুনাৰ লগতে অন্তৰেৰে অনুভৱ কৰি প্ৰত্যেকজন ব্যক্তিয়ে যাতে বাজেটখনত নিজৰ হৃদয়ৰ সংবাদ শুনিবলৈ পায়, তাৰ বাবে বাজেটখন প্ৰস্তুত কৰোঁতে তেওঁলোকৰ পৰামৰ্শ প্ৰতিফলিত কৰাৰ বাবে মই চেষ্টাৰ ত্ৰুটি কৰা নাই। অসমীয়া আধুনিক কবিতাৰ অন্যতম পথ প্ৰদৰ্শক কবি অমূল্য বৰুৱাই লিখিছিল—

**মোৰ আছে মানুহৰ ওপৰত বিশ্বাস,**
**মোৰ আছে ভৰিষ্যতৰ সুস্থ ৰঙা সূৰ্যৰ ওপৰত চকু।**

৪। মই অসমৰ জনসাধাৰণৰ প্ৰতি গভীৰ শ্ৰদ্ধাৰে এই বাজেটখন কেৱল মাত্ৰ এটা বছৰৰ বাবে প্ৰস্তুত কৰা জমা-খৰচৰ বিপৰীতে কৰিব বিচাৰিছোঁ আমাৰ চৰকাৰখনৰ পৰৱৰ্তী ৫ বছৰীয়া কাৰ্যকালৰ এক দলিল— এখন ভিজন ডকুমেণ্ট।

৫। এটা বছৰৰ অন্তত আমি পুনৰ ঘূৰি চাম, কিমানদূৰ আমি আগবাঢ়িলোঁ। যদি দেখো যে আমাৰ গতি আৰু বঢ়াব লাগিব, আমি থমকি নৰওঁ। পুনৰ

গতিবেগ বঢ়াই আমাৰ ঈপ্সিত লক্ষ্যত উপনীত হ'বলৈ মনৰ দৃঢ়তাৰে আগবাঢ়ি যাম।

৬। অধ্যক্ষ মহোদয়, আমাৰ একমাত্ৰ লক্ষ্য হ'ব সাহিত্যৰথী বেজবৰুৱাৰ ভাষাত জীৱন্ত হৈ উঠা আশাক সম্পূৰ্ণৰূপে বাস্তৱত পৰিণত কৰা। সাহিত্যৰথীয়ে কোৱা কথাকেইটা মই আপোনালোকক মনত পেলাই দিব বিচাৰিছোঁ—

**বাজক দবা, বাজক শংখ, বাজক মৃদং-খোল,**
**অসম আকৌ উন্নতি পথত, জয় আই অসম বোল।**

৭। এই ছেগতে আমাৰ মিত্ৰজোঁটৰ অংশীদাৰ দলসমূহ— ভাৰতীয় জনতা পাৰ্টী, অসম গণ পৰিষদ, ইউনাইটেড পিপ'লছ পাৰ্টী লিবাৰেল, ৰাভা যৌথ সংগ্ৰাম সমিতি আৰু গণশক্তিৰ নেতৃত্বই জনতাৰ আশা-আকাংক্ষা পূৰণৰ অৰ্থে চৰকাৰক দিয়া সমৰ্থন আৰু দিহা-পৰামৰ্শৰ বাবে মই তেওঁলোকৰ প্ৰতিও ধন্যবাদ জ্ঞাপন কৰিছোঁ। মই বিৰোধী আসনত বহি থকা মোৰ সতীৰ্থসকলৰ পৰাও সকলো প্ৰকাৰৰ সহায়-সহযোগিতা কামনা কৰিছো।

৮। আমাৰ চৰকাৰৰ দ্বিতীয়টো কাৰ্যকালৰ এইখন প্ৰথম বাজেট। বিগত বিধানসভা নিৰ্বাচনৰ আগেয়ে এটা বিস্তৃত লক্ষ্য লৈ আত্মনিৰ্ভৰ অসমৰ বাবে আমি প্ৰস্তুত কৰিছিলোঁ এখন 'সংকল্প পত্ৰ'। এই সংকল্প পত্ৰত উল্লেখ কৰা আটাইবোৰ বিষয়কে আমাৰ এইখন বাজেটত আমি নিশ্চয় সামৰিব পৰা নাই। কিন্তু এই সংকল্প পত্ৰৰ প্ৰতিটো বিষয়ৰ প্ৰতি আমি সমৰ্পিত থাকিম আৰু পাঁচ বছৰীয়া কাৰ্যকালৰ ভিতৰত সেইসমূহৰ ৰূপায়ণৰ বাবে আমি সততাৰে চেষ্টা চলাম।

৯। অধ্যক্ষ মহোদয়, অসম আৰু উত্তৰ-পূৰ্বাঞ্চল এতিয়া বিশেষ গুৰুত্বপ্ৰাপ্ত অঞ্চল। পূৰ্বতে অঞ্চলটোৱে এনে গুৰুত্ব পোৱা নাছিল আৰু আমাৰ মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীযুত নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ আশীৰ্বাদৰ বাবে এই নজিৰবিহীন গুৰুত্ব লাভ কৰাটো সম্ভৱ হৈ পৰিছে। অসম আৰু উত্তৰ-

পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনলৈ আগবঢ়োৱা সকলো প্ৰকাৰৰ সহায়-সহযোগিতাৰ বাবে আমি আমাৰ মাননীয় প্ৰধানমন্ত্ৰীৰ ওচৰত কৃতজ্ঞ।

১০। আমি আমাৰ মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী ডাঙৰীয়াৰ প্ৰতিও কৃতজ্ঞ। আমি সকলোৱে জানো যে অঞ্চলটোত শান্তি অবিহনে উন্নয়নমূলক কাম-কাজ সম্ভৱ নহয়। এক দূৰদৃষ্টিসম্পন্ন দৃষ্টিভংগীৰে আমাৰ মাননীয় কেন্দ্ৰীয় গৃহমন্ত্ৰী শ্ৰীঅমিত শ্বাহ ডাঙৰীয়াই এখন শান্তিপূৰ্ণ উত্তৰ-পূব ভাৰতৰ বাবে অক্লান্তভাৱে কাম কৰি আহিছে আৰু অঞ্চলটোৰ সৰ্বাংগীন উন্নয়ন নিশ্চিত কৰিছে।

**ক'ভিড আৰু অৰ্থনীতি**

১১। আমি সকলোৱে জানো যে ২০২০ বৰ্ষৰ পৰা সমগ্ৰ বিশ্বত ক'ভিড-১৯ অতিমাৰীয়ে স্বাস্থ্যখণ্ডত যি বিপৰ্যয় সৃষ্টি কৰিছে তাৰ প্ৰত্যক্ষ প্ৰভাৱ পৰিছে অৰ্থনীতিত আৰু সেই একেই প্ৰভাৱ ভাৰতবৰ্ষ আৰু অসমৰ অৰ্থনীতিতো পৰিছে।

১২। সমগ্ৰ বিশ্বৰ লগতে ভাৰতবৰ্ষয়ো ক'ভিড অতিমাৰীৰ বিৰুদ্ধে এক অঘোষিত যুদ্ধ কৰিছে। আমি অসমেও এই প্ৰত্যাহ্বান গ্ৰহণ কৰি ইয়াৰে বিৰুদ্ধে যুঁজ চলাই আছোঁ।

১৩। কোনো কাৰণতে যাতে স্বাস্থ্যখণ্ডৰ যুঁজাৰুসকলে অৰ্থনৈতিকভাৱে কোনো অভাব অনুভৱ নকৰে তাৰ বাবে আমাৰ চৰকাৰখন সকলো সময়তে সজাগ আৰু সচেতন হৈ আছে। ক'ভিড যুঁজৰ বাবে প্ৰয়োজনীয় ধনৰ যোগান— চৰকাৰৰ প্ৰধান দায়িত্ব হিচাপে গ্ৰহণ কৰিছে আৰু ভৱিষ্যতলৈ কৰি যাব।

১৪। অধ্যক্ষ মহোদয়, আগতে বাজেট প্ৰস্তুত কৰোতে এনেকুৱা ক'ভিডসৃষ্ট পৰিৱেশ সৃষ্টি হোৱা নাছিল। তথাপি দৃঢ়তাৰে কৈছোঁ — ক'ভিডৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি ক'ভিড নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰে দৃঢ়তাৰে কাম কৰি যাব। তাৰ লগতে ৰাজ্যখনৰ উন্নয়নৰ গতি প্ৰবাহ সমান্তৰালকৈ ক্ষিপ্ৰতাৰে আগবঢ়াই লৈ যাব।

১৫। ক’ভিড নিয়ন্ত্ৰণৰ ক্ষেত্ৰত ব্যয় হোৱা ধনৰ অভাৱ চৰকাৰে হ’বলৈ দিয়া নাই। ক’ভিড প্ৰতিষেধকৰ টিকাকৰণক এক জন আন্দোলনলৈ পৰিবৰ্তন কৰিবলৈ চেষ্টা চলাইছিল যাৰ অন্তৰালত আছিল জন অংশীদাৰিত্ব। ই মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ এক বিনম্ৰ প্ৰয়াস আছিল। তেখেতৰ আহ্বানৰ প্ৰতি অভূতপূৰ্ব সঁহাৰি জনাই অসমৰ জনসাধাৰণ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে মুক্তহস্তে দান-বৰঙণি আগবঢ়াই যি সহৃদয়তা প্ৰকাশ কৰিছে তাৰ বাবে তেওঁলোকক এই ছেগতে হৃদয়ৰ নিভৃত কোণৰ পৰা চৰকাৰৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

১৬। বৰ্তমানৰ অতিমাৰীৰ সময়ছোৱাত দিনে-নিশাই সেৱা আগবঢ়াই থকা আমাৰ হেজাৰ হেজাৰ চিকিৎসক, নাৰ্ছ, পেৰামেডিকছ, লেব টেকনিচিয়ান, এম্বুলেন্সৰ চালক, আশাকৰ্মী আৰু অন্যান্যসকলৰ মই যদি শলাগ নলও আৰু প্ৰশংসা নকৰো তেন্তে মই মোৰ কৰ্তব্য পালনত ব্যৰ্থ হোৱা বুলি ভাবিব লাগিব।

**ৰাজ্যৰ বিত্তীয় অৱস্থা**

১৭। অধ্যক্ষ মহোদয়, উন্নয়ন এটা ধাৰাবাহিক প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়া সু-সংহতভাৱে আমাৰ চৰকাৰে আগবঢ়াই নি আছে। মই এই ছেগতে ৰাজ্যখনৰ অৰ্থনৈতিক দিশৰ এটা আভাষ দিব বিছাৰিছোঁ।

১৮। এখন ৰাজ্যৰ অৰ্থনৈতিক অৱস্থাৰ প্ৰতিফলন ঘটাব পৰা মূল সূচক হৈছে ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন (GSDP), চলমান মূল্যত ২০১৫-১৬ বিত্তীয় বৰ্ষত ২,২৭,৯৫৯ কোটি টকা হোৱাৰ বিপৰীতে ২০১৯-২০ বৰ্ষত ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন ৩,৫১,৩১৮ কোটি টকালৈ বৃদ্ধি হয়। এই সময়ছোৱাত ৰাজ্যখনৰ ঘৰুৱা উৎপাদনৰ বাৰ্ষিক গড় বৃদ্ধিৰ হাৰ ১১.২২ শতাংশ।

১৯। অন্যহাতে স্থিৰ মূল্যত ৰাজ্যখনৰ ঘৰুৱা উৎপাদন ২০১৫-১৬ বিত্তীয় বৰ্ষত ১,৯১,১০৯ কোটি টকা হোৱাৰ বিপৰীতে ২০১৯-২০ বৰ্ষত ২,৪৮,৭৯৬ কোটি টকালৈ বৃদ্ধি পায়। এই সময়ছোৱাত স্থিৰ মূল্যত ৰাজ্যখনৰ ঘৰুৱা উৎপাদনৰ হাৰ হ’ল ৭.৫৫ শতাংশ।

২০। আমি যদি বাজেটত পুঁজিৰ আবণ্টনৰ বিষয়টো লক্ষ্য কৰোঁ, তেন্তে দেখা পাম যে ইয়ে পুঁজিৰ আবণ্টন আৰু ব্যয়ৰ বিষয়টো প্ৰতিফলিত কৰে। এইটোও দেখা যায় যে যোৱা চাৰি বছৰত অতি সুচিন্তিতভাৱে বাজেট প্ৰস্তুত কৰা হৈছিল। যাৰ ফলত সঠিক ৰাজহুৱা ব্যয় সম্ভৱ হৈছিল।

| বছৰ | বাজেট (কোটি) | ব্যয় (কোটি) | শতাংশ |
|---|---|---|---|
| ২০১৫-২০১৬ | ৬৬,১৪২.১৭ | ৪১,৯৩১.৩২ | ৬৩.৪০% |
| ২০১৬-২০১৭ | ৭৮,২৫৩.৩৬ | ৫৭,৪০৬.৮১ | ৭৩.৩৬% |
| ২০১৭-২০১৮ | ৮৫,৯২২.৬৯ | ৬৫,৩৮৬.৪৫ | ৭৬.১০% |
| ২০১৮-২০১৯ | ৯০,২৬৯.৯২ | ৭১,৮৫০.৫১ | ৭৯.৬০% |
| ২০১৯-২০২০ | ৯৯,৪১৮.৯১ | ৮২,৪৮৮.১২ | ৮২.৯৭% |

২১। মন কৰিবলগীয়া যে বিগত বছৰসমূহত বিশ্ব অৰ্থনীতিৰ বিৰৰ্ণ দৃশ্যপট সত্বেও অকল সম্পদেই নহয় ব্যয়ো বৃদ্ধি পাইছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী শ্ৰীমতী নিৰ্মলা সীতাৰমন ডাঙৰীয়ানীক তেখেতৰ সমৰ্থন আৰু সদয় ভংগীমাৰ বাবে আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

২২। এই যে বাজেটত উন্নয়নৰ ক্ষেত্ৰত ইমানখিনি ধন ব্যয় কৰা হ'ল তাৰ ফলশ্ৰুতিতে ৰাইজে আমাক পুনৰ সেৱা কৰিবলৈ সুবিধা দিলে। লগতে ২০১৫-১৬ বিত্তীয় বৰ্ষৰ তুলনাত ২০১৯-২০ বিত্তীয় বৰ্ষত প্ৰায় দুগুণ ধন ব্যয় কৰি সুস্থিৰ বিত্তীয় ব্যৱস্থালৈ উন্নীত কৰিলে।

২৩। মই তুলনামূলক পৰিসংখ্যাটো এই কাৰণে উপস্থাপন কৰিছোঁ কিয়নো নিজস্ব ৰাজহ সংগ্ৰহ ব্যৱস্থাটো শক্তিশালী কৰাটো চৰকাৰ এখনৰ প্ৰধান কৰ্তব্য। যদি আমি সম্পদ আহৰণ কৰিব নোৱাৰো বাজেট ব্যয় কৰাটোও অসম্ভৱ হৈ পৰে।

২৪। অধ্যক্ষ মহোদয়, ২০১৬ চনত আমাৰ চৰকাৰখনে প্ৰথমখন বাজেট দাখিল কৰিছিল। তেতিয়া বাজেটখনত চৰকাৰখনৰ নীতি আৰু

ৰূপৰেখাসমূহ প্ৰতিফলিত হৈছিল। আমাৰ সুশাসনৰ আৰ্হিটোৰ চাৰিটা স্তম্ভ চিনাক্ত কৰা হৈছিল সেই স্তম্ভ চাৰিটা আছিল—

(১) ব্যক্তি জীৱনৰ সততা
(২) ৰাজনৈতিক অন্তৰ্ভুক্তিকৰণ
(৩) প্ৰশাসনিক ন্যায্যতা
(৪) জন অংশীদাৰিত্ব

২৫। পণ্ডিত দীনদয়াল উপাধ্যায়ৰ 'একাত্ম মানৱতাবাদ' আৰু স্বামী বিবেকানন্দই আগবঢ়োৱা মানৱ সম্পদ সৃষ্টি আৰু ৰাষ্ট্ৰ নিৰ্মাণৰ 'তূৰ্য নিনাদ'ৰ আদৰ্শৰ পৰা অনুপ্ৰেৰণা আহৰণ কৰা হৈছিল। য'ত তেখেতসকলে সাফল্যৰ মূল ধাৰাৰ কথা অৱগত কৰিছিল। আমাৰ মাননীয় মুখ্যমন্ত্ৰী শৰ্মা ডাঙৰীয়াই এই মন্ত্ৰকে মূলতঃ সাৰোগত কৰি ৰাইজক সেৱা কৰি যাব বিচাৰিছে।

২৬। অধ্যক্ষ মহোদয়, এই চাৰিটা স্তম্ভৰ উপৰি বহনক্ষম উন্নয়নৰ বা বিৰামহীন উন্নয়নৰ লক্ষ্যৰে (Sustainable Development Goals) অৰ্থনৈতিক উন্নয়ন, আন্তঃগাঁথনি উন্নয়ন, ঔদ্যোগিক উন্নয়ন আৰু শক্তিৰ উপলব্ধতাৰ জৰিয়তে বহনক্ষম বিকাশৰ এক ৰূপৰেখা তৈয়াৰ কৰিব বিচৰা হৈছে।

২৭। আমাৰ চৰকাৰে আন্তৰিকতাৰে এই ক্ষেত্ৰত অহা সকলো বাধা আঁতৰাই নিজস্ব লক্ষ্যত উপনীত হ'বলৈ দুগুণ উৎসাহেৰে কাম কৰিবলৈ সংকল্পবদ্ধ।

২৮। মাননীয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াই ২০১৫ চনৰ ২৫ ছেপ্টেম্বৰত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়নৰ শীৰ্ষ সন্মিলনত বহনক্ষম উন্নয়নৰ প্ৰতি ভাৰতৰ প্ৰতিশ্ৰুতিবদ্ধতাৰ কথা দোহাৰিছে।

২৯। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰখনে বিগত কাৰ্যকালত প্ৰশাসনক ৰাইজৰ ওচৰ চপাই নিবলৈ পাৰ্যমানে চেষ্টা চলাইছিল, তাৰ বাবে বহুতো আঁচনি গ্ৰহণ কৰিছিল, যিবোৰ আঁচনিয়ে সমাজৰ সকলো স্তৰৰ

জনসাধাৰণক চুবলৈ সক্ষম হৈছিল। মই তেনে কিছু আঁচনিৰ বিষয়ে আলোকপাত কৰিব বিচাৰিছোঁ। ইয়াৰে কিছু সংখ্যক আঁচনি এই বাজেটত আমি নতুন ৰূপত অন্তৰ্ভুক্ত কৰিম।

৩০। এই আঁচনিসমূহৰ আন এটা দিশ হৈছে— বিকাশ আৰু উন্নয়নৰ ভেটি সুদৃঢ় কৰি তোলাৰ লগতে অসমৰ ৰাইজৰ বাবে সামাজিক সমতা আৰু ন্যায় সুনিশ্চিত কৰা।

**অন্নযোজনা আৰু শ্ৰমিক কল্যাণ**

৩১। অসমত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত সকলো হিতাধিকাৰীলৈ 'এ এন এন এ আঁচনি'ৰ অধীনত অসম চৰকাৰে বিনামূলীয়া চাউল যোগান ধৰি আছে। ইয়াৰ বাবে বাৰ্ষিক ৪৮৯ কোটি টকা ব্যয় কৰা হৈছে। সমাজৰ সকলো দুৰ্বল শ্ৰেণীৰ লোকলৈ খাদ্য নিৰাপত্তা সুনিশ্চিতকৰণত ই হৈছে এক অতি গুৰুত্বপূৰ্ণ পদক্ষেপ। এই আঁচনিৰ অধীনত চাহবাগান এলেকাৰ ৬.৪৬ লাখ পৰিয়ালকে ধৰি মুঠ ৫৮.৯৩ লাখ টা পৰিয়ালক সামৰি লোৱা হৈছে।

৩২। ইয়াৰ লগতে চাহ বাগিচাত কৰ্মৰত নিয়মীয়া আৰু অস্থায়ী মহিলা শ্ৰমিকসকলে গৰ্ভধাৰণ আৰু প্ৰসৱকালীন সময়ৰ মজুৰিৰ ক্ষতিপূৰণ হিচাপে আমাৰ চৰকাৰে ১২ হাজাৰ টকাকৈ আগবঢ়াইছে। এই আঁচনিখনে নৱজাতক আৰু প্ৰসূতিৰ মৃত্যুৰ হাৰ ৰোধত সহায় কৰাৰ লগতে উভয়ৰে পুষ্টি সাধন কৰাত বৰঙণি যোগাইছে।

৩৩। চাহ জনগোষ্ঠীৰ শিক্ষাৰ্থীৰ উচ্চ শিক্ষাৰ অৰ্থে আঁচনি গ্ৰহণ কৰা হৈছে। চাহ বাগিচা অঞ্চলৰ শৈক্ষিক বিকাশৰ বাবেও ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু ১০২ খন হাইস্কুল স্থাপনৰ বাবে স্থান নিৰ্ণয় কৰা হৈছে। ইতিমধ্যে ইয়াৰে বহুতো বিদ্যালয়ৰ আন্তঃগাঁথনি নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিছে। এই বিদ্যালয়সমূহ মুকলি হ'লে শিক্ষাৰ ক্ষেত্ৰত থকা প্ৰতিবন্ধকতা আঁতৰোৱাত এক নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিব।

৩৪। যোৱা সময়ছোৱাত অনগ্ৰসৰ অঞ্চলত অৱস্থিত ৮০০খন চাহ বাগিচাৰ প্ৰতিখনৰ লেবাৰ লাইনৰ পথ ১ কোটিকৈ টকা ব্যয়েৰে পেভাৰ ব্লক ব্যৱহাৰ কৰি নিৰ্মাণ কৰা হৈছে। ফলস্বৰূপে এই অনগ্ৰসৰ অঞ্চলবোৰলৈ এক শুভ পৰিৱৰ্তন আহিছে।

৩৫। চাহ শ্ৰমিকে যাতে অৱসৰৰ পাছত পাবলগীয়া ভাত্তা নিয়মীয়াকৈ পায় তাৰ বাবে **অসম ভাত্তা আঁচনি** প্ৰৱৰ্তন কৰা হৈছে। ফলস্বৰূপে এজন শ্ৰমিকে গড়ে ৫০ হাজাৰ টকা অৱসৰ ভাত্তা হিচাপে পাব।

**অৰুণোদয়**

৩৬। অধ্যক্ষ মহোদয়, অসম বিধানসভাত মই ৫ টা কাৰ্যকাল ধৰি প্ৰতিনিধি হৈ আছোঁ। এই কথা আত্মপ্ৰত্যয়ৰ সৈতে ক'ব পাৰো যে এতিয়ালৈকে ঘোষণা কৰা সকলো আঁচনিৰ ভিতৰত **অৰুণোদয়** হ'ল এখন শক্তিশালী আঁচনি যিয়ে আত্মনিৰ্ভৰশীলতা, আত্মবিশ্বাস আৰু বলিষ্ঠ লক্ষ্যৰে অসমক আগুৱাই লৈ যাব। যোৱা দশকবোৰত দৰিদ্ৰতা নিৰ্মূলৰ বাবে বিভিন্ন আঁচনি গ্ৰহণ কৰা হৈছিল, কিন্তু দুৰ্ভাগ্যৰ কথা এই আঁচনিবোৰৰ দ্বাৰা দৰিদ্ৰ লোকসকল সৰ্বাংগীণভাৱে উপকৃত হোৱা দেখা নগ'ল। বহুত আঁচনিৰ জৰিয়তে এক মধ্যভোগী শ্ৰেণীৰহে সৃষ্টি হ'ল। মই এই কথা আন্তৰিকতাৰে বিশ্বাস কৰোঁ যে এই পুঁজি দৰিদ্ৰ লোকসকললৈ হস্তান্তৰ কৰা প্ৰক্ৰিয়াৰ দ্বাৰা এই লোকসকলে দৰিদ্ৰতাৰ পৰা সকাহ পাব। এই আঁচনিৰ জৰিয়তে চিকিৎসা আৰু পুষ্টিকৰ খাদ্যৰ বাবে মাহিলি ৮৩০ টকাকৈ আগবঢ়োৱা হৈছে।

**সংহত সামাজিক সুৰক্ষা আঁচনি**

৩৭। অধ্যক্ষ মহোদয়, এখন নিৰ্বাচিত চৰকাৰৰ দায়িত্ব হৈছে সমাজৰ সকলো লোকক সামাজিক সুৰক্ষা প্ৰদান কৰা। এইক্ষেত্ৰত বিশেষভাৱে সক্ষম ব্যক্তিসকল, বৃদ্ধসকল, বিধৱাসকল হ'ল অন্যতম। আমি এই লোকসকলৰ সমস্যাসমূহ নিৰাময় কৰিবৰ বাবে দায়বদ্ধ।

৩৮। যোৱা ২০১৯-২০ বৰ্ষৰ বাজেটত তিনিখন আঁচনি ক্ৰমে—

(ক) ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেন্সন আঁচনি, (বিধৱা হিতাধিকাৰীলৈ ২৫হাজাৰ টকাকৈ এককালীন সাহায্য)

(খ) শ্বহীদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেন্সন আঁচনি,

(গ) দীনদয়াল উপাধ্যায় দিব্যাংগ পেন্সন আঁচনি, (এই আঁচনিৰ জৰিয়তে হিতাধিকাৰীসকলে মাহে ১০০০টকাকৈ লাভ কৰে)

৩৯। এই তিনিওখন আঁচনি বৰ্তমানে সফলভাৱে ৰূপায়িত হৈ আছে। আজি ছহিদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনিত ১৩,২৪,০৮৯ গৰাকী, ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আঁচনিত ১,৮৬,১৩৯ গৰাকী আৰু দীনদয়াল উপাধ্যায় দিব্যাংগ পেঞ্চন আঁচনিত ১,৬০,৬১২ গৰাকী হিতাধিকাৰীয়ে প্ৰতিমাহে নিজৰ নিজৰ বেংক একাউণ্টত প্ৰত্যক্ষভাৱে মাহিলি পেঞ্চন লাভ কৰি আছে।

৪০। সন্মানীয় সদনক জনাবলৈ পাই সুখী হৈছোঁ যে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ সদিচ্ছাত এই তিনিখন আঁচনি চিলিংমুক্ত কৰা হৈছে আৰু এতিয়াৰ পৰা প্ৰতিমাহৰ ১০ তাৰিখৰ ভিতৰত হিতাধিকাৰীৰ বেংক একাউণ্টত উপলব্ধ কৰোৱা হ’ব। লগতে কেন্দ্ৰীয় অংশ আগতীয়াকৈ মুকলি কৰি দি হিতাধিকাৰীয়ে যাতে সময়মতে লাভালাভ পায়, তাৰ বাবেও সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

৪১। আমি লগতে এই কথাও নিশ্চিত কৰিছোঁ যাতে ৰাষ্ট্ৰীয় সাহায্য কাৰ্যসূচীৰ বৃদ্ধ পেঞ্চন (৬,৮৬,২৩৭ গৰাকী হিতাধিকাৰী) আৰু বিধৱা পেঞ্চনধাৰী (১,১১,৯৬৪ গৰাকী হিতাধিকাৰী) সকলেও প্ৰতি মাহৰ ১০ তাৰিখৰ ভিতৰত বেংক একাউণ্টত প্ৰাপ্য ধন লাভ কৰিব পাৰে।

**অসম মালা**

৪২। যোগাযোগ ব্যৱস্থাটো হ’ল অন্যতম এক শক্তিশালী মাধ্যম। এখন ৰাজ্যৰ অৰ্থনীতিক আগবঢ়াই নৈ যোৱাত প্ৰধান ভূমিকা পালন কৰে এক শক্তিশালী যোগাযোগ ব্যৱস্থাই। আমাৰ ৰাজ্যৰ গৰিষ্ঠসংখ্যক লোকৰ

যোগাযোগৰ মাধ্যম হৈছে পথ সংযোগ ব্যৱস্থাটো। এইক্ষেত্ৰত মই বিশেষভাৱে উল্লেখ কৰিব বিচাৰিছো 'নিউ ভেডেলপমেণ্ট বেংক' (NDB) সমৰ্থিত গুৱাহাটী-উত্তৰ গুৱাহাটী দলংখন খৰতকীয়াভাৱে বৰ্তমান সমাপ্তিৰ পথত।

৪৩। আমাৰ চৰকাৰে ৰাজ্যিক ঘাইপথ আৰু জিলাৰ ঘাইপথ সামৰি এক বিস্তৃত কৰ্মসূচী গ্ৰহণ কৰিছে। ইতিমধ্যে এছিয়ান ডেভেলপমেণ্ট বেংকৰ ৫০০০ কোটি টকা অৰ্থ সাহায্যৰে ARNP আৰু ASRIP শীৰ্ষক দুটা বহিঃসাহায্যপ্ৰাপ্ত প্ৰকল্প মঞ্জুৰ হৈছে। এই প্ৰকল্পৰ প্ৰাৰম্ভিক কাম-কাজসমূহ আৰম্ভ কৰা হৈছে। এই প্ৰকল্প সম্পূৰ্ণ হৈ উঠিলে যোগাযোগ ব্যৱস্থাই এক নতুন ৰূপ পাব।

৪৪। ইতিমধ্যে আমাৰ চৰকাৰখনে ৰাষ্ট্ৰীয় ঘাইপথ NHAI ৰ অধীনস্থ ৭০১.৮৫ কিলোমিটাৰ আৰু NHIBCLৰ অধীনস্থ ৯২৯.২৩ কিলোমিটাৰ পথ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথলৈ উন্নীত কৰিছে। সমান্তৰালভাৱে ২০২০-২১ বৰ্ষতো নতুন পথ, ঘাইপথ নিৰ্মাণৰ বাবে পুঁজি আবণ্টিত হৈছে।

৪৫। মাজুলী-যোৰহাট সংযোগী দলং নিৰ্মাণৰ কাম চলি আছে। ইয়াৰ ফলত পৃথিৱীৰ বৃহত্তম নদীদ্বীপবাসীৰ দীৰ্ঘদিনীয়া সপোন বাস্তৱায়িত হোৱাৰ পথত।

**ক'ভিড অতিমাৰী নিয়ন্ত্ৰণত চৰকাৰৰ ভূমিকা**

৪৬। অধ্যক্ষ মহোদয়, ২০২০ চনত ক'ভিড অতিমাৰীয়ে বিশ্বত ত্ৰাসৰ সৃষ্টি কৰাৰ লগতে আমাৰ ৰাজ্যখনো যথেষ্ট ক্ষতিগ্ৰস্ত হৈছিল। এই অতিমাৰীৰ প্ৰভাৱে ৰাজ্যৰ অৰ্থনীতিত প্ৰভাৱ পেলোৱাৰ লগতে জনসাধাৰণৰ স্বাস্থ্যৰ প্ৰতিও ভাবুকি কঢ়িয়াই আনিছে।

৪৭। এনে এক প্ৰত্যাহ্বানপূৰ্ণ সময়ত দেশৰ প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ সবল নেতৃত্বত আৰু সেই সময়ৰ স্বাস্থ্যমন্ত্ৰী বৰ্তমানৰ মুখ্যমন্ত্ৰী মহোদয়ৰ সু-ব্যৱস্থাপনাত অন্য ৰাজ্যৰ তুলনাত ক'ভিডৰ প্ৰথম ঢৌ নিয়ন্ত্ৰণত অসমে সফলতা অৰ্জন কৰিলে।

৪৮। দুৰ্ভাগ্যজনকভাৱে ২০২১ চনত ক'ভিডৰ দ্বিতীয়টো ঢৌ আৰম্ভ হৈছে। এই ঢৌও প্ৰতিহত কৰিবলৈ চৰকাৰে নেতৃত্ব বহন কৰিছে আৰু ক'ভিড যোদ্ধাসকলৰ লগত চৰকাৰখনে দিন-ৰাতি একাকাৰ কৰি ৰাজ্যবাসীক এই অতিমাৰীৰ পৰা ৰক্ষা কৰিবলৈ অহোপুৰুষাৰ্থ কৰি আছে।

৪৯। বৰ্তমান সময়ত ক'ভিড চিকিৎসাৰ বাবে চৰকাৰী চিকিৎসালয়ত ২০,৪৭৬ খন বিচনা ব্যৱহাৰ কৰি থকা হৈছে। ইয়াৰে ১৬,৪৬১ খন আছুতীয়া বিচনা হিচাপে, ২,৯৬৪ খন অক্সিজেনযুক্ত বিচনা, ১,১৫১খন আই চি ইউ বিচনা হিচাবে ব্যৱহাৰ কৰি থকা হৈছে।

৫০। জৰুৰীকালীন সেৱাৰ বাবে ৬০০খন আই চি ইউ বিচনা নিৰ্মাণ কৰা হৈছে, তাৰে ২০০খন গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত, ১০০খন সৰুসজাইত থকা অস্থায়ী ক'ভিড চিকিৎসালয়ত আৰু ইয়াৰ উপৰি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত অতিৰিক্ত দুশখন বিচনাযুক্ত আই চি ইউ নিৰ্মাণ কৰি মুকলি কৰা হৈছে।

৫১। ক'ভিড অতিমাৰীৰ প্ৰাদুৰ্ভাৱৰ পূৰ্বে স্বাস্থ্য আন্তঃগাঁথনি বিশেষকৈ শীৰ্ষ পৰ্যায়ৰ স্বাস্থ্য সেৱাৰ সুবিধা চিকিৎসা মহাবিদ্যালয় হাস্পতালতে সীমাবদ্ধ আছিল। ২০২০ চনৰ মাৰ্চ মাহলৈকে আই চি ইউ বিচনাৰ মুঠ সংখ্যা আছিল মাত্ৰ ৪০০ খন। ইয়াৰে ১২০ খন বিচনাহে ক'ভিড ৰোগীৰ বাবে ব্যৱহাৰ কাৰিব পৰা হৈছিল। আনহাতে অক্সিজেন সংলগ্ন বিচনাৰ সংখ্যা আছিল আনুমানিক ৪০০ খন।

৫২। এতিয়া আই চি ইউ বিচনাৰ সংখ্যা ১৫৪০ খনলৈ বৃদ্ধি কৰা হৈছে। ইয়াৰে প্ৰায় ১০৯৯ খন বিচনা ক'ভিড ৰোগীৰ বাবে উৎসৰ্গীত কৰা হৈছে। আনহাতে অক্সিজেন সংলগ্ন বিচনাৰ সংখ্যাও ৩৮৫৫খনলৈ বৃদ্ধি কৰা হৈছে।

৫৩। ২০২১ চনৰ জুন মাহলৈকে সৰ্বমুঠ ৯৫,৭৭০ জন ক'ভিড ৰোগীক বিনামূলীয়া চিকিৎসা প্ৰদান কৰাৰ লগতে প্ৰতিদিনে ৩০০ টকাৰ খাদ্য যোগান ধৰা হৈছে।

৫৪। স্বাস্থ্য সংকটৰ এই সময়চোৱাত ৰাজ্য চৰকাৰে দৰিদ্ৰ সীমাৰেখাৰ লোকসকললৈ বিনামূলীয়াকৈ 'ৰেমডেচিভিৰ'ৰ দৰে ব্যয়বহুল বেজি যোগান ধৰিছে।

৫৫। অধ্যক্ষ মহোদয়, মই এই কথা পৱিত্ৰ সদনত অৱগত কৰিব বিচাৰিছোঁ যে অসমবাসীৰ সহযোগত এতিয়ালৈকে বিনামূল্যে ১৮ বছৰ ঊৰ্দ্ধৰ ৭৭,৮৬,৯০০ গৰাকী লোকক চৰকাৰীভাৱে ক'ভিড প্ৰতিষেধক প্ৰদান কৰা হৈছে।

৫৬। আশা কৰিছোঁ, এই অভিযান ক্ষিপ্ৰতাৰে চলিব আৰু অধিক প্ৰতিষেধক প্ৰদান কৰিবলৈ প্ৰচেষ্টা চলি থাকিব।

**বটদ্ৰৱা থানৰ বাবে বিশেষ পদক্ষেপ**

শ্ৰীমন্ত শংকৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু।।

৫৭। মই প্ৰথমতেই গুৰুজনাৰ চৰণত মূৰ দোঁৱাইছোঁ। গুৰুজনাৰ কৰ্মৰাজিৰ বিষয়ে এই সদনক অৱগত কৰাৰ নিশ্চয় প্ৰয়োজন নাই। মহাপুৰুষ গুৰুজনা আমাৰ জাতীয় জীৱনৰ মহানায়কস্বৰূপ। গুৰুজনাক জগত গুৰু হিচাপে প্ৰতিষ্ঠা কৰাৰ দায়িত্ব কেৱল চৰকাৰৰে নহয়, ই অসমবাসীৰ এক জাতীয় দায়িত্ব।

৫৮। গুৰুজনাৰ ওপজা স্থান পৱিত্ৰ বৰদোৱাক সৰ্বাংগসুন্দৰ ৰূপত এখন তীৰ্থস্থানৰ লগতে কলা-সংস্কৃতি-গৱেষণা আৰু আধ্যাত্মিকতাৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ়ি তুলিবলৈ আমাৰ চৰকাৰে যোৱাটো কাৰ্যকালত এক অভিলাসী প্ৰকল্প হাতত লৈছিল, যাৰ প্ৰকল্প ব্যয় হ'ল ১৮৮ কোটি টকা।

৫৯। অধ্যক্ষ মহোদয়, আপোনালোক সকলোৱে জানে যে এই প্ৰকল্প নিৰ্মাণৰ শুভাৰম্ভ কৰে ভাৰতৰ গৃহমন্ত্ৰী শ্ৰী অমিত শ্বাহ ডাঙৰীয়াই। এই প্ৰকল্পৰ নিৰ্মাণকাৰ্য সুচাৰুৰূপে আগবাঢ়িছে।

৬০। অসমৰ ৰাইজ তথা মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ সপোনৰ প্ৰকল্পটো বাস্তৱত ৰূপায়ণ হৈ উঠিলে ই হ'ব গুৰুজনাৰ প্ৰতি প্ৰকৃত ভক্তি আৰু শ্ৰদ্ধাৰ অঞ্জলি।

৬১। অধ্যক্ষ মহোদয়, যোৱা ৫ বছৰৰ সময়ছোৱা আমাৰ বাবে আছিল ভেটি গঢ়াৰ সময়। আমি অসমৰ ৰাইজৰ বাবে এক সুস্থ ভেটি তৈয়াৰ কৰাত আত্মোৎসৰ্গা কৰিলো, যি ভেটিয়ে ভৱিষ্যৎ অসমৰ ৰূপৰেখা তৈয়াৰ কৰিব।

৬২। অধ্যক্ষ মহোদয়, কবি হীৰেন ভট্টাচাৰ্যৰ ভাষাৰে—

মোৰ প্ৰাণৰো প্ৰাণৰ
মোৰ গানৰো গানৰ, এই দেশ
মোৰ প্ৰতিটো কামেই
মোৰ প্ৰতিটো চিন্তাই
এই দেশৰ বুকুত ৰচে
শইচ, সোণোৱালী ভৱিষ্যতৰ সপোন

৬৩। আমাৰ চৰকাৰখনে দায়িত্ব গ্ৰহণ কৰাৰ মুহূৰ্তৰ পৰাই এনে কিছু সিদ্ধান্ত গ্ৰহণ কৰিছে, যিবোৰ সুদূৰ প্ৰসাৰী সিদ্ধান্তই ভৱিষ্যৎ ৰাজ্যখনক এক নতুন মাত্ৰা প্ৰদান কৰিব। কেবিনেট বৈঠক প্ৰতি সপ্তাহত অনুষ্ঠিত কৰিবলৈ লোৱা সিদ্ধান্তই ক্ষিপ্ৰতাৰে চৰকাৰী সিদ্ধান্তসমূহ বাস্তবায়িত কৰাত সহায় কৰিব। মহোদয়, ৰাজ্য সদৰত নিৰ্দ্ধাৰিত হোৱা নীতিগত সিদ্ধান্তসমূহ তৃণমূল পৰ্যায়ত বাস্তবায়িত কৰি মূল্যাংকন সুনিশ্চিত কৰিবলৈ প্ৰতিখন জিলাৰ বাবে অভিভাৱক মন্ত্ৰী আৰু অভিভাৱক সচিব নিয়োগ কৰা হৈছে।

৬৪। ৰাজ্যৰ ৰাজহ বৃদ্ধি কৰাটো চৰকাৰৰ অন্যতম দায়িত্ব। এই কথা মনত ৰাখি নুমলীগড় তেল শোধনাগাৰত অসম চৰকাৰৰ পুঁজিৰ অংশ বৃদ্ধি কৰিবলৈ নতুন চৰকাৰৰ প্ৰথমখন কেবিনেটতে সিদ্ধান্ত গ্ৰহণ কৰা হয়। ইয়াৰ ফলত নুমলীগড় শোধনাগাৰত চৰকাৰৰ অংশ ২৬ শতাংশলৈ বৃদ্ধি পায়। এই সিদ্ধান্ত ৰাজ্যৰ বিনিয়োগৰ ইতিহাসত সৰ্বশ্ৰেষ্ঠ।

**এক লাখ নিৰনুৰাক সংস্থাপন**

৬৫। কেবিনেটৰ ই এক অতি বলিষ্ঠ সিদ্ধান্ত যিয়ে নিয়োগ খণ্ডত আনন্দৰ বতৰা কঢ়িয়াই আনিব। ইতিমধ্যে এই ক্ষেত্ৰত এখন কমিটী গঠন কৰা হৈছে। এই কমিটীয়ে সকলো দিশ চালি-জাৰি চাই কেবিনেটক সিদ্ধান্তসমূহ অৱগত কৰি এক প্ৰতিবেদন দাখিল কৰিব।

৬৬। মুখ্যমন্ত্ৰী মহোদয়ে নতুনকৈ ৪ টা নতুন আৰক্ষী বেটেলিয়ন গঠন আৰু ৪টা ফৰেনচিক গৱেষণাগাৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। তাতো বহু নতুন পদৰ সৃষ্টি হ'ব।

৬৭। চৰকাৰে **অসম ক্ষুদ্ৰ বিত্তীয় অনুদান আৰু সকাহ আঁচনি**ৰ জৰিয়তে বিভিন্ন বিত্তীয় প্ৰতিষ্ঠানৰ পৰা ঋণ গ্ৰহণ কৰি ক্ষতিগ্ৰস্ত হোৱা মহিলাসকলক সকাহ দিয়াৰ উদেশ্যে এক উদ্যোগ গ্ৰহণ কৰিছে। ইতিমধ্যে মাননীয় মন্ত্ৰী অশোক সিংহলৰ নেতৃত্বত এক কমিটী গঠন কৰা হৈছে। এই কমিটীয়ে এইক্ষেত্ৰত কাৰ্যকৰী পন্থা ল'বলৈ আগবাঢ়িছে।

৬৮। যুৱকসকল আমাৰ দেশৰ ভৱিষ্যৎ। কিন্তু এই ভৱিষ্যৎ প্ৰজন্ম ড্ৰাগছৰ কবলত পৰা দেখা গৈছে। ফলস্বৰূপে এক অন্ধকাৰ ভৱিষ্যতৰ দিশে যুৱপ্ৰজন্ম আগুৱাই গৈছে।

৬৯। এই প্ৰৱণতাক ৰোধ কৰিবৰ বাবে আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৃষ্ঠপোষকতাত এক কঠোৰ ড্ৰাগছবিৰোধী অভিযান আৰম্ভ কৰা হৈছে। এই অভিযানত ইতিমধ্যে ১৩৫ কোটি মূল্যৰ নিচাযুক্ত দ্ৰব্য আৰু ড্ৰাগছ জব্দ হৈছে। এই অভিযানত নিজৰ সততা আৰু সাহসিকতাৰ পৰিচয় দিয়া কাৰ্বি-আংলং জিলাৰ গৃহৰক্ষী জোৱান বৰছিং বে'ক পুৰস্কাৰস্বৰূপে অসম আৰক্ষীত কনিষ্টবল হিচাপে নিযুক্তি দিয়া হৈছে। ই এক আৰম্ভণিহে মাথোন। ভৱিষ্যতেও ৰাজ্যখন সম্পূৰ্ণৰূপে ড্ৰাগছমুক্ত নোহোৱালৈ এই অভিযান অব্যাহত থাকিব। তদুপৰি, এই অভিযানৰ ধাৰাবাহিকতা অব্যাহত ৰখাৰ স্বাৰ্থত আমাৰ ৰাজ্যত অসমত এক নাৰ্ক'টিক্স কণ্ট্ৰ'ল ব্যুৰ' স্থাপন কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে।

মাননীয় কেন্দ্রীয় গৃহমন্ত্রী অমিত শ্বাহ ডাঙৰীয়াই এই ভয়ানক আপদ নিৰাময় কৰাৰ ক্ষেত্ৰত আগবঢ়োৱা সমৰ্থন আৰু দিহা-পৰামৰ্শৰ বাবে আমি কৃতজ্ঞ।

৭০। অধ্যক্ষ মহোদয়, ৰাজ্যখনত অবৈধভাৱে চলি থকা কয়লা সৰবৰাহ ৰোধ কৰিবলৈ চৰকাৰে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। এই অবৈধ সৰবৰাহ তথা ৰাজহ ফাকিৰ বিৰুদ্ধে SOP (মানসম্পন্ন পৰিচালনা বিধি) প্ৰবৰ্তন কৰা হৈছে। এই ব্যৱস্থাপনা ভৱিষ্যতে অবৈধ সৰবৰাহ আৰু কৰফাকি ৰোধ কৰাত সহায়ক হ'ব বুলি আশা কৰা হৈছে ।

৭১। অধ্যক্ষ মহোদয়, অসমৰ বিশিষ্ট ব্যক্তিসকলে আগবঢ়াই অহা সেৱাৰ স্বীকৃতিস্বৰূপে আমাৰ চৰকাৰে **অসম ৰত্ন, অসম বিভূষণ, অসম ভূষণ** আৰু **অসমশ্ৰী** নামেৰে ৰাজ্যিক সৰ্বোচ্ছ অসামৰিক বঁটা সৃষ্টি কৰিছে। তদুপৰি, প্ৰয়াত হোমেন বৰগোহাঞিৰ জন্ম দিৱসত **সাহিত্যিক পেঞ্চন**, অৰ্জুন বঁটাপ্ৰাপ্ত শ্ৰীভোগেশ্বৰ বৰুৱাৰ জন্ম দিৱসত **ক্ৰীড়া পেঞ্চন** আৰু জ্যোতিপ্ৰসাদ আগৰৱালাৰ জন্ম দিৱসত **শিল্পী পেঞ্চন** প্ৰদানৰ বাবে ৰাজ্যিক কেবিনেটে অনুমোদন জনাইছে।

৭২। অধ্যক্ষ মহোদয়, সদনক জনাবলৈ পাই গৌৰৱবোধ কৰিছো যে সকলো অংশীদাৰৰ লগত আলোচনাৰ পিছত ৰাজ্য চৰকাৰে চাহ বনুৱাসকলৰ দৈনিক মজুৰি ৩৮ টকা বৃদ্ধি কৰিছে।

৭৩। মহোদয়, বড়োলেণ্ড আঞ্চলিক পৰিষদ (BTC)ৰ অধীনৰ অঞ্চলসমূহত বিভিন্ন খণ্ডৰ উন্নয়নমূলক আঁচনিসমূহ ৰূপায়ণৰ তদাৰক কৰাৰ বাবে বি টি চিৰ জিলাসমূহৰ উপায়ুক্তসকলক দায়িত্ব অৰ্পণ কৰা হৈছে আৰু বড়োলেণ্ড এলেকাৰ বাবে এটা নতুন বিভাগ সৃষ্টি কৰাৰো সিদ্ধান্ত লোৱা হৈছে।

৭৪। মই আমাৰ কাম-কাজসমূহৰ ওপৰত এক চমু আলোকপাত কৰিলোঁ। ভৱিষ্যতে আমি ৰাজ্যখন পৰিচালনা কৰাত অধিক দায়বদ্ধ হৈ কাম কৰি যাম।

**অষ্টাদশ মুকুতাৰ উন্নয়নী মালা**

৭৫। অধ্যক্ষ মহোদয়, যোৱা দুটা প্ৰায় দশক জুৰি মই ৰাজনীতিৰ সৈতে জড়িত হৈ আছোঁ, এই সময়ছোৱাত কেন্দ্ৰ চৰকাৰ, বিভিন্ন ৰাজ্য চৰকাৰ আৰু আমাৰ ৰাজ্য চৰকাৰৰ বহু বাজেট মই দেখি আহিছোঁ। মই অনুভৱ কৰোঁ যে ধ্বজাবাহী আঁচনিবোৰ কেন্দ্ৰীয় চৰকাৰৰ বাজেটৰ সমাৰ্থক। অসমত ধ্বজাবাহী আঁচনিৰ বিষয়ে কোনো ধাৰণা নাছিল। ইয়াৰ আঁৰৰ কাৰণটো আছিল সুস্পষ্ট তেনে আঁচনি ঘোষণা কৰিবলৈ আমাৰ সম্পদৰ অভাৱ আছিল।

৭৬। অধ্যক্ষ মহোদয়, তাতোকৈ ডাঙৰ কাৰণটো আছিল— আমাৰ সীমিত সম্পদেৰে কোনো ডাঙৰ প্ৰকল্প হাতত ল'ব পাৰি বুলি আমি চিন্তাই কৰিব নোৱাৰিছিলো। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে পূৰ্বে বিত্তমন্ত্ৰী হৈ থাকোঁতে ঘোষণা কৰা অষ্টাদশ মুকুতাৰ উন্নয়নী মালা শীৰ্ষক আঁচনিসমূহ আছিল এই ক্ষেত্ৰত ৰাজ্যখনত প্ৰথম প্ৰয়াস।

৭৭। মহোদয়, আন্তঃগাথনি উন্নয়নৰ পৰা সামাজিক খণ্ডলৈ আৰু সৰ্বাধিক বিনিয়োগৰ ক্ষেত্ৰলৈকে বিভিন্ন গুৰুত্বপূৰ্ণ আঁচনি 'অষ্টাদশ মুকুতাৰ উন্নয়নী মালা'ৰ অন্তৰ্গত হৈ আছে।

৭৮। এই আঁচনিখনৰ ধাৰণাটো স্বভাৱতে সৰল আৰু গতিশীল। ইয়াৰ আঁচনিসমূহ সাৱধানতাৰে চয়ন আৰু সজোৱা হয়। যদি পৰৱৰ্তী সময়ত ৰাজ্যৰ প্ৰয়োজনৰ পৰিপ্ৰেক্ষিতত গুৰুত্বপূৰ্ণ আঁচনিৰ প্ৰসংগ আহি পৰে, তেতিয়া পুৰণি আঁচনিসমূহ গুৰু আঁচনি বা বিভাগীয় আঁচনিলৈ মসৃণভাৱে পৰিৱৰ্তিত কৰা হয়।

৭৯। অধ্যক্ষ মহোদয়, 'অষ্টাদশ মুকুতাৰ উন্নয়নী মালা' আঁচনিসমূহ সময়ৰ কষটি শিলত উত্তীৰ্ণ হৈছে। প্ৰতিখন আঁচনিয়ে নিজস্ব যোগ্যতাৰে গুৰুত্বপূৰ্ণ বুলি বিবেচিত। মই এতিয়া তালিকাখনৰ প্ৰস্তাব আৰম্ভ কৰিব খুজিছো।

## I. মাননীয় মুখ্যমন্ত্ৰীৰ ক'ভিড সাহায্য আঁচনি

৮০। অধ্যক্ষ মহোদয়, মোৰ ভাষণত ইতিপূৰ্বে, মই ক'ভিডৰ প্ৰভাৱ আৰু ইয়াৰ ফলত মানুহে ভোগ কৰা দুখ-কষ্টৰ বিষয়ে আলোকপাত কৰিছিলো। অসম চৰকাৰে জনসাধাৰণৰ এই দুখ কষ্টসমূহ লাঘৱ কৰাৰ বাবে বলিষ্ঠভাৱে থিয় দিয়াৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে।

৮১। মহোদয়, ক'ভিড মহামাৰীৰ সময়ছোৱাত ২০২১ বৰ্ষৰ ১৩ জুলাই পৰ্য্যন্ত অসমত চাৰি হাজাৰ আঠশ আষ্টাশী (৪,৮৮৮) গৰাকী ব্যক্তিৰ মৃত্যুৰ খবৰ পোৱা গৈছে। এইসকলৰ ভিতৰত ৩৫৪৩ গৰাকী পুৰুষ ১৩৪৫ গৰাকী মহিলা আনহাতে তেওঁলোকৰ মাজৰ ৫৬ গৰাকী ১৮ বছৰ বয়সৰ তলৰ লোক।

৮২। অসম চৰকাৰে ইতিমধ্যে ক'ভিড-১৯ ৰ বাবে পিতৃ-মাতৃক হেৰুওৱা শিশুসকলৰ যত্নৰ বাবে "মুখ্যমন্ত্ৰীৰ শিশু সেৱা আঁচনি" আৰু ক'ভিড-১৯ ৰ বাবে স্বামীহাৰা বিধবাসকলক সামৰি "মুখ্যমন্ত্ৰীৰ ক'ভিড-১৯ বিধবা সাহায্য আঁচনি" ঘোষণা কৰিছে। এনে প্ৰতিগৰাকী বিধবাক অলপতে ২.৫ লাখ টকাকৈ প্ৰদান কৰা হৈছে।

৮৩। এতিয়া, বাকী থকা পৰিয়ালসমূহক চৰকাৰে আৰ্থিক সাহায্য হিচাপে উন্নতিদায়ক সমৰ্থন আগবঢ়োৱাৰ বাবে মৃতকৰ নিকট আত্মীয়ক এক লাখ টকা আগবঢ়োৱা হ'ব।

৮৪। প্ৰয়োগ আৰু লাভা-লাভ উপলব্ধৰ বাবে স্বাস্থ্য বিভাগে যথাসময়ত আৰ্হি প্ৰস্তুত কৰিব। দেশৰ ভিতৰতে প্ৰথমখন এনেধৰণৰ আঁচনিয়ে এই জটিল সময়ত আমাৰ লোকসকলৰ সৈতে থকাৰ আমাৰ দৃঢ় সংকল্পকে প্ৰমাণ কৰে। এই আঁচনিৰ বাবে তাৎক্ষণিকভাৱে ৰাজকোষৰ পৰা প্ৰায় ৪০ কোটি টকা ব্যয় হ'ব। আমি যেতিয়া আমাৰ ক'ভিড পজিটিভ ৰোগীসকলৰ বাবে আশুআৰোগ্যৰ বাবে প্ৰাৰ্থনা কৰো তেতিয়াই এই আঁচনিখন অধীনত বিত্তীয় সাহায্য উপলব্ধ হ'ব।

## II. মাইক্ৰ'ফাইনেন্স উদ্‌গনিমূলক ব্যৱস্থা

৮৫। মাননীয় অধ্যক্ষ মহোদয়, আমাৰ নিৰ্বাচনী প্ৰচাৰ অভিযানৰ সময়ত আমি প্ৰদান কৰা আটাইতকৈ ডাঙৰ প্ৰতিশ্ৰুতিটো আছিল মাইক্ৰ'ফাইনেন্সৰ ঋণৰ বোজা বহন কৰা দুৰ্দশাগ্ৰস্ত মহিলাসকললৈ সকাহ প্ৰদান কৰা।

৮৬। আজি অসমত মাইক্ৰ'ফাইনেন্সে প্ৰায় ২৬ লাখ ঋণ গ্ৰহণকাৰী লোকক মুঠ ১২,৫০০ কোটি টকাৰ ঋণ প্ৰদান কৰিছে। এই ধনৰ অধিকাংশই ৰাজ্যখনৰ গ্ৰামাঞ্চলত প্ৰদান কৰা হৈছে। মাইক্ৰ'ফাইনেন্সে সাধাৰণ শ্ৰেণীৰ মহিলাসকললৈ এই সেৱা আগবঢ়াইছে যাতে এই ঋণেৰে তেওঁলোকে ক্ষুদ্ৰ উদ্যোগ আৰম্ভ কৰি তেওঁলোকৰ অৰ্থনৈতিক অৱস্থাৰ উন্নয়ন সাধন কৰিব পাৰে।

৮৭। মহোদয়, মাইক্ৰ'ফাইনেন্সৰ সকলো ঋণ প্ৰদানকাৰীৰ শোষণমূলক সুতৰ হাৰ সংগ্ৰহৰ কঠোৰতাৰ পৰা তথা দমনমূলক ঋণ আদায়ৰ পৰা অৰ্থনৈতিকভাৱে অনগ্ৰসৰ গোট আৰু ব্যক্তিসকলক ৰক্ষা কৰাৰ অৰ্থে আমি ইতিমধ্যে Assam Micro Finance Institutions (Regulations of Money Lending) Act, 2020 খন প্ৰণয়ন কৰিছোঁ।

৮৮। তদুপৰি, যোৱা ১১ মে', ২০২১ তাৰিখে অনুষ্ঠিত হৈ যোৱা কেবিনেট বৈঠকৰ সিদ্ধান্ত অনুসৰি মাননীয় মন্ত্ৰী অশোক সিংঘালৰ অধ্যক্ষতাত এখন মাইক্ৰ'ফাইনেন্স প্ৰতিষ্ঠান সম্বন্ধীয় কমিটী গঠন কৰা হয়। এই কমিটীখনে এই খণ্ডটোৰ ঋণ গ্ৰহণ কৰা গ্ৰাহকসকলৰ দুখ-দুৰ্দশা দূৰ কৰাৰ অৰ্থে এক কৰ্মপন্থা যুগুত কৰিব।

৮৯। এই কমিটীখনে ৰাজ্যৰ ঋণগ্ৰস্ত লোকসকলে সন্মুখীন হোৱা সমস্যা দূৰ কৰাৰ অৰ্থে ঋণ গ্ৰহণকাৰীসকলৰ বাবে কেতবোৰ উদ্‌গনিমূলক ব্যৱস্থাত

অনুমোদন দিছে। সেই অনুসৰি মাইক্ৰ'ফাইনেন্সৰ ঋণ গ্ৰহণকাৰী লোকসকলক সকাহ দিয়াৰ অৰ্থে সন্মানীয় কেবিনেটে 'Assam Micro Finance Incentive and Relief Scheme (AMFIRS), 2021' নামৰ আঁচনিখনত অনুমোদন দিছে।

৯০। এই আঁচনিখনৰ প্ৰধান বৈশিষ্ট্য হ'ল ঋণগ্ৰহণকাৰী লোকসকলক তিনিটা ভাগত শ্ৰেণীভুক্তকৰণ। শ্ৰেণী-১ৰ অধীনত নিয়মিতভাৱে ঋণ পৰিশোধ কৰি থকা গ্ৰাহকসকলক অন্তৰ্ভুক্ত কৰা হৈছে আৰু ঋণ পৰিশোধৰ ক্ষেত্ৰত তেওঁলোকে নিয়মানুৱৰ্তিতা মানি চলাৰ বাবে উদ্‌গনি হিচাপে তেওঁলোকলৈ ২৫,০০০ টকাৰ সাহায্য প্ৰদানৰ প্ৰস্তাৱ লোৱা হৈছে। যিসকল গ্ৰাহকে ১ৰ পৰা ৮৯ দিনলৈকে ঋণ পৰিশোধ নকৰাকৈ আছে সেইসকল গ্ৰাহকক শ্ৰেণী-২ৰ অধীনত অন্তৰ্ভুক্ত কৰা হৈছে। এই গ্ৰাহকসকললৈ পৰিশোধ নকৰাকৈ থকা ধনৰাশি প্ৰদান কৰা হ'ব আৰু তাৰ পিছত এবাৰ তেওঁলোকৰ একাউণ্টসমূহ মানসম্পন্ন হিচাপে শ্ৰেণীভুক্ত হোৱাৰ পিছত আৰু সময়মতে তেওঁলোকে কিষ্টিসমূহ পৰিশোধ কৰাটো আৰম্ভ কৰাৰ পিছত তেওঁলোক ২৫,০০০ টকাৰ উদ্‌গনি লাভ কৰাৰ বাবে যোগ্য বিৱেচিত হ'ব। যিসকল গ্ৰাহক মানসিকভাৱে চাপৰ সন্মুখীন হৈছে তথা সৰ্বস্বান্ত হৈ পৰিছে আৰু যিসকল লোকৰ একাউণ্ট NPA হিচাপে পৰিগণিত হৈছে তেওঁলোকক শ্ৰেণী-৩ ৰ অধীনত অন্তৰ্ভুক্ত কৰা হৈছে। এই আঁচনিৰ অধীনত বিবেচিত হ'বলৈ তেওঁলোকে এখন প্ৰ-পত্ৰত আবেদন কৰিব লাগিব। আঁচনিখনৰ অধীনত এনেধৰণৰ মাইক্ৰ'ফাইনেন্সৰ ঋণদাতাসকল এতিয়া সম্পূৰ্ণৰূপে নিকা আচৰণ বিধিৰ নীতি-নিৰ্দেশনাৰ দ্বাৰা পৰিচালিত হ'ব। ইয়াৰ ফলত ৪০০০ কোটি টকাতকৈও অধিক ধন ঋণদাতাৰ পৰা প্ৰত্যক্ষভাৱে ঋণ গ্ৰহণকাৰীসকললৈ হস্তান্তৰ হ'ব আৰু লাখ লাখ ঋণ গ্ৰহণ কৰা লোক ইয়াৰ দ্বাৰা তাৎক্ষণিকভাৱে উপকৃত হ'ব।

৯১। এই ৰেহাই প্ৰদানৰ বাবে প্ৰায় ১২,০০০ কোটি টকাৰ প্ৰয়োজন হ'ব।

ঋণ প্ৰদানকাৰী প্ৰতিষ্ঠানসমূহে নিকা আচৰণ সংহিতাৰ অধীনত ঋণ গ্ৰহণকাৰীসকললৈ লাভালাভ আগবঢ়াবলৈ ল'ব তেতিয়া পুঁজিৰ প্ৰয়োজনীয়তা কমি ১২,০০০ কোটি টকাৰ পৰা ৭,৫০০ কোটি টকালৈ নামি আহিব। সেই অনুসৰি মই ধন ধাৰ্য কৰিছো।

## III. নিবনুৱা যুৱক-যুৱতীৰ সংস্থাপন

৯২। শিক্ষিত নিবনুৱা যুৱক-যুৱতীৰ সংস্থাপন হৈছে ৰাজ্যখনৰ বাবে এক অন্যতম প্ৰধান উদ্বেগৰ বিষয়। এই সমস্যাটোৰ নেতিবাচক প্ৰভাৱ হ্ৰাস কৰাৰ অৰ্থে অসমৰ মাননীয় মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰখনে ২০২১ বৰ্ষৰ ১১ মে' তাৰিখে অনুষ্ঠিত প্ৰথম কেবিনেট বৈঠকত চৰকাৰী খণ্ডত ৰাজ্যখনৰ এক লাখ শিক্ষিত যুৱক-যুৱতীক নিযুক্তি প্ৰদান প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। এই নিযুক্তি প্ৰক্ৰিয়া ক্ষিপ্ৰ কৰাৰ অৰ্থে মোৰ অধ্যক্ষতাত এখন কমিটী গঠন কৰা হৈছে।

৯৩। সেই অনুসৰি বৰ্তমান সময়ত প্ৰয়োজনীয়তা থকা আৰু প্ৰয়োজনীয়তা নথকা দিশটো বিবেচনা কৰি মঞ্জুৰিকৃত খালী পদৰ বৰ্তমান স্থিতি সম্পৰ্কে জনাবলৈ এই কমিটীখনে সকলো প্ৰশাসনীয় বিভাগক অনুৰোধ কৰিছে।

৯৪। এতিয়ালৈকে প্ৰায় সকলো বিভাগে তেওঁলোকৰ বিভাগসমূহত থকা বৰ্তমানৰ খালী পদ সম্পৰ্কে আৰু প্ৰয়োজনীয়তা অনুসৰি নতুন পদৰ সৃষ্টি সম্পৰ্কে কমিটীক অৱগত কৰিছে আৰু প্ৰায় এক লাখ খালী পদ তথা নতুন পদ সৃষ্টিৰ প্ৰস্তাৱ লাভ কৰা হৈছে। বিভিন্ন বিভাগৰ প্ৰয়োজনীয় খালী পদ সম্পৰ্কে এখন তালিকা তলত গাঠি দিয়া হ'ল—

| ক্ৰমিক নং | বিভাগ | নতুন পদৰ সৈতে পূৰণ কৰিবলগীয়া মুঠ পদৰ সংখ্যা |
|---|---|---|
| ০১ | শ্ৰমিক কল্যাণ বিভাগ | ৫৪ |
| ০২ | পশুপালন আৰু পশু চিকিৎসা বিভাগ | ৭১১৮ |
| ০৩ | মীন বিভাগ | ১৬৮ |
| ০৪ | পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ | ২১৩৭ |
| ০৫ | সাধাৰণ প্ৰশাসন বিভাগ | ৮৩০ |
| ০৬ | লোক নিৰ্মাণ<br>(গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগ | ১০২৭ |
| ০৭ | ভূমি সংৰক্ষণ বিভাগ | ৫২৬ |
| ০৮ | ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ | ৬৭৬ |
| ০৯ | শিক্ষা বিভাগ | ২৮১৬২ |
| ১০ | উদ্যান শস্য বিভাগ | ৫৫ |
| ১১ | চাহ শ্ৰমিক কল্যাণ বিভাগ | ৬ |
| ১২ | জলসিঞ্চন বিভাগ | ৯৪০ |
| ১৩ | খাদ্য, অসামৰিক যোগান আৰু<br>গ্ৰাহক পৰিক্ৰমা বিভাগ | ৯৫ |
| ১৪ | সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ | ৩৬ |
| ১৫ | চৰ অঞ্চল উন্নয়ন বিভাগ | ২০ |
| ১৬ | পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগ | ৬০৫ |
| ১৭ | সচিবালয় প্ৰশাসন বিভাগ | ৬০৬ |
| ১৮ | তথ্য আৰু জনসংযোগ বিভাগ | ১০৭ |
| ১৯ | ভৈয়াম জনজাতি আৰু<br>পিছপৰা শ্ৰেণী কল্যাণ বিভাগ | ৩৪৮ |
| ২০ | পৰিবহণ বিভাগ | ১০০১ |
| ২১ | বন আৰু পৰিবেশ বিভাগ | ১৩৭৯ |
| ২২ | আবকাৰী বিভাগ | ৪৫৩ |
| ২৩ | কৃষি বিভাগ | ৬৮৭ |
| ২৪ | পৰ্যটন বিভাগ | ১৪৪ |
| ২৫ | সমবায় বিভাগ | ১৭৪ |

| ক্ৰমিক নং | বিভাগ | নতুন পদৰ সৈতে পূৰণ কৰিবলগীয়া মুঠ পদৰ সংখ্যা |
|---|---|---|
| ২৬ | ৰূপান্তৰ আৰু উন্নয়ন বিভাগ | ১২৪০ |
| ২৭ | স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ | ৯৩৫৩ |
| ২৮ | নগৰ উন্নয়ন বিভাগ | ২১০ |
| ২৯ | পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি | ২ |
| ৩০ | জনস্বাস্থ্য কাৰিকৰী বিভাগ | ৫২৬ |
| ৩১ | বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ | ১১ |
| ৩২ | ছপা আৰু মুদ্ৰণ বিভাগ | ৬৮ |
| ৩৩ | সাংস্কৃতিক পৰিক্ৰমা বিভাগ | ৫৬১ |
| ৩৪ | ন্যায়িক বিভাগ | ৪৯৮ |
| ৩৫ | ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ | ৯৬৫ |
| ৩৬ | বিধায়নী বিভাগ | ৪৫২ |
| ৩৭ | হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগ | ৩৩৪ |
| ৩৮ | খনি আৰু খনিজ সম্পদ বিভাগ | ৩৯১ |
| ৩৯ | কৰ্মচাৰী বিভাগ | ১২ |
| ৪০ | দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ | ৫৩৯ |
| ৪১ | শক্তি বিভাগ | ৫৭৬৯ |
| ৪২ | গুৱাহাটী উন্নয়ন বিভাগ | ২২ |
| ৪৩ | সমাজ কল্যাণ বিভাগ | ৪৭০ |
| ৪৪ | গৃহ আৰু ৰাজনৈতিক বিভাগ | ১৮০৯৬ |
| ৪৫ | জলসম্পদ বিভাগ | ১৮৭ |
| ৪৬ | লোক নিৰ্মাণ (পথ) বিভাগ | ১৯৬৩ |
| ৪৭ | বিত্ত বিভাগ | ৯২২ |
| ৪৮ | সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগ | ৯৮ |
| ৪৯ | ১০ টা বেটেলিয়ন | ১০,০০০ |
|  |  | **১,০০,০৪৩** |

৯৫। এইটো মাথো এক সূচক তালিকা আৰু বিভাগসমূহে দাখিল কৰা প্ৰয়োজনীয় পদৰ তালিকা আৰু আৱশ্যকীয় আৰু অনাৱশ্যকীয় পদৰ কাৰকসমূহ বিবেচনা কৰি ইয়াৰ সম্পূৰ্ণ বিশ্লেষণ কৰাৰ পিছত প্ৰকৃত সংখ্যাৰ তাৰতম্য হ'ব পাৰে। এই সমগ্ৰ প্ৰক্ৰিয়াৰ মূল উদ্দেশ্য হ'ল- সমগ্ৰ প্ৰশাসনিক ব্যৱস্থাটোৰ কাৰ্যকুশলতা বৃদ্ধি কৰা আৰু সেৱা মুখী কৰিতোলা। খালীপদসমূহ গণনা কৰাৰ সময়ত নৱ-গঠিত জিলা,মহকুমা, চিকিৎসালয় আদিৰ প্ৰয়োজনীয় পদৰ বিষয়টোও বিবেচনা কৰা হ'ব। মই এই বিষয়টোৰ ওপৰত অধিক গুৰুত্ব দি কব বিচাৰো যে সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়াটো যথোচিত প্ৰতিনিধিত্বমূলক গাঁথনিৰে সম্পন্ন কৰাৰ উদ্দেশ্যে এখন বিধেয়ক  অনা হ'ব। প্ৰচলিত নিযুক্তি ব্যৱস্থা অব্যাহত থাকিব যদিও নতুন পদ্ধতি আৰু ব্যৱস্থাও প্ৰৱতন কৰাৰ ব্যৱস্থা কৰা হৈছে। সমগ্ৰ প্ৰক্ৰিয়াটো সুচাৰুৰূপে পৰিচালিত কৰাৰ উদ্দেশ্যে প্ৰাসংগিক ROP প্ৰৱৰ্তনৰ বিষয়টোও বিবেচনা কৰা হ'ব।

৯৬। মাননীয় অধ্যক্ষ মহোদয়, মই এই সুযোগতে পৱিত্ৰ সদনক আশ্বাস দিব বিচাৰো যে শিক্ষিত নিবনুৱা যুৱক-যুৱতীসকলৰ নিযুক্তিৰ ক্ষেত্ৰত স্বচ্ছ, নিকা আৰু মসৃনভাৱে প্ৰক্ৰিয়া সুনিশ্চিত কৰিবলৈ অত্যাধিক সাৱধানতা অৱলম্বন কৰা হ'ব যিহেতু আমি এই প্ৰক্ৰিয়া আৰম্ভ কৰিছোঁ।

## IV. অৰুণোদয়

৯৭। অধ্যক্ষ মহোদয়, ২০২০-২১ বৰ্ষত আৰম্ভ কৰা অৰুণোদয় আঁচনিখন মহিলা সৱলীকৰণৰ দিশত এক অন্যতম বৃহৎ পদক্ষেপ। পৰিয়ালৰ প্ৰধান মহিলাগৰাকীলৈ প্ৰত্যক্ষভাৱে ধন হস্তান্তৰকৰণৰ ই এক সফল ব্যৱস্থা হিচাপে পৰিগণিত হৈছে।

৯৮। এই আঁচনিখনে ৰাজ্যখনৰ মহিলাসকলৰ সৱলীকৰণৰ দিশত যথেষ্ট সহায় কৰিছে। অৰুণোদয় আঁচনিখনৰ জৰিয়তে পৰিয়ালৰ মহিলা সদস্যসকলৰ স্বাস্থ্য আৰু পৰিপুষ্টিগত অভাৱ পূৰণৰ উদ্দেশ্যে

তেওঁলোকলৈ মাহিলী ৮৩০ টকাকৈ আৰ্থিক সাহায্য প্ৰদানৰ ব্যৱস্থা কৰা হৈছে। বৰ্তমান প্ৰতিমাহে ২০,২১,৫০০ গৰাকী হিতাধিকাৰীলৈ ১৬৭.৭৮ কোটি টকা মোকলাই দিয়া হৈছে।

৯৯। মহোদয়, ক্ষেত্ৰীয় পৰ্যায়ত আঁচনিখনৰ ব্যাপক পৰ্যালোচনাৰ বাবে আমাৰ চৰকাৰে প্ৰতিটো বছৰৰ এটা মাহ 'অৰুণোদয় মাহ' হিচাপে ঘোষণা কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। যিয়ে যোগ্যতাৰ ভিত্তিত হিতাধিকাৰীসকৰ অন্তৰ্ভুক্তিকৰণ আৰু বহিষ্কৰণতো সহায় কৰিব। তদুপৰি তেনে অৰুণোদয় পৰিয়ালসমূহৰ সৰলীকৰণৰ বাবে হিতাধিকাৰীসকলৰ ঘৰৰ সন্মুখত অৰুণোদয় লগ' লগাবলৈও আমি প্ৰস্তাৱ লৈছো।

১০০। মহোদয়, আমি প্ৰতিটো পৰিয়াললৈ আগবঢ়োৱা মাহিলী সাহায্য ১,০০০ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছো। আমি এই আঁচনিৰ অধীনত ৬.৩৬ লাখ নতুন হিতাধিকাৰী অন্তৰ্ভুক্ত কৰিম।

১০১। মহোদয়, এই বিশেষ আঁচনিখনৰ বাবে মই ১,৮০০ কোটি টকা ধাৰ্য কৰিছোঁ।

**V. অসম মালা**

১০২। অধ্যক্ষ মহোদয়, ৰাজ্যিক ঘাইপথসমূহ আৰু গুৰুত্বপূৰ্ণ জিলাপথ নেটৱৰ্কক পৰৱৰ্তী প্ৰজন্মৰ হাই স্পীড ৰোড ক'ৰিডৰলৈ ৰূপান্তৰিত কৰাৰ বাবে অভিলাষী ধ্বজাবাহী অসম মালা কাৰ্যসূচী দ্ৰুতগতিত চলি আছে। শেহতীয়া বাজেট ভাষণত ঘোষণা কৰা চাৰিটা পথৰ নিৰ্মাণ কাৰ্য চলিত বছৰতে সম্পূৰ্ণ হৈ উঠিব। ২২৭৯.৫৫ কোটি টকা ব্যয় সাপেক্ষে ২৬২ কিঃমিঃ দৈৰ্ঘ্যৰ ১৩টা অতিৰিক্ত পথৰ কাম হাতত লোৱা হৈছে আৰু ই চলি আছে। অতিৰিক্ত গুৰুত্বপূৰ্ণ পথ পৰিকল্পনা বিবেচনাধীন হৈ আছে।

১০৩। অসম মালাৰ অধীনত ৰূপায়ণ কৰিবলগীয়া ৫৫৫৬.২৫ কোটি টকা মুঠ মূল্যৰ ২ টা বহিঃভাৰে সাহায্যপ্ৰাপ্ত প্ৰকল্প ক্ৰমে ২৫০ কিঃমিঃৰ বাবে

AIIB ৰ সাহায্যপ্ৰাপ্ত ASRIP আৰু ৩১৩ কিঃমিঃ ৰ বাবে ADB ৰ সাহায্যপ্ৰাপ্ত ARNIP ৰ প্ৰকল্প যুগুতকৰণৰ কাম আগবাঢ়িছে আৰু আহৰণৰ কাম আৰম্ভ হৈছে। চলিত বৰ্ষতে ইয়াৰ কাম-কাজ আৰম্ভ হ'ব। চলিত বৰ্ষত আৰু চাৰিটা পথৰ কাম হাতত লৈ আমি আমাৰ সফল প্ৰয়াসক আগবঢ়াই নিবলৈ বিচাৰিছোঁ। (ক) ৭৪ কিঃমিঃ দৈৰ্ঘ্যৰ কোকৰাঝাৰৰ পৰা বাশবাৰী হৈ ৰূপচী বিমানবন্দৰলৈ, (খ) ৫০ কিঃমিঃ দৈৰ্ঘ্যৰ ৰৌতাৰ পৰা মিছামাৰীলৈ, (গ) ঘগ্ৰাবস্তি হৈ গহপুৰ ঢলপুৰ ২৮ কিঃমিঃ পথ আৰু (ঘ) ৩৮ কিঃমিঃ দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ ৫২ (দিৰাকগেট) বিজুলীবন-পেঙেৰী। তদুপৰি অন্যান্য পথৰ কাষৰ লগতে এক কিঃমিঃৰ এখন গুৰুত্বপূৰ্ণ দলঙেৰে লখিমপুৰ আৰু বেবেজীয়াৰ মাজত নিঃশ্চিহ্ন (Missing) পথটো ঘূণাসুঁতিত সংযোজিত কৰা হ'ব। কুমাৰীকাটা আৰু জালাহৰ মাজত পাগলাদিয়া নদীৰ ওপৰত ১.২ কিঃমিঃ দৈৰ্ঘ্যৰ এখন গুৰুত্বপূৰ্ণ দলঙেৰে আন এটা নিঃচিহ্ন পথ সংযোজিত কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

১০৪। PWRDয়ে বছৰেকীয়া পথৰ অৱস্থাৰ জৰীপ কৰিবলৈ আৰম্ভ কৰিছে আৰু ইয়াৰ ভিত্তিত তেনে প্ৰকল্পসমূহৰ সিদ্ধান্ত ল'ব ধৰিছে। অধ্যক্ষ মহোদয়, এই কথা কোৱাৰ প্ৰয়োজন নাই যে ইয়াৰ ফলস্বৰূপে ৰাজ্যিক ঘাইপথ আৰু গুৰুত্বপূৰ্ণ জিলাপথ নেটৱৰ্কত উল্লেখযোগ্য উন্নতি দেখিবলৈ পোৱা গৈছে।

## V. স্বনিৰ্ভৰ নাৰী

১০৫। অধ্যক্ষ মহোদয় অসমৰ বয়ন শৈলীৰ কলাত্মক সংবেদনশীলতা অসমীয়া সংস্কৃতি আৰু পৰম্পৰাৰ সৈতে গভীৰভাৱে জড়িত হৈ আছে। ছাঁতে শুকোৱা মুঠিতে লুকোৱা বুলিও কোৱা অসমৰ পাট কাপোৰে সমগ্ৰ বিশ্বতে বিপুল জনপ্ৰিয়তা লাভ কৰিছে।

১০৬। চৰকাৰে আৰ্টফেড আৰু AGMCৰ জৰিয়তে খিলঞ্জীয়া শিপিনীসকলৰ পৰা পোনপটীয়াকৈ হস্ততাঁত সামগ্ৰী আহৰণ কৰিবলৈ সিদ্ধান্ত লৈছে।

১০৭। হস্ততাঁত প্ৰশিক্ষণ কেন্দ্ৰ আৰু প্ৰতিষ্ঠানসমূহত শিপিনীসকলক

তেওঁলোকৰ দক্ষতা বৃদ্ধিৰ বাবে মানসম্পন্ন প্ৰশিক্ষণ দিয়া হ'ব। উৎপাদিত সামগ্ৰীৰ নিৰিখ স্থিৰ কৰিবলৈ চাৰিৰ পৰা পাঁচটা মানসম্পন্ন মাপকাঠি (Benchmarks) স্থিৰ কৰা হ'ব। প্ৰথম পৰ্যায়ত প্ৰায় ১.২৩ লাখ শিপিনীক সামৰি লোৱা হ'ব।

১০৮। বেছিভাগ শিপিনীয়ে পৰম্পৰাগত বয়ন ব্যৱস্থাকে ব্যৱহাৰ কৰে। ধৰণ, মান আৰু উৎপাদনশীলতা উন্নীত কৰিবলৈ আধুনিক প্ৰযুক্তিবিদ্যাকো সাঙুৰি ল'বলৈ প্ৰস্তাৱ কৰা হৈছে। শিপিনীসকলক বিভিন্ন প্ৰমাণিকৰণ অৰ্জনত উৎসাহিত আৰু সহায় কৰা হ'ব। তদুপৰি শিপিনীসকলক Weavers Prodecer Association/Company ৰ দৰে বিধিবদ্ধ সত্তা এটাৰ অধীনলৈ অনা হ'ব।

১০৯। অসম আৰু অন্যান্য ৰাজ্যসমূহত আৰ্টফেড (জাগৰণ) আৰু AGMC (প্ৰাগজ্যোতিকা)ৰ আনুষ্ঠানিক বাণিজ্যমাৰ্গৰ জৰিয়তে বিক্ৰী কৰিব পৰাকৈ এই উৎপাদিত সামগ্ৰীসমূহৰ বাবে এটা ব্ৰেণ্ড ধাৰণা প্ৰতিষ্ঠা কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে। ৰাজ্যখনৰ বাহিৰত থকা সকলোবোৰ অসম ভৱনত, গুৰুত্বপূৰ্ণ বিমানবন্দৰসমূহত আৰু বিক্ৰীকেন্দ্ৰ খোলা হ'ব। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত বিক্ৰী বৃদ্ধি কৰিবলৈ ই-বাণিজ্য প'ৰ্টেল আৰু এপ্লিকেশ্যন উত্থাপন কৰা হ'ব।

১১০। লগতে হস্ততাঁত পৰ্যটনৰ প্ৰসাৰ ঘটোৱা হ'ব যিয়ে যুৱক-যুৱতীসকলক নিয়োগৰ সুযোগ প্ৰদান কৰি এক অতিৰিক্ত ব্যৱসায়ৰ বাণিজ্য মাৰ্গ হৈ উঠিব।

১১১। মই এই আঁচনিখন অসমৰ লাখা-লাখ শিপিনীৰ নামত উৎসৰ্গা কৰিছো, যিসকলে তাঁতশালত নিজৰ সপোন ৰচে।

## VII. ১০০০ কিলোমিটাৰ মথাউৰি তথা পথ

১১২। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ এক পৰিকল্পনা হৈছে বানমুক্ত অসম গঢ়া। আমাৰ ৪৪৭৪.৮৬ কিঃমিঃ মথাউৰি আছে, যিয়ে ৰাজ্যখনত বান প্ৰতিৰোধৰ প্ৰাথমিক নিয়ন্ত্ৰণ ৰেখা হিচাপে কাম কৰি আছে আৰু

ৰাজ্যখনৰ আওহতীয়া অঞ্চলসমূহত যোগাযোগৰ গুৰত্বপূৰ্ণ মাধ্যম হিচাপেও কাম কৰি আছে। বেছিভাগ বানপানী প্ৰতিৰোধ ব্যৱস্থাই হৈছে পুৰণি আৰু এইবোৰ শক্তিশালীকৰণৰ প্ৰয়োজন আছে।

১১৩। বানমুক্ত অসম গঢ়াৰ বাবে আমি দিয়া প্ৰতিশ্ৰুতিৰ অংশ হিচাপে এই মথাউৰিসমূহক শক্তিশালী কৰিবলৈ আৰু সেইবোৰক পথ তথা মথাউৰিলৈ ৰূপান্তৰিত কৰাৰ বাবে চৰকাৰে প্ৰস্তাৱ লৈছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ ১০০০ কিঃমিঃ মথাউৰিক পথ তথা মথাউৰিলৈ চলিত বৰ্ষতে ৰূপান্তৰ কৰিবলৈ আৰু সেইবোৰক শক্তিশালী কৰি তুলিবলৈ প্ৰস্তাৱ লোৱা হৈছে। এই লক্ষ্যত উপনীত হ'বলৈ চলিত বৰ্ষৰ বাজেটত ১০০০ কোটি টকা ব্যয় কৰা হ'ব।

## VIII. সোণালী শৈশৱৰ বিকশিত অসম

***অংগনৱাড়ী কেন্দ্ৰ আৰু প্ৰাথমিক বিদ্যালয়ৰ বৈদ্যুতিকৰণ***

১১৪। অধ্যক্ষ মহোদয়, ৰাজ্যখনত থকা অংগনবাড়ী কেন্দ্ৰসমূহৰ জৰিয়তে প্ৰসূতি, মাতৃ আৰু শিশুসকলৰ স্বাস্থ্যৰ যতন লোৱা হয়।

১১৫। মহোদয়, অংগনৱাড়ী কেন্দ্ৰৰ গুৰুত্ব আৰু জনস্বাস্থ্য প্ৰণালীৰ সহযোগত পৰিপূৰক পোষণ, অনানুষ্ঠানিক প্ৰাক বিদ্যালয় শিক্ষা, স্বাস্থ্য শিক্ষা, টিকাকৰণ, স্বাস্থ্য পৰীক্ষা আৰু ৰেফাৰেল ছাৰ্ভিচ আগবঢ়োৱাৰ ক্ষেত্ৰত এই কেন্দ্ৰৰ গুৰুত্বপূৰ্ণ ভূমিকাক আমি স্বীকাৰ কৰিছোঁ।

১১৬। মহোদয়, আমি ৰাজ্যখনত ১,০০০টা ম'ডেল অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণ কৰিম, য'ত শিশুৰ বাবে সকলো সা-সুবিধা থাকিব। এই কেন্দ্ৰসমূহৰ নিৰ্মাণ উপায়ুক্তৰ নেতৃত্বত গঠন কৰা এখন নিৰ্মাণ সমিতিৰ দ্বাৰা সম্পূৰ্ণ কৰা হ'ব য'ত স্থানীয় বিধায়কসকলকো জড়িত কৰা হ'ব।

১১৭। ইয়াৰ বাবে ১৩.৫০ কোটি টকা ধাৰ্য কৰা হৈছে।

১১৮। মহোদয়, একোটা অংগনবাড়ী কেন্দ্ৰৰ নিৰ্মাণ ব্যয় হিচাপে ২৫ লাখ টকা ধাৰ্য কৰা হৈছে।

১১৯। আগন্তুক সময়ছোৱাত ৰাজ্যখনত ১০,০০০ টা এনে অংগনবাড়ী কেন্দ্ৰ নিৰ্মাণৰ লক্ষ্য স্থিৰ কৰা হৈছে। ইয়াৰ বাবে প্ৰয়োজনীয় পুঁজি জিলা উপায়ুক্তলৈ হস্তান্তৰ কৰা হ'ব।

১২০। আমি ইতিমধ্যে অংগনবাড়ী কেন্দ্ৰসমূহত পুষ্টিকৰ খাদ্যৰ বাবে ভাৰতীয় খাদ্য নিগমৰ পৰা চাউল ক্ৰয় কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। ইয়াৰ ফলত ৰাহি হোৱা ধনৰ জৰিয়তে অতিৰিক্তভাৱে অন্য খাদ্য সামগ্ৰী প্ৰদান কৰা হ'ব। আমি দুয়োখন আঁচনি স্বচ্ছভাৱে ৰূপায়ণ কৰাত বিশেষ গুৰুত্ব প্ৰদান কৰিম।

১২১। মহোদয়, এক উজ্জ্বল ভৱিষ্যতৰ প্ৰয়াসেৰে প্ৰতিটো শিশুৱেই প্ৰাথমিক বিদ্যালয়ত প্ৰথম খোজ পেলায়। অংগনৱাড়ী কেন্দ্ৰ আৰু প্ৰাথমিক বিদ্যালয়সমূহেই হৈছে শিক্ষা আৰু তথ্য আহৰণ বা সজাগতা সৃষ্টিৰ প্ৰথম থলি। চৰকাৰৰ ব্যাপক প্ৰতিষেধক প্ৰদান কাৰ্যসূচীসমূহতো এই কেন্দ্ৰসমূহে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে।

১২২। এই কেন্দ্ৰসমূহত বিদ্যুৎ সংযোগ নথকাৰ বাবে কেৱল যে বিভিন্ন স্বাস্থ্য আৰু সজাগতা কাৰ্যসূচী ৰূপায়ণতে অসুবিধা হৈছে তেনে নহয়, বৰঞ্চ নৱপ্ৰজন্মৰ শিক্ষণ ব্যৱস্থাতো হেঙাৰ হৈছে। গতিকে, শিশুসকলক উন্নত সুবিধা প্ৰদানৰ অৰ্থে বিদ্যুৎ সংযোগ নথকা অংগনৱাড়ী কেন্দ্ৰসমূহত বৈদ্যুতিকৰণৰ বাবে আমি প্ৰস্তাৱ আগবঢ়াইছোঁ। ইয়াৰ জৰিয়তে এই কেন্দ্ৰসমূহ নিশা সাংস্কৃতিক অনুষ্ঠান আৰু শিক্ষণ কাৰ্যসূচীৰ বাবে ব্যৱহাৰৰ উপযোগী হৈ উঠিব। ই এই শিক্ষণ কেন্দ্ৰসমূহত অবিৰত পানী যোগান, পৰ্যাপ্ত পোহৰ আৰু বিজুলী পাংখা (fan)ৰ ব্যৱস্থাও নিশ্চিত কৰিব।

১২৩। এই প্ৰয়াসৰ বাবে এতিয়ালৈ বৈদ্যুতিকৰণ নকৰা ৪৮,৮০৫টা অংগনৱাড়ী কেন্দ্ৰ আৰু ১৩,৬৫৬খন প্ৰাথমিক বিদ্যালয়ত বৈদ্যুতিকৰণ কৰিব লাগিব।

১২৪। প্ৰাথমিক বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰৰ বৈদ্যুতিকৰণ বাবে ১৪৪ কোটি টকা আবণ্টন দিয়া হৈছে।

## IX. অন্ন (ANNA) যোজনা আৰু অন্ন নিশ্চিত আঁচনি

১২৫। অধ্যক্ষ মহোদয়, ২০২০-২১ বৰ্ষৰ বাজেটত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ৰ অধীনত সকলো হিতাধিকাৰীক বিনামূলীয়া চাউল দিয়াৰ বাবে আমি প্ৰস্তাৱ কৰিছিলোঁ। অন্ত্যোদয়া অন্ন যোজনাৰ ৰেচনকাৰ্ড ধাৰকসকলে বিনামূলীয়াকৈ প্ৰতিমাহে ৩৫ কিলোগ্ৰাম চাউল পাই আছে। একেদৰে, অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল কাৰ্ড ধাৰকসকলৰ প্ৰতিজন ব্যক্তিয়ে প্ৰতিমাহে পাঁচ কিলোগ্ৰাম চাউল বিনামূলীয়াকৈ পাই আছে।

১২৬। মহোদয়, আমি একে আন্তৰিকতাৰে এই আঁচনিখন আগবঢ়াই নিবলৈ ইচ্ছা প্ৰকাশ কৰিছোঁ।

১২৭। অৱশ্যে, আমি এইটোও লক্ষ্য কৰিছোঁ যে, আমাৰ সমাজৰ পৰিধিত বাস কৰা লোকসকলৰ এটা গোট আছে, যি অন্ন যোজনাৰ পৰা বঞ্চিত হৈছে। ভিক্ষা মাগি জীৱন নিৰ্বাহ কৰা নিঃস্ব তথা গৃহহীন বা মানসিক বিকাৰগ্ৰস্থ, পথৰ দাঁতিৰ বস্তি এলেকাত বাস কৰা লোকসকল বা পৰিয়ালসমূহৰ চিনাক্তকৰণৰ অভাৱৰ বাবে ৰেচন কাৰ্ডৰ বাবে আবেদন কৰিবলৈ সক্ষম হ'ব পৰা নাই আৰু সেইসকলক ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন, ২০১৩ৰ অধীনত সামৰি লোৱা হ'ব।

১২৮। ক'ভিড মহামাৰী আৰু দেশজুৰি হোৱা লক্‌ডাউনৰ সময়ছোৱাত তেওঁলোকৰ দুৰাৱস্থা অধিক বৃদ্ধি পাইছিল। এই কঠিন সময়ছোৱাত বিভিন্ন স্বেচ্ছাসেৱী সংস্থা আৰু জনহিতকাৰী সংগঠনসমূহ তেওঁলোকৰ সাহায্যৰ সৈতে স্বেচ্ছামূলকভাৱে আগবাঢ়ি অহাটো আমি লক্ষ্য কৰিছো। এই জটিল সন্ধিক্ষণত চৰকাৰৰ সৈতে হাতে হাত ধৰি থিয় হোৱা এনে সকলো ব্যক্তি আৰু স্বেচ্ছাসেৱী সংগঠনক আমি অভিবাদন জ্ঞাপন কৰিছোঁ।

১২৯। অৱশ্যে, আমি বুজি পাওঁ যে সহায় আগবঢ়োৱাৰ ক্ষেত্ৰত এই ব্যক্তিবিশেষ আৰু স্বেচ্ছাসেৱী সংস্থাসমূহৰ সামৰ্থ সীমিত। সেয়েহে, সেইসকল নিপীড়িত, অসহায় লোকক খাদ্য সুৰক্ষাৰ আওঁতালৈ অনাৰ লগতে ক্ষুধা নিবাৰণৰ উদ্দেশ্যেৰে চৰকাৰে 'দৰিদ্ৰ নিশ্চিত আঁচনি' এখন আৰম্ভ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। মহোদয়, এই নতুন আঁচনিখনৰ অধীনত, নগৰ অঞ্চলসমূহত 'ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন-২০১৩'ৰ পৰা বাদ পৰি যোৱা এনে সকলো শ্ৰেণীক চৰকাৰে চিনাক্ত আৰু বাছনি কৰিব। মহোদয়, প্ৰতিস্থিত স্বেচ্ছাসেৱী সমাজৰ সৈতে অংশীদাৰিত্বত এনে সকলো শ্ৰেণীক আমি বিনামূলীয়া ৰন্ধন আহাৰ যোগান ধৰিম।

১৩০। মহোদয়, অসম চৰকাৰে ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনৰ হিতাধিকাৰীক বিতৰণ কৰা সুলভ মূল্যৰ দোকানৰ ডিলাৰৰ মাৰ্জিন প্ৰতি কুইণ্টলত ১০১.১ টকাৰ পৰা ১৪৩ টকালৈ বৃদ্ধি কৰি ৰাজহুৱা বিতৰণ ব্যৱস্থাত প্ৰণালীবদ্ধ সংস্কাৰ আনিছে। তদুপৰি, অসম চৰকাৰে গাঁও পঞ্চায়ত পৰ্যায়ৰ সমবায় সমিতিসমূহ/ বৃহৎ পৰিমাণৰ বহুমুখী সমবায় সমিতি / পাইকাৰী উপভোক্তা সমবায় সমিতিসমূহক উৎসাহিত কৰিবলৈ খাদ্য শস্যৰ যোগান শৃংখলা ব্যৱস্থাপনাৰ ক্ষেত্ৰত সেইসমূহৰ দ্বাৰা আগবঢ়োৱা সেৱাৰ বাবে ৫ লাখ টকাৰ এক বছৰেকীয়া অনুদান আগবঢ়াই আছে।

১৩১। মহোদয়, অসম চৰকাৰ 'এক ৰাষ্ট্ৰ এক ৰেচন কাৰ্ড' (ONORC) ৰূপায়ণৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ, যি ৰেচন কাৰ্ডৰ অন্তঃৰাজ্যিক আৰু আন্তঃৰাজ্যিক পৰ্টেবিলিটি সক্ষম কৰাৰ বাবে এক প্ৰযুক্তি চালিত প্ৰক্ৰিয়া প্ৰদান কৰিব। এই দিশত প্ৰতিখন দোকানত ইলেক্ট্ৰনিক পইণ্ট অব্ চেল ডিভাইচ স্থাপন আৰু আধাৰৰ অধীনত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ হিতাধিকাৰীসকলক সামৰি লোৱাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হ'ব।

১৩২। মহোদয়, মই অন্ন যোজনাৰ বাবে ৩৯০.০৮ কোটি টকা ধাৰ্য কৰিছোঁ।

## X. চাহ বাগিচা শ্ৰমিক লাইনত খোৱা পানীৰ টেপ সংযোগ

১৩৩। আমাৰ চৰকাৰে প্ৰথমখন বাজেটৰ পৰাই চাহ বাগিচা এলেকাসমূহৰ লোকসকলৰ কল্যাণৰ উদ্দেশ্যে বিভিন্ন আঁচনিৰ মান আৰু পৰিসৰ বৃদ্ধি কৰি আহিছে। মৌলিক প্ৰয়োজন পূৰণৰ লগতে এই সম্প্ৰদায়ে এতিয়া চৰকাৰৰ পৰা অধিক আশা-আকাংক্ষা পূৰণৰ প্ৰত্যাশা কৰিছে।

১৩৪। মহোদয়, এনেধৰণৰ আশা-আকাংক্ষাৰ যুক্তিযুক্ততা আছে আৰু ইয়ে আমাক দায়বদ্ধ কৰি ৰাখিছে। সেয়েহে আমি চাহ বাগিচাৰ লোকসকলৰ সামগ্ৰিক উন্নয়নৰ দিশটোক উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছো। মহোদয়, তেওঁলোকৰ জীৱন-ধাৰণৰ মান উন্নত কৰাৰ উদ্দেশ্যে আমি ৰাজ্যখনৰ চাহ বাগিচা অঞ্চলৰ লোকসকলৰ প্ৰতিটো পৰিয়ালৰ ঘৰে ঘৰে পানী টেপ সংযোগৰ পৰিকল্পনা লৈছো।

১৩৫। মহোদয়, এবছৰৰ ভিতৰতে পাইপযোগে পানী যোগান আঁচনিয়ে ৮০৫ খন চাহ বাগিচাক সামৰি ল'ব। বিদ্যুতৰ অনাদায় হৈ থকা ধন পৰিশোধ আৰু ৰাসায়নিক পদাৰ্থৰ যোগানকে ধৰি চৰকাৰে অহা ৫ বছৰৰ বাবে এই আঁচনিখন কাৰ্যকৰী আৰু তদাৰক কৰিব। এই পদক্ষেপে চাহ বাগিচাত বসবাস কৰা ২,৬৯,৬৪৮ টা পৰিয়ালক উপকৃত কৰিব।

## XI. কৃষি পুনৰুজ্জীৱিতকৰণ

১৩৬। অসমে ইয়াৰ খেতিয়কসকলক আত্মনিৰ্ভৰশীল কৰি তোলাৰ লক্ষ্য লৈছে। কিন্তু মানসম্পন্ন বীজ, পানী জমা হোৱা ইত্যাদিৰ অভাৱত এইক্ষেত্ৰত সমস্যাই দেখা দিছে। সেইবাবে আমাৰ বৰ্তমানৰ কৃষি ব্যৱস্থাৰ সলনি কৰিবলৈ বৈজ্ঞানিক প্ৰয়াস চলোৱাৰ প্ৰয়োজন আছে। সেয়েহে অসম চৰকাৰে এখন কৃষি আয়োগ গঠনৰ প্ৰস্তাৱ কৰিছে। কৃষি আয়োগে আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন এগৰাকী বিজ্ঞানীৰ অধীনত

অসমৰ কৃষি, পশুপালন, দুগ্ধ খণ্ডৰ সৈতে জড়িত বিষয়সমূহৰ ওপৰত আলোকপাত কৰিব। আয়োগে কৃষি উৎপাদন গাখীৰ, কণী আৰু গাহৰিৰ মাংস উৎপাদনৰ ক্ষেত্ৰত আত্মনিৰ্ভৰশীলতা আহৰণৰ বাবে অধ্যয়ন কৰিব আৰু উপায়ৰ পৰামৰ্শ দিয়াৰ লগতে আগন্তুক পাঁচ বছৰত লক্ষ্যত উপনীত হ'বলৈ প্ৰতিবন্ধকসমূহ চিনাক্ত কৰি এক ৰূপৰেখা প্ৰস্তুত কৰিব।

১৩৭। অধ্যক্ষ মহোদয়, দুগ্ধ ব্যৱসায়ীসকলক উপকৃত কৰিব পৰাকৈ ৰাজ্য চৰকাৰে কৃত্ৰিম শুক্ৰাণু ব্যৱহাৰ কৰাৰ ব্যৱস্থা আৰম্ভ কৰাৰ প্ৰস্তাৱ লৈছে। এই ব্যৱস্থাই গৰু আৰু ম'হৰ পামত উচ্চ জাতৰ মাইকী গৰু-ম'হৰ পোৱালীৰ জন্মৰ সংখ্যা বৃদ্ধি কৰিব। একেদৰে, ইয়ে মতা গৰু-ম'হৰ পোৱালীৰ সংখ্যা নিয়ন্ত্ৰণ কৰিব, কাৰণ এই পদ্ধতিৰ জৰিয়তে জন্ম হোৱা গৰু-ম'হৰ পোৱালীৰ ভিতৰত ৮০ ৰ পৰা ৯০% ই হ'ব মাইকী পোৱালী। মাইকী গৰু-ম'হৰ পোৱালীৰ জন্মৰ ফলত ৰাজ্যখনত গাখীৰৰ বৰ্ধিত চহিদা পূৰণত সহায়ক হ'ব। ৫০,০০০ গৰু-ম'হৰ ওপৰত সামৰি লব পৰাকৈ চলিত বছৰত দেশৰ বিভিন্ন প্ৰতিস্থিত উৎসৰ পৰা উচ্চ অনুবংশিক গুণসম্পন্ন হিমায়িত ১.২৫ লাখ কৃত্ৰিম শুক্ৰণু ক্ৰয় কৰাৰ প্ৰস্তাৱ লোৱা হৈছে। প্ৰথম বছৰৰ সময়ছোৱাত এই ব্যৱস্থা ৰূপায়ণৰ ফলত ৩০% গৰ্ভধাৰণ হাৰৰ জৰিয়তে কমেও ১২,০০০ মাইকী গৰু-ম'হৰ পোৱালী জন্ম হ'ব বুলি আশা কৰা হৈছে। পৰৱৰ্তী ৪ বছৰত বছৰি ৫০,০০০ গৰু-ম'হৰ ওপৰত কৃত্ৰিম শুক্ৰাণু ব্যৱহাৰৰ প্ৰক্ৰিয়া অব্যাহত ৰখা হ'ব। পশুপালক আৰু দুগ্ধ উৎপাদনৰ বিকাশৰ ক্ষেত্ৰত ইয়ে উদ্‌গনি যোগাব, যিয়ে ৰাজ্যখনৰ অৰ্থনীতিতো ইতিবাচক প্ৰভাৱ পেলাব।

১৩৮। অধ্যক্ষ মহোদয়, ক'ভিড অতিমাৰীৰ সময়ত আমি প্ৰত্যক্ষ কৰিছো যে পশুধন খণ্ডই গ্ৰাম্য অৰ্থনীতিক বিশেষভাৱে সহায় কৰিছে। দুগ্ধ উৎপাদন আৰু অধিক বৃদ্ধিৰ বাবে আমাৰ চৰকাৰে পৰিষ্কাৰ আৰু গুণসম্পন্ন হিমায়িত কৃত্ৰিম শুক্ৰাণু উৎপাদনৰ জৰিয়তে পশুধন খণ্ডক অধিক শক্তিশালী কৰিব বিচাৰিছে।

১৩৯। অতিৰিক্তভাৱে আমি উচ্চমানৰ ১৫০০ মূৰা (Murrah) সহ অন্তৰ্ভুক্ত কৰিবলৈ ১০ জন প্ৰগতিশীল দুগ্ধপালকক সহায় কৰাৰ দ্বাৰা দুগ্ধ উৎপাদনত উৎসাহিত কৰিবলৈ আৰু ২০০খন যোগ্য দুগ্ধ কো-অ'পাৰেটিভ চ'চাইটিলৈ তথা ৰাজ্যখনৰ আত্মসহায়ক গোটসমূহলৈ বীজ ধন (Seed Money) প্ৰদান কৰিবলৈ প্ৰস্তাৱ কৰিছোঁ। ইয়াৰ বাবে ৪ কোটি টকা প্ৰস্তাৱ কৰা হৈছে।

১৪০। যিসময়ত আমি ক'ভিড অতিমাৰীৰ বিৰুদ্ধে যুঁজি আছোঁ সেই একে সময়তে অসমত আফ্ৰিকান ছ'ৱাইন ফ্লুৰ প্ৰাদুৰ্ভাৱ দেখা গৈছিল, যিয়ে গাহৰি পালন খণ্ডটোক ক্ষতিগ্ৰস্ত কৰিছিল। চৰকাৰে এইক্ষেত্ৰত ক্ষতিপূৰণ দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছিল আৰু গাহৰি পালকসকলৰ কাষত ঠিয় হৈ নতুন গাহৰি পাম স্থাপন কৰিবলৈ সিদ্ধান্ত লৈছিল। উচ্চমানৰ Merit Germplasm প্ৰজাতিৰ গাহৰি অন্তৰ্ভুক্তকৰণৰ জৰিয়তে ৰাজ্যখনত গাহৰিৰ উৎপাদন বৃদ্ধি কৰিবলৈ আমি পদক্ষেপ হাতত ল'ম। প্ৰতিবছৰে গুণগতমানৰ দুই লাখ গাহৰি উৎপাদন কৰিবলৈ চৰকাৰে ১০০ টা Breeding Sow গোটসহ বৃহৎ Breeding গোট বিকশাই তুলিবলৈ প্ৰস্তাৱ হাতত লৈছে।

১৪১। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে আধুনিক বিজ্ঞানসন্মত পদ্ধতিৰ অধীনত কণী উৎপাদন কৰা ক্ষুদ্ৰ কুকুৰাপালকসকলক সহায় কৰাৰ অৰ্থে ৩-৪ মাহ বয়সৰ মাইকী কুকুৰা উৎপাদনৰ বাবে এক কেন্দ্ৰীয় কুকুৰা পালকৰ গোট গঠন কৰিবলৈ সা-সুবিধা প্ৰদান কৰাৰ প্ৰস্তাৱ কৰিছে। আমাৰ চৰকাৰে ব্যাপকভাৱে Table Egg উৎপাদনৰ বাবে সামূহিক পৰ্যায়ত ক্ষুদ্ৰ কুকুৰা পালকসকললৈ সহায় আগবঢ়াব। ই বজাৰৰ চাহিদা পূৰণ কৰিব য'ত বৰ্তমান অন্যান্য ৰাজ্যৰ পৰা কণীৰ আমদানি চলি আছে।

১৪২। এই আঁচনিসমূহৰ বাবে অংশীদাৰিত্বৰ হাৰ হৈছে ৩০ শতাংশ চৰকাৰী অংশ, ২৫ শতাংশ হিতাধিকাৰীৰ অংশ আৰু ৪৫ শতাংশ বেংক ঋণ।

১৪৩। প্ৰায় ৩০ লাখ কৃষক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা (PMFBY) ৰ দ্বাৰা উপকৃত হৈছে। প্ৰাকৃতিক দুৰ্যোগৰ বাবে শস্য ছটিওৱাৰ আগৰ আৰু শস্য চপোৱাৰ পিছৰ ক্ষয়-ক্ষতিক এই প্ৰচেষ্টাই সামৰি ল'ব। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ বাবে আমি ৪০০ কোটি টকা প্ৰদান কৰিছোঁ।

১৪৪। কৃষকসকলক ন্যূনতম সমৰ্থন মূল্য (MSP) পৰিশোধ কৰি তেওঁলোকৰ পৰা শস্য আহৰণ কৰাটো হ'ল অসমত 'কৃষকৰ আয় দুগুণ কৰা'ৰ গুৰুত্বপূৰ্ণ উপাদান। ক্ৰয় ব্যৱস্থাক আগুৱাই নিয়াৰ লগতে বিক্ৰীৰ ক্ষেত্ৰত থকা অসুবিধাসমূহ দূৰ কৰিবলৈ অসম খাদ্য আৰু অসামৰিক যোগান নিগম লিমিটেডে ১০ লাখ কুইণ্টল ধান ক্ৰয় কৰিবলৈ ২০০ কোটি টকাৰ এক কাৰ্যকৰী মূলধন প্ৰদান কৰিব। অনাগত দিনত অসমে ক্ৰয় ব্যৱস্থা আৰু আন্তঃগাঁথনিৰ ক্ষেত্ৰত প্ৰচুৰ ধন বিনিয়োগ কৰিব। ইয়াৰ লক্ষ্য হৈছে অসমক দেশৰ ভিতৰতে এক গুৰুত্বপূৰ্ণ ধান ক্ৰয়কাৰী ৰাজ্য হিচাপে গঢ়ি তোলা।

## XII. গৰুখুঁটি প্ৰকল্প

১৪৫। অধ্যক্ষ মহোদয়, দৰং জিলাত ছিপাঝাৰ খণ্ডৰ অধীনত গৰুখুঁটিত ৭৭,৪২০ বিঘাতকৈও অধিক ভূমিক বেদখলকাৰীসকলক আঁতৰোৱাটো আমাৰ চৰকাৰৰ এটা সম্পৰীক্ষা।

১৪৬। এই উদ্দেশ্যে, কৃষি উন্নয়ন আৰু ইয়াৰ লগত জড়িত কাম-কাজসমূহ আগুৱাই নিবলৈ এই পৱিত্ৰ সদনৰ মাননীয় সদস্য শ্ৰীপদ্ম হাজৰিকাক সভাপতি হিচাপে লৈ এখন কমিটীও গঠন কৰা হৈছে।

১৪৭। এই অঞ্চলটো উচ্চ মূল্যৰ উদ্যান শস্যৰ লগতে বিভিন্ন শস্যৰ কৃষিকাৰ্যৰ বাবে উপযোগী।

১৪৮। এই অঞ্চলটোত বসবাস কৰা খিলঞ্জীয়া যুৱক-যুৱতীসকলক জীৱিকাৰ পথ প্ৰদান কৰাই আমাৰ উদ্দেশ্য। এই ব্যৱস্থাই আধুনিক কৃষি প্ৰথাক

সাঙুৰি লোৱাৰ উপৰি বৈজ্ঞানিক পশুপালন ব্যৱস্থাকো সাঙুৰি ল'ব। আমি এই ক্লাষ্টাৰটোক এক নৱজাগ্ৰত আলোক স্তম্ভ হিচাপে বিকাশ কৰিম।

১৪৯। মহোদয়, গৰুখুঁটিৰ প্ৰস্তাৱিত প্ৰকল্পৰ জৰীপকৰণৰ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে। বিস্তৃত বৃক্ষৰোপণৰ বাবে ১৩৪ টা ইক'লজিকেল টাস্ক ফোৰ্চ (ETF) ৰ এটা অগ্ৰগামী দল আমি ইতিমধ্যে মোতায়েন কৰিছোঁ। ভাৰত চৰকাৰৰ পৰিৱেশ আৰু বন মন্ত্ৰালয় তথা প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সৈতে প্ৰয়োজনীয় যোগাযোগ ৰক্ষা কৰি থকা হৈছে। মহোদয়, বৰ্তমানে থকা ভৱনসমূহ (যেনে গৰুখুঁটি পশু চিকিৎসালয়) অস্থায়ীভাৱে নিৰ্মাণ আৰু নবীকৰণৰ বাবেও প্ৰস্তাৱ লোৱা হৈছে।

১৫০। এই জৰীপৰ ওপৰত ভিত্তি কৰি, কৃষি কাম-কাজৰ মূল্যাংকনৰ যোগেদি কৃষক গোটসমূহক চিনাক্ত কৰা হৈছে আৰু এই গোটসমূহ এটা বহুমুখী কৃষি উৎপাদক সংস্থাৰ অংশ হ'ব। গিৰ (Gir) প্ৰজাতিৰ ২০০০ টা গৰু অনাৰ বাবে আমি পৰিকল্পনা কৰিছোঁ। আমাৰ স্থানীয় জলবায়ু আৰু পৰিৱেশৰ সৈতে খাপ খাই নে নাখায় সেইটো পৰীক্ষা কৰিবলৈ পৰীক্ষামূলকভাৱে আমি ৫০ ৰ পৰা ১০০টা এনে প্ৰজাতিৰ গৰু ক্ৰয় কৰিবলৈ পৰিকল্পনা কৰিছোঁ। এই ক্ষেত্ৰত গুজৰাটৰ এটা পশু বিশেষজ্ঞৰ দল ইতিমধ্যে আহি উপস্থিত হৈছে।

১৫১। মহোদয়, ফাৰ্ম মেচিনাৰী বেংক স্থাপনৰ ব্যৱস্থা আৰম্ভ হৈছে আৰু প্ৰয়োজনীয় যন্ত্ৰপাতি ক্ৰয়ৰ বাবে ব্যৱস্থা গ্ৰহণ কৰি থকা হৈছে। আমি এটা পৰিচালনা কৰা দলো গঠন কৰিছোঁ।

১৫২। ৰবি শস্যৰ বিস্তৃত কৃষিকৰ্মৰ বাবে পৰিকল্পনা কৰা হৈছে। কৃষি প্ৰযুক্তি, কৃষি যান্ত্ৰিকীকৰণৰ নিচিনা বিভিন্ন বিষয়ত কৃষক গোট/আত্মসহায়ক গোট/এফ আই গোটসমূহক প্ৰশিক্ষণৰ নিচিনা বিভিন্ন কাম-কাজৰ

বাবে পৰিকল্পনা হাতত লোৱা হৈছে আৰু অতি সোনকালে এইসমূহ আৰম্ভ হ'ব।

১৫৩। এই আঁচনিৰ বাবে মই ৯.৬০ কোটি টকা প্ৰস্তাৱ কৰিছো।

## XIII. সুনীল বিপ্লৱ

১৫৪। মহোদয়, পুখুৰী খান্দি লোৱাটো অসমীয়া গ্ৰাম্য জীৱনৰ এক পৰম্পৰা। খোৱাপানী, জলসিঞ্চন, ৰীতি-নীতি, সৌন্দৰ্যবৰ্দ্ধন, কোনো ঘটনাৰ স্মৃতি ৰক্ষাৰ্থে, জৈৱ বৈচিত্ৰ্য সংৰক্ষণ আৰু ৰাজহুৱাকৈ মাছ ধৰা কাৰ্যৰ বাবে পুখুৰী খন্দা হৈছিল।

১৫৫। সমূহীয়া মীন পালনেৰে মৎস্য উৎপাদন বৃদ্ধিৰ বাবে ৰাজহুৱা পুখুৰীবোৰ ব্যৱহাৰ কৰিব পাৰি। এই সূত্ৰৰ আলমত ৰাজহুৱা ভূমিত পুখুৰী খন্দা হ'ব। অসমত পৰ্যাপ্ত ৰাজহুৱা ভূমি বিদ্যমান আৰু শেহতীয়াভাৱে গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ জৰিয়তে ৰূপায়িত **'ঘৰে ঘৰে পুখুৰী, ঘৰে ঘৰে মাছ আঁচনি'**ৰ সফলতাই ৰাজহুৱা পুখুৰীত মীন পালনৰ জৰিয়তে আৰ্থ-সামাজিক উন্নয়নৰ আন এক দিশ উন্মোচিত কৰিছে।

১৫৬। সেয়েহে অসমৰ প্ৰতিখন ৰাজহ গাঁৱতে একোটা ৰাজহুৱা পুখুৰী নিৰ্মাণেৰে সমূহীয়া মীনপালনৰ পোষকতা কৰা হৈছে। অসমত বৰ্তমান ২৬,৩৯৫খন ৰাজহ গাঁও আছে। ইয়াৰে প্ৰতিখন গাঁৱতে ১ হেক্টৰ জলকালিৰ একোটিকৈ পুখুৰী নিৰ্মাণৰ প্ৰস্তাৱ কৰা হৈছে। প্ৰথম পৰ্যায়ত আমি বৰ্তমান বিত্তীয় বৰ্ষত ১০,০০০ গ্ৰাম্য ৰাজহুৱা পুখুৰী খান্দিবলৈ পৰিকল্পনা কৰিছোঁ। ই ৰাজ্যত বছৰেকত ৫০,০০০ মেট্ৰিকটন অতিৰিক্ত মৎস্য উৎপাদন নিশ্চিত কৰিব আৰু এক লাখ লোকৰ নিয়োগ সম্ভাৱনীয়তা সম্ভৱপৰ কৰিব। এই গণনাৰ ব্যয় বাজেটৰ সমৰ্থনৰ জৰিয়তে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা (CMSGUY)ৰ পৰা কৰা হ'ব।

## XIV. খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ ঐতিহ্য-সংস্কৃতি সংৰক্ষণ বিভাগ

১৫৭। বাৰেৰহণীয়া কৃষ্টি-সংস্কৃতিৰ উৰ্বৰ ভূমি অসম নিজ নিজ কথিত ভাষা, ৰীতি-নীতি, কলা-কৃষ্টি, সভ্যতা, ঐতিহ্য, পৰম্পৰা, ধৰ্মীয় চেতনা আৰু বিশ্বাসৰ স্বকীয় বৈশিষ্ট্যৰে সমৃদ্ধ বিভিন্ন খিলঞ্জীয়া জনগোষ্ঠীৰে ভৰপূৰ। এই খিলঞ্জীয়া জনগোষ্ঠীসমূহৰ স্বকীয় বৈশিষ্ট্যসমূহক উপযুক্ত সাৰ-পানীৰে উজ্জীৱিত কৰাৰ মহান লক্ষ্য বুকুত বান্ধি সংৰক্ষণ আৰু সংবৰ্ধনৰ বাবে আমাৰ চৰকাৰে এক নৱ প্ৰয়াস হাতত লৈছে।

১৫৮। আমাৰ ৰাজ্যখনৰ খিলঞ্জীয়া জাতি-জনগোষ্ঠীসমূহৰ স্বকীয় ভাষা-সংস্কৃতি, ধৰ্মীয় ৰীতি-নীতি, সাজ-পাৰ, খাদ্যাভ্যাস, লোকবিশ্বাস, পৰম্পৰা আদি সংৰক্ষণ আৰু সংবৰ্ধনৰ প্ৰত্যাশাৰে চৰকাৰে এটা নতুন বিভাগ সৃষ্টি কৰিছে। ইয়াৰ মূল উদ্দেশ্য হল আমাৰ ৰাজ্যখনৰ ক্ষুদ্ৰ ক্ষুদ্ৰ জাতি-জনগোষ্ঠীসমূহৰ পৰম্পৰা আৰু ঐতিহ্য ৰক্ষা কৰা।

১৫৯ । এই বিভাগটোৰ লক্ষ্য হ'ব ৰাজ্যখনৰ প্ৰতিটো জনগোষ্ঠীৰ শাশ্বত কলা-সংস্কৃতি, ধৰ্মীয়-পৰম্পৰা, গীত-মাত আৰু অন্যান্য একেধৰণৰ পৰিচয় আদিক ভৱিষ্যতে প্ৰতিনিয়ত উদ্দীপ্ত কৰি ৰখা।

১৬০। অধ্যক্ষ মহোদয়, কামৰ সাদৃশ্যৰ প্ৰতি লক্ষ্য ৰাখি নিম্নলিখিত বিভাগকেইটা এই গুৰুত্বপূৰ্ণ বিভাগটোৰ অধীনত অন্তৰ্ভুক্ত কৰা হ'ব। (ক) প্ৰত্নতত্ত্ব সঞ্চালকালয় (খ) সংগ্ৰহালয় সঞ্চালকালয় (গ) বুৰঞ্জী আৰু পুৰাতত্ব অধ্যয়ন সঞ্চালকালয়।

১৬১। মই এই বিভাগটোৰ কাম-কাজ পৰিচালনাৰ বাবে বাজেটত ১০০ কোটি টকা ধাৰ্য কৰিছোঁ।

## XV. বিশেষ মূলধনী প্ৰকল্পৰ দ্ৰুত ৰূপায়ণ

১৬২। অধ্যক্ষ মহোদয়, এই পৱিত্ৰ সদনে বিগত দুই মাহত নৱ-গঠিত চৰকাৰখনৰ দ্ৰুত প্ৰশাসনিক সংস্কাৰসমূহ ইতিমধ্যে লক্ষ্য কৰিছে।

প্ৰশাসনিক প্ৰক্ৰিয়াক আৰু অধিক তৰান্বিত কৰিবৰ বাবে তথা এই ব্যৱস্থাত অপ্ৰয়োজনীয়তাক দূৰ কৰাৰ অৰ্থে আমাৰ চৰকাৰে অগ্ৰাধিকাৰ ভিত্তিত কিছু নিৰ্দিষ্ট আঁচনিৰ চিলিং ব্যৱস্থা দূৰ কৰাৰ সিদ্ধান্ত লৈছে। এই আঁচনিসমূহক ক্ষীপ্ৰ ৰূপায়ণ প্ৰণালীসহ ৰাজ্যিক অগ্ৰাধিকাৰভিত্তিক প্ৰকল্প হিচাপে বিবেচনা কৰা হ'ব, য'ত ৰূপায়ণকাৰী সংস্থাসমূহলৈ প্ৰত্যক্ষ প্ৰশাসনীয় আৰু বিত্তীয় ক্ষমতা হস্তান্তৰ কৰা হ'ব। ৰাজ্যিক অগ্ৰাধিকাৰভিত্তিক প্ৰকল্প হিচাপে শ্ৰেণীবদ্ধ কৰাৰ বাবে বৰ্তমানে ১৮টা প্ৰকল্পৰ এখন তালিকা প্ৰস্তাৱ কৰা হৈছে। সেইসমূহ হ'ল—

(i) অসম বিধানসভা ভৱন

(ii) গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ছুপাৰ-স্পেচিয়েলিটী হাস্পতাল

(iii) কোকাৰাঝাৰ, চৰাইদেউ, তিনিচুকীয়া, লখিমপুৰ, নলবাৰী-নগাঁও, ধুবুৰী আৰু বিশ্বনাথত নিৰ্মীয়মান চিকিৎসা মহাবিদ্যালয়।

(iv) বিহপুৰীয়া মাধৱদেৱ কলাক্ষেত্ৰ

(v) বৰদোৱা প্ৰকল্প

(vi) উত্তৰ লক্ষীমপুৰ ষ্টেডিয়াম

(vii) গুৱাহাটী-উত্তৰ গুৱাহাটী সেঁতু

(viii) গুৱাহাটী সন্মিলন কেন্দ্ৰ

(ix) খনিকৰ ষ্টেডিয়াম, ডিব্ৰুগড়

(x) ক্ষুদ্ৰ সচিবালয়, বৰাক উপত্যকা

(xi) তেজপুৰ মিচন চাৰিআলিত অ'ভাৰব্ৰীজ প্ৰকল্প

(xii) যোৰহাটত ৰে'ল অ'ভাৰব্ৰীজ

(xiii) শিৱসাগৰত প্ৰাচীন তাই আহোম সাংস্কৃতিক ঐতিহ্যৰ সংৰক্ষণ।

(xiv) পাগলাদিয়া সেঁতু

(xv) ঘূণাসুঁতি সেঁতু

(xvi) আঠখন মহিলা সংখ্যালঘু মহাবিদ্যালয়

(xvii) কলকাতাৰ ৰাছেল ষ্ট্ৰীটত নতুন অসম ভৱন

(xviii) নতুন দিল্লীৰ এছ পি মাৰ্গত নতুন অসম ভৱন

**XVI. ক্ষুদ্ৰ ব্যৱসায় আৰু কাৰু শিল্পীসকললৈ বিশেষ সাহায্য**

১৬৩। ক'ভিড অতিমাৰীয়ে আমাৰ জীৱনৰ সকলো ক্ষেত্ৰতে প্ৰভাৱ পেলাইছে। প্ৰভাৱিত লোকসকলৰ ভিতৰত আটাইতকৈ দুৰ্বল শ্ৰেণীটো হৈছে কুটীৰ শিল্প, ক্ষুদ্ৰ ব্যৱসায় আৰু কাৰু শিল্পীসকল। আচলতে তেওঁলোকৰ জীৱিকাৰ ওপৰত মাধমাৰ পৰিছে আৰু সময়ে সময়ে বলবৎ কৰা লকডাউনৰ বাবে তেওঁলোকে ঘৰভাড়া আৰু বিজুলী বিল আদায় দিবলৈ অক্ষম হৈ পৰিছে।

১৬৪। গোলকীয় অতিমাৰীৰ বাবে সন্মুখীন হোৱা ব্যাঘাত অতিক্ৰম কৰিবলৈ এই শ্ৰেণীটোক এককালীন অনুদানেৰে আমি সহায় আগবঢ়াব বিচাৰিছো।

১৬৫। ভাৰত চৰকাৰৰ PMSVA নিধি আঁচনিৰ সহযোগত এটা প্ৰতিষ্ঠানিক ব্যৱস্থাৰ জৰিয়তে মই প্ৰতিটো গোট আৰু ব্যক্তিলৈ উৰ্দ্ধতম ১০,০০০ টকাৰ আৰ্থিক সাহায্যৰ প্ৰস্তাৱ ৰাখিছো।

**XVII. চৰকাৰী বিদ্যালয়সমূহৰ নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে স্মাৰ্ট ফোন**

১৬৬। অধ্যক্ষ মহোদয়, কোভিড-১৯ অতিমাৰীৰ ফলত শিক্ষানুষ্ঠানসমূহ বন্ধ হৈ পৰিছিল। এই সময়ছোৱাত বিভিন্ন অনলাইন পদ্ধতিৰে ছাত্ৰ-ছাত্ৰীসকলক পাঠদান কৰা হৈ আছে। কিন্তু ডিজিটেল ব্যৱস্থা সুলভ নোহোৱাৰ বাবে বহুসংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অনলাইন শিক্ষাৰ সুবিধা ল'ব পৰা নাই। সেয়েহে শৈক্ষিক ক্ষতি হ্ৰাস কৰাৰ লগতে ডিজিটেল ব্যৱস্থাৰ বৈষম্য

আঁতৰ কৰাৰ কাৰণে চৰকাৰে নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক মোবাইল ফোন যোগান ধৰাৰ বাবে এক অনন্য পদক্ষেপ গ্ৰহণ কৰিছে। এই পদক্ষেপে অনগ্ৰসৰ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ক্ষতি হ্ৰাস কৰাত সহায় কৰিব। এই ব্যৱস্থাই শিক্ষাৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত এক ইতিবাচক ভূমিকা গ্ৰহণ কৰিব আৰু আধাতে বিদ্যালয় এৰা ছাত্ৰ-ছাত্ৰীৰ সংখ্যা হ্ৰাস কৰাত সহায় কৰিব। এই আঁচনিখনে নৱম আৰু দশম শ্ৰেণীৰ প্ৰায় ৮ লাখ ছাত্ৰ-ছাত্ৰীক উপকৃত কৰিব।

## XVIII. ১০০০ টা স্বাস্থ্য উপ-কেন্দ্ৰক হাস্পতাললৈ ৰূপান্তৰ

১৬৭। মহোদয়, বৰ্তমানে ৰাজ্যখনত ১০০৫টা প্ৰাথমিক স্বাস্থ্য সেৱা কেন্দ্ৰ (PHC) তথা ৪৬৯৩টা উপকেন্দ্ৰ আছে আৰু ইয়াৰে ২৩৪৪ টা স্বাস্থ্য তথা কল্যাণ কেন্দ্ৰ। বৰ্তমানে প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰসমূহত চিকিৎসক, উপ-কেন্দ্ৰসমূহত এ এন এম (ANM) আৰু স্বাস্থ্য তথা কল্যাণ কেন্দ্ৰসমূহত কমিউনিটি স্বাস্থ্য বিষয়া (CHO) আছে। অনাগত দিনত আমি ১০০০ টা উপকেন্দ্ৰ/স্বাস্থ্য তথা কল্যাণ কেন্দ্ৰক বুনিয়াদী স্বাস্থ্য কেন্দ্ৰ (BSK) ৰূপে গঢ়ি তুলিবলৈ একোগৰাকী চিকিৎসকৰ সেৱাৰ লগতে মৌলিক স্বাস্থ্য সেৱাৰ সা-সুবিধাসমূহ প্ৰদান কৰি থকা হ'ব আৰু এই ব্যৱস্থাৰ যোগেদি বিভিন্ন প্ৰাথমিক ৰোগ যেনে ডায়েবেটিছ, উচ্চ ৰক্তচাপ, এজমা, সংক্ৰামক ৰোগসমূহৰ লগতে প্ৰাথমিক ৰোগসমূহৰ বিনামূলীয়া চিকিৎসা, ডায়েগন'চটিক পৰীক্ষা/চিকিৎসা ইত্যাদি প্ৰদান কৰা হ'ব।

## I. নতুন জিলা গঠন

১৬৮। মহোদয়, সু-প্ৰশাসন সম্ভৱ কৰাৰ দিশত আমাৰ আন এটা প্ৰধান প্ৰয়াস হ'ল- তামুলপুৰত এখন নতুন জিলা সৃষ্টি, ইয়াৰ দ্বাৰা অৰ্থনৈতিক কাম-কাজ বৃদ্ধি আৰু উন্নত প্ৰশাসনীয় নিয়ন্ত্ৰণ সম্ভৱ হ'ব।

## II. মুখ্যমন্ত্ৰীৰ শিশু সেৱা আঁচনি

১৬৯। ক'ভিড-১৯ অতিমাৰীত পিতৃ-মাতৃ উভয়কে বা একমাত্ৰ জীৱিত পিতৃ বা মাতৃক হেৰুওৱা ১৫ বছৰৰ অনূৰ্ধ্ব মাউৰা ল'ৰা-ছোৱালীৰ বাবে মুখ্যমন্ত্ৰীৰ শিশু সেৱা আঁচনি যোগে মাহিলি ৩৫০০ টকাৰ আৰ্থিক সহায় প্ৰদান কৰা হ'ব। এই উদ্দেশ্যে ক'ভিডত মাউৰা হোৱা শিশু-কিশোৰৰ নামত ৭,৮১,২০০ টকা স্থায়ী জমা হিচাপে বেংকত ৰখা হ'ব আৰু এই ধন ৰাশিৰ পৰা প্ৰাপ্ত হ'ব লগা সূদৰ পৰা মাহিলি ৩৫০০ টকাকৈ শিশু-কিশোৰজনে ২৪ বছৰ বয়স পৰ্যন্ত লাভ কৰিব আৰু ২৪ বছৰ বয়সত সম্পূৰ্ণ ধনৰাশি নিজৰ বেংক একাউন্টত লাভ কৰিব।

১৭০। প্ৰতিগৰাকী হিতাধিকাৰীলৈ এই আঁচনিত এটাকৈ লেপটপ কম্পিউটাৰ আগবঢ়োৱা হয়। যিসকল মাউৰা শিশুৰ কোনো অভিভাৱক আৰু পৰিবৰ্দ্ধিত পৰিয়াল নাই তেনে শিশু-কিশোৰক সমাজ কল্যাণ বিভাগৰ তত্ত্বাৱধানত শিশু কল্যাণ প্ৰতিষ্ঠানত আশ্ৰয় দিয়া হ'ব।

১৭১। বয়ঃসন্ধিপ্ৰাপ্ত ল'ৰা আৰু ছোৱালীক কস্তুৰবা গান্ধী বালিকা বিদ্যাপীঠৰ দৰে উপযুক্ত অনুষ্ঠান-প্ৰতিষ্ঠানত ৰখা হ'ব। এই শিশু-কিশোৰসকলৰ বাবে বিদ্যালয় আৰু মহাবিদ্যালয়ৰ শিক্ষা (যথোপযুক্ত বৃত্তিগত প্ৰশিক্ষণসহ) শিক্ষা বিভাগে দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ সহযোগত আগবঢ়াই নিব।

১৭২। বিবাহযোগ্য বয়সপ্ৰাপ্ত ছোৱালীসকললৈ 'অৰুন্ধতী আঁচনি'ত স্বৰ্ণ ক্ৰয়ৰ বাবে ৫০,০০০ টকাৰ সাহায্য আগবঢ়োৱা হ'ব।

১৭৩। মাননীয় মুখ্যমন্ত্ৰীয়ে ১০ জুন ২০২১ত ৮গৰাকী ক'ভিড মাউৰা প্ৰতিগৰাকীলৈ ৭,৮১,২০০ টকাৰ স্থায়ী জমাৰ বেংকৰ প্ৰমাণপত্ৰ

আৰু এটাকৈ লেপটপ প্ৰদান কৰি এই আঁচনিৰ শুভাৰম্ভ কৰিছে।

### III. মুখ্যমন্ত্ৰীৰ ক'ভিড-১৯ বিধৱা সাহায্য আঁচনি

১৭৪। মুখ্যমন্ত্ৰীৰ ক'ভিড-১৯ বিধৱা সাহায্য আঁচনিত ক'ভিড-১৯ অতিমাৰীত স্বামীৰ মৃত্যু হোৱা বাৰ্ষিক ৫.০০ লাখ টকাৰ তলত উপাৰ্জন থকা পৰিয়ালৰ বিধৱা মহিলালৈ আৰ্থিক সাহায্য প্ৰদান কৰা হয়। স্বামীৰ মৃত্যুৰ পিছতে মহিলাগৰাকীয়ে সন্মুখীন হোৱা তাৎক্ষণিক আৰ্থিক সংকটৰ জোৰা মাৰিবলৈ ২.৫০ লাখ টকাৰ এককালীন আৰ্থিক সাহায্য আগবঢ়োৱা হয়।

১৭৫। প্ৰথম পৰ্যায়ত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ৮৭৪ গৰাকী ক'ভিড বিধৱালৈ গাইপতি ২.৫ লাখ টকাকৈ মুঠ ২১.৮৫ কোটি টকাৰ আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে।

### IV. নতুন দিল্লীত অসম সাংস্কৃতিক প্ৰকল্প

১৭৬। অধ্যক্ষ মহোদয়, দেখা গৈছে যে দিল্লী আৰু ৰাষ্ট্ৰীয় ৰাজধানী অঞ্চলত ভালেসংখ্যক অসমীয়া লোকে বসতি স্থাপন কৰিছে। প্ৰৱাসী অসমীয়াসকলৰ প্ৰয়োজনীয়তা পূৰণ কৰাৰ লগতে অসমৰ বাৰেৰহণীয়া সংস্কৃতি প্ৰদৰ্শন কৰিবলৈ নতুন দিল্লীত এটা অসম সাংস্কৃতিক প্ৰকল্প স্থাপনৰ বাবে আমাৰ চৰকাৰে প্ৰস্তাৱ আগবঢ়াইছে।

### V. গুৱাহাটীৰ পাহাৰসমূহ বেদখলমুক্তকৰণ

১৭৭। অধ্যক্ষ মহোদয়, পৱিত্ৰ সদনক মই জনাব বিচাৰোঁ যে গুৱাহাটী মহানগৰীৰ পাহাৰসমূহত হোৱা বেদখলৰ বিষয়টো নিষ্পত্তি কৰিবলৈ আৰু পাহাৰসমূহক বেদখলৰ পৰা মুক্ত কৰিবলৈ ৰাজ্য চৰকাৰখন প্ৰতিশ্ৰুতিবদ্ধ। এই লক্ষ্যত উপনীত হোৱাৰ প্ৰয়াস হিচাপে চৰকাৰখনে বেদখলকাৰীসকলৰ প্ৰতি এক মানৱীয় দৃষ্টিভংগী গ্ৰহণ কৰিব। চৰকাৰে উপযুক্ত ভূমি চিনাক্ত কৰিব আৰু যোগ্য বুলি বিবেচিত ভূমিহীন বেদখলকাৰীসকলক অগ্ৰাধিকাৰ ভিত্তিত তেনে ভূমিলৈ স্থানান্তৰিত

কৰিব। ভৱিষ্যতলৈ যাতে আৰু অধিক বেদখল হ'ব নোৱাৰে তাক ৰোধিবলৈ চৰকাৰী অভিকৰণৰ জৰিয়তে ড্ৰোণ আৰু আন প্ৰযুক্তি ব্যৱহাৰ কৰি পাহাৰসমূহত দিনে-নিশাই নিৰীক্ষণ চলোৱাৰ বাবে এটা ব্যৱস্থা বিকশাই তোলা হ'ব। ৰাজ্য চৰকাৰে মুকলি ঠাইৰ সৃষ্টি কৰিব আৰু মহানগৰীৰ ভিতৰৰ বৰ্তমানৰ সকলো মুকলি ঠাই আৰু পাহাৰ সংৰক্ষিত কৰিব।

## VI. বনাঞ্চলৰ ভূমি বন্দোবস্তিকৰণ

১৭৮। অধ্যক্ষ মহোদয়, আমি অনুসূচিত জনজাতি আৰু অন্যান্য পৰম্পৰাগত বন বাসী (বনৰ অধিকাৰ স্বীকৃতি) আইন, ২০০৬ ব্যৱস্থাৰ অধীনত অসমৰ বন এলেকাত ভূমিৰ বন্দোবস্তি কৰিম।

## VII. নতুন চিকিৎসা মহাবিদ্যালয়সমূহ

১৭৯। অধ্যক্ষ মহোদয়, নাগৰিকসকলৰ স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত নতুন চিকিৎসা মহাবিদ্যালয়সমূহৰ নিৰ্মাণে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। স্বাস্থ্য সেৱা পদক্ষেপক আগলৈ আৰু অধিক সুদৃঢ় কৰিবৰ বাবে স্বাস্থ্য বিভাগে পাঁচখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপন কৰিবলৈ প্ৰস্তাৱ লৈছে—

| ক্ৰমিক নম্বৰ | চিকিৎসা মহাবিদ্যালয়ৰ স্থান | আবণ্টন(টকাত) |
|---|---|---|
| ১ | গোলাঘাট | ১৬ কোটি |
| ২ | ধেমাজি | ১৬ কোটি |
| ৩ | মৰিগাঁও | ১৬ কোটি |
| ৪ | বঙাইগাঁও | ১৬ কোটি |
| ৫ | তামুলপুৰ | ১৬ কোটি |

## VIII. ১০ টা কামাণ্ডো বেটেলিয়ন গঠন

১৮০। অসম চৰকাৰে ৰাজ্যখনত ১০টা স্থানত পৰ্যায়ক্ৰমে ১০টা বেটেলিয়ন গঠন কৰিব। এই বেটেলিয়ন কেইটা ক'মাণ্ডো বেটেলিয়ন হ'ব আৰু কনিষ্টবল তথা উপ-পৰিদৰ্শকসকলে এছ পি জি (SPG), এন এছ জি

(NSG), চি আৰ পি এফ কোব্ৰা (CRPF COBRA) ইত্যাদিৰ দৰে কঠোৰ প্ৰশিক্ষণ গ্ৰহণ কৰিব। এই বেটেলিয়ন কেইটা গঠন হোৱাৰ লগে লগে প্ৰয়োজন অনুসৰি বিভিন্ন আইন শৃংখলাজনিত পৰিস্থিতিত সহায়ক হোৱাৰ উপৰি এই বেটেলিয়ন কেইটাই প্ৰতি-বিদ্ৰোহী কাৰ্যকলাপত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব।

**IX. নগৰ অঞ্চলৰ মুকলি ঠাইত ৰাজহুৱা স্থান**

১৮১। মহোদয়, আমাৰ চৰকাৰে উদ্যান, পদপথ, নদী কাষৰীয়া পথ-বীথিকা, মুক্তাংগন ব্যায়ামাগাৰ, যোগকেন্দ্ৰ আৰু অন্যান্য সুচল ৰাজহুৱা মুকলি স্থান নিৰ্মাণৰ দ্বাৰা আমাৰ নগৰসমূহত থকা মুকলি ঠাইৰ উন্নয়নৰ প্ৰস্তাৱ হাতত লৈছে।

**X. অৰুন্ধতী স্বৰ্ণ আঁচনি**

১৮২। অৰ্থনৈতিকভাৱে দুৰ্বল পিতৃ-মাতৃসকলক সহায় কৰিবলৈ ২০১৯-২০ বিত্তীয় বৰ্ষত অসম চৰকাৰে 'অৰুন্ধতী' আঁচনিখন প্ৰৱৰ্তন কৰিছিল। নিজৰ কন্যাৰ বিবাহত এক তোলা সোণ উপহাৰ হিচাপে দিয়াৰ ক্ষেত্ৰত এনে পিতৃ-মাতৃক সহায় কৰাৰ অৰ্থে ২০২০-২০২১ বিত্তীয় বৰ্ষত সোণ ক্ৰয়ৰ বাবে প্ৰদান কৰা বিত্তীয় সাহায্যৰ পৰিমাণ ৪০,০০০ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। এই আঁচনিৰ অধীনত এতিয়ালৈকে মুঠ ৭,৪৭১ গৰাকী হিতাধিকাৰী (প্ৰতিগৰাকীলৈ ৪০,০০০ টকাকৈ) উপকৃত হৈছে।

১৮৩। ইফালে, অৰুন্ধতী স্বৰ্ণ আঁচনি প'ৰ্টেলৰ সৈতে ই-পঞ্জীয়নক সংলগ্নকৰণৰ বাবে পদক্ষেপ লোৱা হৈছে। অৰুন্ধতী স্বৰ্ণ আঁচনিৰ অনলাইন প'ৰ্টেলটো পুনৰ বিকাশ কৰা হৈছে আৰু এটা নতুন "User Interface" অচিৰেই আৰম্ভ কৰা হ'ব।

## XI. সামাজিক খণ্ডৰ আঁচনিসমূহ
### *কুশল কোঁৱৰ আঁচনি*

১৮৪। অধ্যক্ষ মহোদয়, অসম চৰকাৰে প্ৰতি মাহৰ ১০ তাৰিখৰ ভিতৰত "ছহিদ কুশল কোঁৱৰ সাৰ্বজনীন বৃদ্ধ পেঞ্চন আঁচনি" আৰু "ইন্দিৰা মিৰি সাৰ্বজনীন বিধৱা পেঞ্চন আঁচনি" ৰ অধীনত যথাক্ৰমে মাহিলি বৃদ্ধ পেঞ্চন আৰু বিধৱা পেঞ্চন প্ৰদানৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। চৰকাৰৰ পৰা পুঁজি প্ৰাপ্তিৰ প্ৰক্ৰিয়াটো সহজ কৰি তুলিবলৈ বিত্ত বিভাগৰ চিলিং (FOC) প্ৰদান ব্যৱস্থাটো বন্ধ কৰা হৈছে আৰু বিভাগৰ আটাইতকৈ জ্যেষ্ঠ সচিবগৰাকীক এই পুঁজি মঞ্জুৰ কৰিবলৈ কৰ্তৃত্ব প্ৰদান কৰা হৈছে। লগতে এই হিতাধিকাৰীসকলৰ তথ্য আধাৰ (AADHAAR) সংলগ্ন কৰা হ'ব, যিয়ে স্বচ্ছতা আৰু জৱাবদিহিতাক অধিক শক্তিশালী কৰিব।

## XII. আমাৰ বনাঞ্চল আৰু বন্যপ্ৰাণীৰ সংৰক্ষণ

১৮৫। ৰাজ্যখনৰ বনাঞ্চল সংৰক্ষণ ব্যৱস্থা অধিক শক্তিশালী কৰাৰ উদ্দেশ্যে আমাৰ চৰকাৰে চলিত বিত্তীয় বৰ্ষত ৰাইমনা আৰু দিহিং পাটকাই নামেৰে দুখন ৰাষ্ট্ৰীয় উদ্যান অধিসূচিত কৰিছে। গোৱালপাৰা জিলাত "আজগৰ বন্যপ্ৰাণী অভয়াৰণ্য" নামৰ আন এখন অভয়াৰণ্য ঘোষণা কৰা হ'ব। আনহাতে ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ ভৌগলিক এলেকাৰ অধিক সম্প্ৰসাৰণ কৰা হ'ব।

## XIII. জীৱিকা সখী, বেংক সখী, কৃষি সখী আৰু পশু সখী

১৮৬। অধ্যক্ষ মহোদয়, আত্মসহায়ক গোটৰ সদস্যসকলৰ বিভিন্ন ক্ষেত্ৰত সামৰ্থ্য সৃষ্টি আৰু সহায়-সাৰথিৰ বাবে *বেংক সখী, পশু সখী, কৃষি সখী, জীৱিকা সখী* আদি এচাম সামূহিক কৰ্মী সৃষ্টি কৰা হৈছে।

১৮৭। ২০২০-২১ বিত্তীয় বৰ্ষত ৰাজ্য চৰকাৰে আৰম্ভ কৰা 'জীৱিকা সখী এক্সপ্ৰেছ' আঁচনিত ৪,২৩০ গৰাকী 'জীৱিকা সখী'লৈ দুচকীয়া বাহন (গিয়েৰহীন স্কুটাৰ) প্ৰদান কৰা হয় যাতে তেওঁলোকে অধিক দক্ষতাৰে ফলপ্ৰসূভাৱে সেৱা আগবঢ়াই যাব পাৰে। ASRLM ৰ অধীনত কৰ্মৰত

এই সামূহিক কৰ্মীসকল যিহেতু শেষসীমালৈকে সহায়ৰ হাৰ আগবঢ়োৱাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে সেয়েহে ৮,০৮৬ গৰাকী এনে সমূহীয়া কৰ্মীলৈ দুচকীয়া বাহন আগবঢ়াবলৈ চৰকাৰে প্ৰস্তাৱ কৰিছে। এনে সমূহীয়া কৰ্মীসকললৈ বাহনৰ তেল আৰু চোৱাচিতাৰ খৰচ হিচাপে মাহিলি ৫০০ টকাৰ ভ্ৰমণ ভাত্তা দিয়াৰ বাবেও প্ৰস্তাৱ কৰা হৈছে।

১৮৮। এই আঁচনিখনৰ বাবে ২০২১-২২ বৰ্ষত মই ৪৩.২১ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

**XVI. বিজ্ঞান আৰু প্ৰযুক্তি— (উত্তৰ-পূব মহাকাশ প্ৰয়োগ কেন্দ্ৰ) NESAC ৰ ব্যৱহাৰ**

অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে বিভিন্ন ক্ষেত্ৰত যেনে— কৃষি, উদ্যান শস্য, জলসম্পদ, জলসিঞ্চন, গ্ৰামোন্নয়ন, মীন, ভূগৰ্ভস্থ পানীৰ সম্ভাৱনা অধ্যয়ন ক্ষেত্ৰৰ বাবে ভূতাত্ত্বিক অনুসন্ধান আৰু গাঁও পঞ্চায়তসমূহৰ বাবে কাৰ্যকলাপ পৰিকল্পনাৰ ক্ষেত্ৰত NESACৰ ব্যৱহাৰৰ দ্বাৰা উন্নয়নমূলক প্ৰযুক্তিৰ ক্ষেত্ৰত মহাকাশ প্ৰযুক্তিৰ ব্যৱহাৰৰ বাবে সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

**XV. কাৰ্বি আংলঙত ৰাজ্যিক বিশ্ববিদ্যালয়**

১৯০। অধ্যক্ষ মহোদয়, কাৰ্বি আংলং ৰাজ্যৰ আটাইতকৈ ডাঙৰ জিলা, আমাৰ চৰকাৰে পাহাৰীয়া জিলাসমূহ আৰু ইয়াৰ দাঁতিকাষৰীয়া এলেকাসমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ উপযোগিতাৰ বাবে কাৰ্বি আংলঙত এখন ৰাজ্যিক বিশ্ববিদ্যালয় স্থাপন কৰিবলৈ আমাৰ চৰকাৰে প্ৰস্তাৱ আগবঢ়াইছে।

১৯১। বৰ্তমানৰ ডিফু চৰকাৰী মহাবিদ্যালয়ক ৰাজ্যিক বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ বাবে সম্ভাৱনা পৰীক্ষা কৰা হ'ব।

**XVI.. চৰকাৰী ভৱন নিৰ্মাণ**

১৯২। অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ সামগ্ৰিক আৰ্থ-সামাজিক বিকাশৰ বাবে স্বাস্থ্য, শিক্ষা, প্ৰশাসন আৰু ক্ৰীড়া খণ্ডত বিভিন্ন আন্তঃগাঁথনি প্ৰকল্প

হাতত লোৱাৰ বাবে আমাৰ চৰকাৰে প্ৰস্তাৱ কৰিছে। চৰকাৰৰ এই পদক্ষেপে স্বাস্থ্য, শিক্ষা, প্ৰশাসন আৰু ক্ৰীড়া খণ্ডৰ আন্তঃগাঁথনি শক্তিশালী কৰিব। বৃহৎ প্ৰকল্পসমূহৰ আন্তঃগাঁথনি উন্নয়ন ত্বৰান্বিত কৰিবলৈ আমি ইয়াৰ দ্বাৰা বিভিন্ন গোলকীয় হিচাপৰ শিতানত (Global Heads of Account)ত বাজেট প্ৰদানৰ দ্বাৰা প্ৰশাসনীয় সংস্কাৰ সাধিবলৈ প্ৰস্তাৱ কৰিছোঁ আৰু এই প্ৰক্ৰিয়াই প্ৰশাসনীয় অনুমোদন প্ৰদানৰ প্ৰক্ৰিয়াটো সৰল কৰাত আৰু পুঁজি আদি মুকলি কৰাৰ ক্ষেত্ৰত প্ৰকল্পসমূহৰ সুচল ৰূপায়ণত লোকনিৰ্মাণ (গৃহ) বিভাগক সহায় কৰিব। তেনে প্ৰকল্পসমূহৰ কেইটামান উদাহৰণ হ'ল—

- অসমৰ গোলাঘাট, ধেমাজি, মৰিগাঁও, বঙাইগাঁও আৰু তামুলপুৰত পাঁচখন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ।
- সংহত উপায়ুক্তৰ কাৰ্যালয় নিৰ্মাণ
- মহকুমাধিপতি কাৰ্যালয় নিৰ্মাণ
- চৰকাৰী মহাবিদ্যালয় / বিদ্যালয় নিৰ্মাণ
- বিভিন্ন স্থানত ষ্টেডিয়াম (stadia) নিৰ্মাণ
- জিলা সদৰসমূহৰ মিশ্ৰিত সাংস্কৃতিক প্ৰকল্প নিৰ্মাণ

**XVII. তেজস্বী নৱধিতামস্তু এডু-ইনফ্ৰা-ফাণ্ড (TNEIF)**

১৯৩। মহোদয়, আমাৰ চৰকাৰে কমলাবাৰীত মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় স্থাপন কৰিছে। ইয়াৰ উপৰি, চৰকাৰে হোজাইত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়, বজালীত ভট্টদেৱ বিশ্ববিদ্যালয়, নাৰায়ণপুৰত মাধৱদেৱ বিশ্ববিদ্যালয় আৰু গোলাঘাটত বীৰাংগনা সতী সাধিনী ৰাজ্যিক বিশ্ববিদ্যালয় স্থাপন কৰিছে। মই এই বিশ্ববিদ্যালয়সমূহৰ বাবে তলত দিয়া ধৰণে পুঁজি নিৰ্দ্ধাৰণ কৰিছোঁ।

| ক্ৰ. নং | বিশ্ববিদ্যালয়ৰ নাম | স্থান | বিত্তীয় বৰ্ষত নিৰ্ধাৰিত পুঁজি | | |
|---|---|---|---|---|---|
| | | | ২০২১-২২ | ২০২২-২৩ | ২০২৩-২৪ |
| ১ | মাজুলী সাংস্কৃতিক বিশ্ববিদ্যালয় | কমলাবাৰী, মাজুলী | ৮ কোটি | ২২ কোটি | ২০ কোটি |
| ২ | ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয় | হোজাই কলেজ | ৮ কোটি | ২২ কোটি | ২০ কোটি |
| ৩ | ভট্টদেৱ বিশ্ববিদ্যালয় | বজালী মহাবিদ্যালয়, পাঠশালা | ৮ কোটি | ২২ কোটি | ২০ কোটি |
| ৪ | মাধৱদেৱ বিশ্ববিদ্যালয় | মাধৱদেৱ কলেজ, নাৰায়ণপুৰ | ৮ কোটি | ২২ কোটি | ২০ কোটি |
| ৫ | বীৰাংগনা সতী সাধিনী ৰাজ্যিক বিশ্ববিদ্যালয় | গোলাঘাট | ৮ কোটি | ২২ কোটি | ২০ কোটি |
| ৬ | অনিৰুদ্ধদেৱ ক্ৰীড়া বিশ্ববিদ্যালয় | চাবুৱা | ৩.৬ কোটি | ২৬.৪ কোটি | ২০ কোটি |

## XVIII. জিলা ষ্টেডিয়াম প্ৰকল্প

১৯৪। অধ্যক্ষ মহোদয়, ৰাজ্যখনত ক্ৰীড়াৰ সামগ্ৰিক উন্নয়ন কঢ়িয়াই অনা আৰু ক্ৰীড়া প্ৰতিভাসমূহ চিনাক্তকৰণ আৰু বিকাশ ঘটোৱাৰ উদ্দেশ্যে আমাৰ চৰকাৰে ৰাজ্যখনৰ বিভিন্ন স্থানত পৰ্যায়ক্ৰমে বহুবিধ ক্ৰীড়াৰ সুবিধাযুক্ত ক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে।

## XIX. ডিব্ৰুগড় আৰু শিলচৰত নতুন চিৰিয়াখানা

১৯৫। অধ্যক্ষ মহোদয়, আমি ডিব্ৰুগড় আৰু শিলচৰত নতুন বন্যপ্ৰাণী ছাফাৰী আৰু উদ্ধাৰ কেন্দ্ৰ স্থাপন কৰিবলৈ পৰিকল্পনা হাতত লৈছোঁ। এই কেন্দ্ৰৰ প্ৰাথমিক লক্ষ্য হ'ল- দুৰ্যোগৰ সমুখীন হোৱা বন্যপ্ৰাণীৰ উদ্ধাৰ আৰু পুনৰ সংস্থাপনৰ লগতে অসমৰ প্ৰাকৃতিক ঐতিহ্য সংৰক্ষণ কৰা। CSR ব্যৱস্থাৰ জৰিয়তে এই কেন্দ্ৰসমূহে জীৱ-জন্তুৰ বিনিময় আৰু প্ৰতিপালন কাৰ্যসূচী ৰূপায়ণ কৰিব।

## XX. APOL কৰ্মচাৰীসকললৈ স্বেচ্ছামূলক অৱসৰ আঁচনি

১৯৬। অধ্যক্ষ মহোদয়, আমাৰ চৰকাৰে বিবেচনা কৰে যে অসম পলিয়েষ্টাৰ সমবায় সমিতি লিমিটেড (APOL)ৰ কৰ্মচাৰীসকলক সন্মানজনকভাৱে বিদায় পোৱা উচিত। সেয়েহে আমি APOL নিগমৰ ভূমি আৰু সম্পত্তিসমূহ গ্ৰহণ কৰি এই ভূমিত আন বিকল্প ঔদ্যোগিক প্ৰতিষ্ঠান স্থাপন কৰিব বিচাৰিছোঁ। তদুপৰি যোগ্য কৰ্মচাৰীসকলৰ স্বেচ্ছামূলক অৱসৰ আঁচনিৰ পৰা পাবলগীয়া ধনকে ধৰি APOLৰ সকলোধৰণৰ দেনা পৰিশোধ কৰাৰ বাবে আৰ্হি প্ৰস্তুত কৰা হ'ব।

১৯৭। ২০২১-২২ বৰ্ষৰ বাজেটত মই ইয়াৰ বাবে ১২ কোটি টকা ধাৰ্য কৰিছো।

## XVI. শৈক্ষিক উৎকৰ্ষতাৰ কেন্দ্ৰ

১৯৮। সন্মানীয় সদস্যবৃন্দ নিশ্চয় অৱগত যে কিছুসংখ্যক শ্ৰেষ্ঠতম শৈক্ষিক প্ৰতিষ্ঠান, বিদ্যালয় অথবা মহাবিদ্যালয় বৰ প্ৰাচীনো। ৰাজ্যখনৰ বিভিন্ন ঠাইত অৱস্থিত এনে কিছুসংখ্যক শিক্ষানুষ্ঠানৰ পৰিগাঁথনিগত উন্নয়নৰ প্ৰয়োজনীয়তা অতি গভীৰ। তেনে শিক্ষানুষ্ঠানসমূহে আগবঢ়োৱা বিপুল অৱদানৰ স্বীকৃতিৰূপে ১০০ বছৰৰো অধিক পুৰণি তেনেকুৱা শিক্ষা অনুষ্ঠানলৈ এথুপি আৰ্থিক প্ৰোৎসাহন মই আগবঢ়াব খুজিছোঁ। তেনে অনুষ্ঠানসমূহক উৎকৰ্ষতাৰ কেন্দ্ৰৰূপে বৰ্গীকৃত কৰা হ'ব।

১৯৯। অধ্যক্ষ মহোদয়, সৈনিক স্কুল গোৱালপাৰা অতি পুৰণি শিক্ষানুষ্ঠান। এই মহতী শিক্ষানুষ্ঠানে বহু বিশিষ্ট ব্যক্তিত্বৰ সৃষ্টি কৰিছে। ৰাজ্য চৰকাৰে সৈনিক স্কুল গোৱালপাৰাৰ চোৱাচিতা আৰু উন্নয়নৰ বাবে আৰ্থিক সকাহ দিয়াৰ সময় এতিয়া। জনাবলৈ পাই মই আনন্দিত হৈছোঁ যে ভাৰত চৰকাৰৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সৈতে অসম চৰকাৰে এক বুজাবুজি চুক্তিত উপনীত হ'বলৈ শেহতীয়াভাৱে ৰাজ্যিক কেবিনেটে এক সিদ্ধান্ত গ্ৰহণ কৰিছে, যাৰ জৰিয়তে স্কুলখনৰ কাৰ্যক্ষম ব্যয় (operational cost) ৰাজ্য চৰকাৰে বহন কৰাৰ কথা। ইয়াৰ লগতে মই নিশ্চিত যে

গোলাঘাট সৈনিক স্কুলৰ বাবে উত্থাপিত বহুদিনীয়া পুৰণি প্ৰস্তাৱ সোনকালে অনুমোদিত হ'ব আৰু অনাগত দিনত ৰাজ্যখনৰ বিভিন্ন ঠাইত আৰু বহুকেইখন সৈনিক স্কুল ভাৰত চৰকাৰে স্থাপন কৰিব।

## XXII. অসম কৰ্কট যতন ফাউণ্ডেচন

২০০। অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ নাগৰিকসকললৈ কৰ্কট ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত এক সুচল আৰু ব্যয়সাধ্য শক্তিশালী প্ৰণালী গঢ়ি তুলিবলৈ আমাৰ চৰকাৰে বিগত সময়ছোৱাত সৰ্বাধিক মনোযোগ দিছিল। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে 'টাটা ন্যাস'ক অংশীদাৰ কৰি ৩টা পৰ্যায়ৰ কৰ্কট ৰোগৰ যতন প্ৰণালী নিৰ্মাণ কৰি কৰ্মক্ষম কৰিবলৈ "অসম কৰ্কট যতন ফাউণ্ডেচন" নামেৰে এটা কোম্পানী বুজাবুজিৰ চুক্তি অনুসাৰে স্থাপন কৰিছিল; এই কোম্পানীৰ উদ্দেশ্য আৰ্থিক লাভ অৰ্জন নহয়।

২০১। আশা কৰা হৈছে যে ডিব্ৰুগড়, বৰপেটা, তেজপুৰ, লখিমপুৰ, মঙলদৈ, কোকৰাঝাৰ আৰু যোৰহাটৰ কৰ্কট চিকিৎসালয়কেইখন এই বিত্তীয় বৰ্ষৰ ভিতৰতে সম্পূৰ্ণ হৈ উঠিব; গুৱাহাটী, শিলচৰ আৰু ডিফুৰ চিকিৎসালয়কেইখন ২০২২ৰ ভিতৰতে সম্পূৰ্ণ কৰাৰ লক্ষ্যও বান্ধি লোৱা হৈছে।

২০২। ৰাজ্যখনৰ বিভিন্ন স্থানত এই অনুসাৰে কৰ্কট ৰোগৰ চিকিৎসালয় স্থাপনৰ বাবে অসম চৰকাৰে এতিয়ালৈকে ৭৫০ কোটি টকা আগবঢ়াইছে। এই চিকিৎসালয়সমূহত ব্যৱহৃত হ'বলগীয়া চিকিৎসাৰ যন্ত্ৰপাতিসমূহৰ লগতে ৮৩০ কোটি টকা টাটা ন্যাসে আগবঢ়াব। এই আঁচনি অব্যাহত থাকিব আৰু প্ৰয়োজনীয় সকলো পুঁজিও যোগান ধৰা হ'ব।

## XVI. এন ডি এফ বি পুনঃসংস্থাপন

২০৩। অধ্যক্ষ মহোদয়, শান্তি আৰু সম্প্ৰীতি বৰ্তাই ৰখাৰ বাবে আমাৰ চৰকাৰে সৰ্বদা প্ৰচেষ্টা চলাই আহিছে। আমাৰ প্ৰচেষ্টাৰ ফলত বিপথগামী যুৱকসকলৰ চৰকাৰৰ ওপৰত আস্থা বৃদ্ধি পাইছে আৰু তেওঁলোক হিংসাৰ পথ পৰিহাৰ কৰি তেওঁলোক মুলসুঁতিলৈ উভতি আহিছে। স্বাভাৱিক জীৱনলৈ আগ্ৰহী হোৱা আত্মসমৰ্পণকাৰী এন ডি এফ বিৰ সদস্যসকলক মই শুভেচ্ছা জনাব খুজিছোঁ। তেওঁলোকৰ পুনঃসংস্থাপনৰ বাবে এমুঠি কাৰ্যব্যৱস্থা আমাৰ চৰকাৰে সাজু কৰিছে।

## XXIV. শিৱসাগৰ - *ঐতিহ্যৰ সংৰক্ষণ*

২০৪। অসমৰ মাননীয় মুখ্যমন্ত্ৰীৰ শেহতীয়া শিৱসাগৰ ভ্ৰমণৰ কালচোৱাত টাই-আহোম সংগ্ৰহালয়ৰ বিকাশ সাধনৰ প্ৰয়োজনীয়তা সম্পৰ্কে তেখেতক অৱগত কৰা হৈছিল। মই ইয়াৰ বাবে বাজেটত পৰ্যাপ্ত পৰিমাণে পুঁজি ধাৰ্য কৰা হৈছে।

অধ্যক্ষ মহোদয়, এতিয়ালৈকে ঘোষণা কৰা কাৰ্যসূচীসমূহৰ উপৰি বিভাগে অতিৰিক্ত আঁচনি আৰু কাৰ্যসূচীও গ্ৰহণ কৰিব। এতিয়া মই ২০২১-২২ বিত্তীয় বৰ্ষৰ ৰূপায়ণ কৰিবলগীয়া বিভাগীয় আঁচনিসমূহ ওপৰত চমুকৈ অবলোপন কৰিব বিচাৰিছোঁ।

## I. এক্ট ইষ্ট পলিচী পৰিক্ৰমা বিভাগ ঃ
*আমাৰ ভূ-কৌশলগত গুৰুত্বপূৰ্ণ লাভ আহৰণ*

২০৫। বহু সম্ভাৱনা নিহিত থকা এই গুৰুত্বপূৰ্ণ বিভাগৰ জৰিয়তে বহুখিনি কাম কৰিব খোজা হৈছে।

২০৬। বিভাগে ব্যক্তি আৰু প্ৰতিষ্ঠানসমূহক সহায় আগবঢ়াবলৈ কুমাৰ ভাস্কৰ বাৰ্মা আঁচনিখনৰ শুভাৰম্ভ কৰাৰ পৰিকল্পনা কৰিছে, যাতে তেওঁলোকৰ লক্ষ্যত উপনীত হ'বলৈ বৃহৎ উৎসৱ (Events) অনুষ্ঠিত কৰিবলৈ আৰু গৱেষণা কৰিবলৈ সুবিধা পায়।

২০৭। কৰিমগঞ্জ আৰু ধুবুৰী জিলাত বাংলাদেশ সীমান্তত এখন সীমান্ত হাট (Haats) খুলিবলৈ পৰিকল্পনা কৰা হৈছে। এই উদ্দেশ্যে ২০২১-২২ বৰ্ষৰ বাজেটত ২.০৯ কোটি টকাৰ প্ৰস্তাৱ কৰা হৈছে।

## II. প্ৰশাসনীয় সংস্কাৰ আৰু প্ৰশিক্ষণ বিভাগ ঃ
*এক শক্তিশালী প্ৰশাসন ব্যৱস্থা গঢ়ি তোলা*

২০৮। নাগৰিকসকলৰ বিভিন্ন চৰকাৰী আঁচনিৰ সংসাধন (Process), অগ্ৰগতি (Track) আৰু বিতৰণ (Delivery) কৰিবলৈ অসম নাগৰিককেন্দ্ৰিক সেৱা প্ৰদান প্ৰকল্প (ACCSDP)ৰ পৰিসৰ বৃদ্ধিৰ প্ৰস্তাৱ কৰা হৈছে।

২০৯। উমৰাংচুত আনন্দৰাম প্ৰশাসনীয় একাডেমীৰ সংবৰ্দ্ধনৰ প্ৰস্তাৱ লোৱা হৈছে। মাজুলী, বঙাইগাঁও, গুৱাহাটী আৰু শিলচৰত প্ৰশিক্ষণ প্ৰতিষ্ঠানৰো একেই সংবৰ্দ্ধন প্ৰকল্পৰ প্ৰস্তাৱ কৰা হৈছে।

২১০। ২০২১-২২ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই মুঠ ১৩৬.৯১ কোটি টকা ধাৰ্য কৰিছোঁ।

## III. কৃষি বিভাগ ঃ *সমৃদ্ধিৰ বুনিয়াদ*

২১১। অধ্যক্ষ মহোদয়, কৃষি বিভাগে পৰিকল্পনা কৰি থকা বিভিন্ন কাৰ্যকলাপসমূহক মই চমুকৈ চুই গৈছোঁ। মই ইয়াত আৰু কিছু আঁচনিৰ বিষয়ে উল্লেখ কৰিব খুজিছোঁ। সম্প্ৰতি বিভাগে ৰাজ্যখনৰ ধানৰ উৎপাদন বৰ্তমানে ৫২.১৫ লাখ মেট্ৰিকটনৰ পৰা ৭০.৩১ লাখ মেট্ৰিকটন, খাদ্য শস্যৰ উৎপাদন ৫৪.৬৭ লাখ মেট্ৰিকটনৰ পৰা ৬৩.৬৪ লাখ মেট্ৰিকটন আৰু মাকৈৰ উৎপাদন ১.২৮ লাখ মেট্ৰিকটনৰ পৰা ১.৭৪ লাখ মেট্ৰিকটনলৈ বৃদ্ধি কৰিবলৈ লক্ষ্য স্থিৰ কৰিছে।

২১২। মহোদয়, মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনা (CMSGUY)ৰ অধীনত ৰাজ্যখনৰ ২২,৪৭৮ খন ৰাজহ গাঁৱৰ কৃষক গোটৰ মাজত ৭০ শতাংশ ৰাজসাহায্য হাৰত প্ৰায় ১৪,৯৫৭খন ট্ৰেক্টৰ বিতৰণ কৰে। ইয়াৰ উপৰি বিভিন্ন কেন্দ্ৰীয় আঁচনিৰ অধীনত ৩০ হাজাৰতকৈ অধিক পাৱাৰ টিলাৰ বিতৰণ কৰা হৈছে। তদুপৰি, আৰ আই ডি এফ (RIDF) ৰ অধীনত ৪৯,১৪১টা পাম্প ছেট সংস্থাপন কৰা হৈছে।

২১৩। ইয়াৰ উপৰি মুখ্যমন্ত্ৰী কৃষি সা-সঁজুলি যোজনাৰ অধীনত প্ৰথম আৰু দ্বিতীয় পৰ্যায়ত ক্ৰমে ৭,৪১,৭৯৫ আৰু ৪,৪৬,৪২১ গৰাকী কৃষকক সামৰি লোৱা হৈছিল আৰু প্ৰথম পৰ্যায়ত প্ৰত্যেকে ৫০০০ টকাৰ লগতে দ্বিতীয় পৰ্যায়ত ২৫০০ টকাকৈ লাভ কৰিছে।

২১৪। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনা (PMFBY) ৰ অধীনত মুঠ ৩৩,৫৯৮ গৰাকী খেতিয়কৰ দাবী নিষ্পত্তি কৰাৰ লগতে এই যোজনাত বৰ্তমানলৈকে ২৯,৮৩,৭৪৪ গৰাকী খেতিয়কক সামৰি লোৱা হৈছে আৰু ২০২১-২২ বৰ্ষৰ খাৰিফ ঋতুত প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত ১০ লাখ কৃষকক সামৰি ল'বলৈ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। ইয়াৰ লগতে বিভাগে ৩,১২,৬১৮ খন কিষাণ ক্ৰেডিট কাৰ্ড আৰু ২৫,৩৫,৩২৩খন ছইল হেলথ কাৰ্ড বিতৰণ কৰিছে।

২১৫। মহোদয়, ‘জৈৱিক হাব’ হিচাপে মাজুলী শীৰ্ষক কাৰ্যসূচীয়ে জৈৱ কৃষিকৰ্মত নতুন মাত্ৰা প্ৰদান কৰিছে।

২১৬। মহোদয়, বিশ্ববেংকৰ সাহায্যপ্ৰাপ্ত অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰ প্ৰকল্প (APART) ৰ যোগেদি ধানৰ মূল্য শৃংখল আৰু আলুৰ মূল্য শৃংখল যান্ত্ৰিকীকৰণৰ দ্বাৰা বৃহৎ পদক্ষেপ লোৱা হৈছে। এই প্ৰকল্পই কৃষকসকলক Farmer Producer Companies তথা কৃষি আৰু খাদ্য প্ৰতিষ্ঠানসমূহক ‘উদ্যোগ সংস্থা’ (IAs) হিচাপে সংগঠিত কৰিছে।

২১৭। পূৰবী গাখীৰ সংসাধন প্লাণ্টৰ উৎপাদন ক্ষমতা প্ৰতিদিনে ৬০,০০০ লিটাৰৰ পৰা ১,৫০,০০০ লিটাৰ হৈছে।

২১৮। প্ৰতিদিনে ১.৫ টন ক্ষমতাসম্পন্ন ক্ষুদ্ৰ মাছৰ দানা কাৰখানা (Mini Fish Feed Mills) ৰ ১০টা গোট নিৰ্মাণ কৰি থকা হৈছে।

২১৯। ইয়াৰ উপৰি ১০০খন কৃষি বজাৰ আৰু ৪০ টা পন্যাগাৰ ভঁৰাল আধুনিকীকৰণ তথা উন্নীত কৰি থকা হৈছে।

২২০। এই বিভাগৰ বাবে মই মুঠ ২৩৪০.২৩ কোটি প্ৰস্তাৱ কৰিছোঁ।

**IV. পশুপালন আৰু পশুচিকিৎসা বিভাগ ঃ *কৃষকৰ আয়ৰ পৰিপূৰণ***

২২১। আমাৰ চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ লক্ষ্য হ’ল নতুন নিযুক্তিৰ পথ সৃষ্টি কৰা। পশুপালন তথা দুগ্ধখণ্ডই গাখীৰ, কণী আৰু মাংসৰ উৎপাদনৰ মাজত ব্যৱধান পূৰণ কৰিবলৈ সহায় আগবঢ়োৱাৰ উপৰি আত্মনিযুক্তিৰ সুযোগ সৃষ্টিৰ ক্ষেত্ৰতো এক বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে।

২২২। উচ্চমানৰ ১৫০০ মূৰা (Murrah) ম’হ অন্তৰ্ভুক্তিৰে ৫০০ হিতাধিকাৰীক জড়িত কৰা এটা প্ৰকল্পৰ প্ৰস্তাৱ কৰা হৈছে। ইয়ে পঞ্চম বছৰৰ ভিতৰত গাখীৰৰ উৎপাদন ২০২.১ লাখ লিটাৰলৈ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে।

২২৩। উচ্চ মানসম্পন্ন শীতলীকৃত লিংগ বিভাজিত শুক্রাণু প্ৰযুক্তি (Frozen Sexed Sorted Semen Technology) প্ৰৱৰ্তনৰ পৰিকল্পনা কৰা হৈছে। অধিক গাখীৰ দিব পৰা গৰু, ম'হৰ দ্ৰুত বৃদ্ধি নিশ্চিত কৰিবলৈ বৰ্ণসংকৰ পদ্ধতিৰে ১২,১৫০ টি মাইকী গৰু ম'হৰ পোৱালি জন্ম দিয়ালে গৰুৰ উৎপাদন ক্ষমতা বৃদ্ধিত ই সহায় কৰিব।

২২৪। তদুপৰি ৰাজ্যখনৰ প্ৰগতিশীল দুগ্ধ উৎপাদনকাৰী উদ্যমীসকলক লক্ষ্য কৰি আমি ৬০ খন বাণিজ্যিক দুগ্ধ পাম স্থাপন কৰিম। ৮০ জনী উচ্চ উৎপাদনক্ষম খিৰতী গাই/ম'হ অন্তৰ্ভুক্ত কৰিবলৈ এই পামসমূহক বেংকৰ সৈতে সংযুক্ত কৰি দিয়া হ'ব, যাৰ বাবে প্ৰয়োজন হ'ব প্ৰায় ২৯.৭২ কোটি টকা। এই বিশেষ প্ৰয়াসৰ ফলত প্ৰথম বছৰত ১৪৮ লাখ লিটাৰ গাখীৰ আৰু পাঁচ বছৰৰ মূৰত ১০৮০ লাখ লিটাৰ গাখীৰ উৎপাদন হ'ব।

২২৫। আমি ২৮১ গৰাকী কৃষি-উদ্যমীক প্ৰত্যেককে এটাকৈ মাইকী কুকুৰাৰ পাম স্থাপনত সহায় কৰিম। সমান্তৰালভাৱে গঁড়ালত পশুপালন ব্যৱস্থাত (Cage Farming System) প্ৰত্যেককে ৫০০ কৈ কণী পৰা চৰাই পালন কৰাৰ বাবে ৯০০০ হিতাধিকাৰীক আমি সহায় কৰিম। ইয়াৰ ফলত ৰাজ্যখনৰ পৰা বাহিৰলৈ ওলাই যোৱা ৭৯২ কোটি টকা ৰাহি হ'ব।

২২৬। আমি গাহৰি পালন খণ্ডক শক্তিশালী কৰিম আৰু ইয়াক মাৰাত্মক আফ্ৰিকান ছোৱাইন ফিভাৰ (ASF) ৰ পৰা উদ্ধাৰ পোৱাত সহায় কৰিম। আধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰি নতুন গাহৰি পাম পুনৰ স্থাপনত পালকসকলক সহায় কৰা হ'ব।

২২৭। আমি অসমৰ পাঁচখন জিলাত আলট্ৰাচাউণ্ডৰ সা-সুবিধা থকা এটা পশুৰ Critical Care Unit আৰু দহটা Animal Ambulatory Clinicকো স্থাপন কৰিম। তেজপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু শিলচৰত আমি নগৰীয়া গাখীৰ যোগান আঁচনি (TMSS) স্থাপন

কৰিম। ধেমাজিত এটা গাখীৰ সংসাধন প্ৰকল্প কাৰ্যক্ষম কৰি তোলা হ'ব। খানাপাৰাত এটা Multi-Brand Milk Mall স্থাপন কৰিম।

২২৮। আমি ঠেং আৰু মুখৰ বেমাৰৰ (FMD) বাবে অসমৰ ১.৮ কোটি পশুধনক টিকাকৰণ কৰিম।

২২৯। ২০২১-২২ বৰ্ষৰ বাজেটত বিভাগটোৰ বাবে মই মুঠ ৫৯৫.০৯ কোটি টকা ধাৰ্য কৰিছোঁ।

## V. অসম চুক্তি বিভাগ

২৩০। আমি অসম আন্দোলনৰ শ্বহীদ সকলৰ প্ৰতিটো পৰিয়ালক ৫ লাখ টকাৰ এককালীন অনুদান (Ex gratia) প্ৰদান কৰিম আৰু অসম আন্দোলনত গুলিত আহত হোৱা প্ৰতিজন লোকক ২ লাখ টকাৰ এককালীন অনুদান (Ex gratia) প্ৰদান কৰিম।

২৩১। অসম আন্দোলনৰ ভুক্তভোগী সকল আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলৰ পুনঃসংস্থাপন অথবা অন্যান্য লাভালাভসমূহ প্ৰদান কৰিবৰ বাবে পৰিকল্পনা আৰু আঁচনি প্ৰস্তুত তথা নিৰ্দ্ধাৰণ কৰিবলৈ আমি এটি ন্যাস স্থাপন কৰাৰ কথাও বিবেচনা কৰিছোঁ।

২৩২। মই এই বিভাগটোৰ বাবে ২.৭৬ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## VI. সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগঃ

*আমাৰ ভূমি, আমাৰ সীমা, আমাৰ ভৱিষ্যতৰ সুৰক্ষা*

২৩৩। অধ্যক্ষ মহোদয়, সীমান্ত অঞ্চলৰ বাসিন্দাসকলৰ মনত নিৰাপত্তাবোধ জগাই তোলাৰ লগতে আওহতীয়া অঞ্চলসমূহত উন্নয়নমূলক কাম-কাজৰ মাজত থকা বৃহৎ ব্যৱধান আতৰ কৰি ৰাইজৰ বিশেষ প্ৰয়োজনীয়তাসমূহ পূৰণৰ জৰিয়তে সৰ্বাংগীন বিকাশ সাধনেই হৈছে সীমান্ত সুৰক্ষা আৰু উন্নয়ন বিভাগৰ লক্ষ্য।

২৩৪। আন্তঃৰাজ্যিক সীমান্তত আমি ৫০ টা নতুন সীমান্ত আৰক্ষী চকী স্থাপন কৰিম।

২৩৫। সীমান্তৱৰ্তী ৰাজ্যসমূহৰ সৈতে শান্তিপূৰ্ণ সম্বন্ধ অধিক উন্নত কৰাৰ অৰ্থে সীমান্ত অঞ্চলসমূহত সীমান্ত মহোৎসৱ অনুষ্ঠিত কৰা হ'ব।

২৩৬। সীমান্ত অঞ্চলত আগশাৰীত নিয়োজিত সুৰক্ষা কৰ্মীসকললৈ সন্মানসূচক হিচাপে এমাহৰ দৰমহা প্ৰদান কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছে।

২৩৭। ২০২১-২২ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই মুঠ ৬৯.২২ কোটি টকা ধাৰ্য কৰিছোঁ।

## VII. সমবায় বিভাগঃ *একতাই পৰম বল*

২৩৮। দ্ৰুত ৰাজহুৱা সেৱা প্ৰদান ব্যৱস্থা সুনিশ্চিত কৰিবলৈ সমবায় সমিতি আৰু অন্যান্য বিভাগীয় সেৱা পঞ্জীয়নৰ বাবে আমি এখন ৱেব সমৰ্থিত ডিজিটেল প্লেটফৰ্ম স্থাপন কৰিম।

২৩৯। নাবাৰ্ডৰ পৃষ্ঠপোষকতাৰ আৰ আই ডি এফ আঁচনিৰ অধীনত আমি গ্ৰাম্য ভঁৰাল নিৰ্মাণ কৰিম।

২৪০। শিলঘাটস্থিত অসম মৰাপাট কলৰ কাৰখানাক পুনৰুজ্জীৱিত কৰিবৰ বাবে ৮ কোটি টকা প্ৰস্তাৱ কৰিছোঁ।

২৪১। ২০২১-২২ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই মুঠ ১৫৮.১৯ কোটি টকা ধাৰ্য কৰিছোঁ।

## VIII. সাংস্কৃতিক পৰিক্ৰমা বিভাগ ঃ *ঐতিহ্যৰ সংৰক্ষণ*

২৪২। সংস্কৃতি আৰু ঐতিহ্যই আমাৰ মূল্যবোধ, বিশ্বাস আৰু আকাংক্ষাৰ দিশটো প্ৰতিফলিত কৰে আৰু এইবোৰক ৰূপ প্ৰদান কৰে। সংস্কৃতি আৰু ঐতিহ্যই আমাৰ জাতীয় পৰিচয় দাঙি ধৰে। সাংস্কৃতিক ঐতিহ্য সংৰক্ষণ কৰাটো অতি প্ৰয়োজন, কিয়নো ই আমাক একতাৰ

এনাজৰীৰে বান্ধে। বৈচিত্ৰ্যময় সাংস্কৃতিক ঐতিহ্যৰে অসমে বিভিন্ন সম্প্ৰদায়ৰ মাজত এক আত্মা হিচাপে ইয়াৰ গৌৰৱময় সংস্কৃতিক প্ৰতিফলিত কৰে।

২৪৩। অধ্যক্ষ মহোদয়, ৰাজ্যৰ বাৰেৰহনীয়া সংস্কৃতিৰ সংৰক্ষণ আৰু প্ৰসাৰৰ উদ্দেশ্যে এই বিভাগটোয়ে বহুসংখ্যক পদক্ষেপ গ্ৰহণ কৰিছে। “শিল্পী সম্বৰ্দ্ধনা”ৰ অধীনত আমি কলা-সংস্কৃতিৰ বিভিন্ন ক্ষেত্ৰৰ ২১৬০ গৰাকী শিল্পীক আৰ্থিক সাহায্য প্ৰদান কৰিছোঁ।

২৪৪। এই বিভাগটোৱে ১২২ টা গুৰুত্বপূৰ্ণ পৰিকাঠামোমূলক প্ৰকল্প গ্ৰহণ কৰিছে। সেইসমূহৰ ভিতৰত জালুকবাৰীত ড° ভূপেন হাজৰিকা স্মাৰক, ধুবুৰীৰ চাপৰত শৰৎ চন্দ্ৰ সিংহ সাংস্কৃতিক প্ৰকল্প, শোণিতপুৰৰ পিঠাখোৱাত চন্দ্ৰ নাথ শৰ্মা সাংস্কৃতিক প্ৰকল্প আৰু গোলাঘাটত সতী সাধিনী সাংস্কৃতিক প্ৰকল্প।

২৪৫। বিভাগটোৰ নতুনকৈ প্ৰস্তাৱিত পদক্ষেপসমূহৰ ভিতৰত হ’ল -১০খন জিলাত সাংস্কৃতিক বিকাশ আৰু গৱেষণা কেন্দ্ৰ, তেজপুৰত অসমৰ সাংস্কৃতিক জগতৰ চাৰিগৰাকী পুৰোধা ব্যক্তি (Cultural Icons) নামত উৎসৰ্গিত সংগ্ৰহালয় প্ৰকল্প, শদিয়াত ভীমবৰ দেউৰী সমন্বয় ক্ষেত্ৰ নিৰ্মাণ, শিৱসাগৰত টাই সংগ্ৰহালয়ৰ নৱীকৰণ তথা আধুনিকীকৰণ আৰু তেজপুৰত জ্যোতি ভাৰতী।

২৪৬। তদুপৰি, এই বিভাগটোৱে আলাবৈ, দদৰা আৰু চৰাইদেউ প্ৰত্নতাত্বিক ক্ষেত্ৰৰ উন্নয়নৰ পদক্ষেপ গ্ৰহণ কৰিছে। UNESCO ৰ বিশ্ব ঐতিহ্যৰ চূড়ান্ত তালিকাত চৰাইদেউ প্ৰত্নতাত্বিক ক্ষেত্ৰক অন্তৰ্ভূক্ত কৰাৰ আমি উদ্যোগ গ্ৰহণ কৰিম। আমি শিৱসাগৰত এটি বৈশিষ্টপূৰ্ণ ঐতিহ্যৰ সংগ্ৰাহালয় (Iconic Museum) স্থাপন কৰিম।

২৪৭। শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ বাবে মই তিনি কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

২৪৮। ডিব্ৰুগড়ত এখন কলাক্ষেত্ৰ স্থাপনৰ বাবে মই প্ৰস্তাৱ কৰিছোঁ।

২৪৯। বিভাগটোৰ বাবে বাজেটত মই ১৫১.৩০ কোটি টকাৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## IX. শিক্ষা (প্ৰাথমিক) বিভাগ ঃ

*সামৰি নোলোৱাসকলক গুণগত শিক্ষাৰে অন্তৰ্ভুক্তি*

২৫০। মহোদয়, ৰাজ্যখনৰ ১০০০ খন নিৰ্বাচিত বিদ্যালয়ক উৎকৰ্ষতাৰ কেন্দ্ৰলৈ ৰূপান্তৰ কৰাৰ লক্ষ্যৰে ‘প্ৰত্যাহ্বান’ নামৰ এখন আঁচনি আৰম্ভ কৰা হৈছে।

২৫১। বিদ্যালয়সমূহত বিশেষ প্ৰয়োজনীয়তা থকা ৫৮,২২৪ গৰাকী শিশুক নামভৰ্তি কৰোৱা হ’ব আৰু গৃহভিত্তিক শিক্ষাৰ জৰিয়তে তেওঁলোকক সহায় আগবঢ়োৱা হ’ব।

২৫২। ২০১৭-১৮ বৰ্ষৰ বাজেট ভাষণত মাননীয় বিত্তমন্ত্ৰী ডাঙৰীয়াই উল্লেখ কৰা অনুসৰি ১০ খন নতুন বি.এড মহাবিদ্যালয়ৰ নিৰ্মাণ কাৰ্য চলি আছে। ৪ খন নতুন ডয়েটৰ বাবে ১৯২ টা পদ, ১০ খন নতুন বি. এড মহাবিদ্যালয়ৰ বাবে ৩৯০ টা পদ আৰু দুখন ইন্সটিটিউট অৱ এডভান্স ষ্টাডিজ ইন এডুকেশ্যন (IASE) ৰ বাবে ৩২ টা পদ সৃষ্টিৰ প্ৰক্ৰিয়া চলি আছে।

২৫৩। ২০২২ শৈক্ষিক বৰ্ষৰ বাবে চৰকাৰী/প্ৰাদেশীকৃত বিদ্যালয়ৰ ৩৭,৭৩,৬৪৫ গৰাকী ছাত্ৰ-ছাত্ৰীলৈ আমি বিনামূলীয়া ইউনিফৰ্ম অনুদান প্ৰদান কৰিম।

২৫৪। ৪১,৪৮৫ খন প্ৰাথমিক বিদ্যালয়লৈ বাৰ্ষিক অনুদান মুকলি কৰি দিয়া হ’ব।

২৫৫। ২০২১-২২ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই মুঠ ৯৩৮৯.৫৪ কোটি টকা ধাৰ্য কৰিছোঁ।

## X. উচ্চ শিক্ষা বিভাগ ঃ *আকাশেই সীমা*

২৫৬। মহোদয়, মই পৱিত্ৰ সদনক জনাব বিচাৰো যে ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (RUSA) আঁচনিৰ অধীনত দুখন বিশ্ববিদ্যালয় আৰু ১৪২ খন শিক্ষা প্ৰতিষ্ঠানৰ অনুমোদন জনোৱা হৈছে আৰু ইয়াৰ সৈতে জড়িত বিভিন্ন প্ৰকল্পৰ বাবে ৩৯১.৮০৭ কোটি টকা মুকলি কৰি দিয়া হৈছে। ইতিমধ্যে ৯ খন মহাবিদ্যালয়ত শৈক্ষিক বৰ্ষ আৰম্ভ হৈছে আৰু বাকী কেইখনৰ কাম-কাজ চলি আছে।

২৫৭। ৰাজ্যখনত উচ্চ শিক্ষাৰ সুবিধা সুনিশ্চিত কৰাৰ অৰ্থে মাথো গুৱাহাটী ভিত্তিক নতুনকৈ স্থাপিত বিশ্ববিদ্যালয় কেইখনতেই নহয়, নতুন মহাবিদ্যালয় আৰু নতুন পলিটেকনিক মুকলি, মহাবিদ্যালয়সমূহত বৃত্তিমূলক পাঠ্যক্ৰম আৰু একক শাখা থকা মহাবিদ্যালয়সমূহত অতিৰিক্ত শাখা সংযুক্তকৰণৰ জৰিয়তে এনেধৰণৰ সা-সুবিধা উপলব্ধ কৰিবলৈ বিগত ডেৰ বছৰত ক্ষীপ্ৰ সম্প্ৰসাৰণৰ কাম কৰা হৈছে।

২৫৮। তদুপৰি, দ্বিতীয় পৰ্যায়ত দুখন বিশ্ববিদ্যালয় আৰু ১৩৭ খন মহাবিদ্যালয়ৰ অনুমোদন জনোৱা হৈছে। একেদৰে ২০২১ বৰ্ষত ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ যৌথ প্ৰচেষ্টাত 'ঊষা' আৰু 'জোনাকী' নামৰ দুটা অসমীয়া Unicode Fontsৰ বিকাশ ঘটোৱা হৈছে।

২৫৯। মই এই বিভাগৰ বাবে ২৬১২.৮০ কোটি টকা ধাৰ্য কৰিছোঁ।

## XI. শিক্ষা (মাধ্যমিক শিক্ষা) বিভাগ ঃ *সামৰ্থ্যই সঁচাৰ কাঠী*

২৬০। নৱম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসমূহলৈ বিনামূলীয়া পাঠ্যপুথি প্ৰদান কৰা হ'ব।

২৬১। আমি প্ৰাদেশীকৃত/চৰকাৰী উচ্চ মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ একাদশ আৰু দ্বাদশ শ্ৰেণীত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্তি মাচুল, পাঠদান মাচুলৰ ৰেহাই ব্যৱস্থা অব্যাহত ৰাখিম।

২৬২। নৱম আৰু দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকললৈ বিনামূলীয়া ইউনিফৰ্ম প্ৰদান কৰিম।

২৬৩। ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ সকলো ছাত্ৰীলৈ আমি চেনিটাৰী নেপকিন প্ৰদান কৰিম।

২৬৪। অনলাইন প'ৰ্টেলৰ মাধ্যমত শিক্ষকসকলৰ বদলিকৰণ আৰু নিয়োগ যুক্তিসংগতভাৱে কৰিবলৈ এটা ছফটৱেৰ প্ৰস্তুত কৰা হ'ব।

২৬৫। নতুনকৈ স্থাপন কৰা সাতখন জিলাত এক একক প্ৰশাসনিক ব্লক হিচাপে আমি এটা সংহত বিদ্যালয় পৰিদৰ্শনকাৰী আৰু জিলা প্ৰাথমিক শিক্ষা বিষয়াৰ কাৰ্যালয়ো নিৰ্মাণ কৰিম।

২৬৬। ভিতৰুৱা অঞ্চলসমূহৰ বিদ্যালয়সমূহত কাম কৰি থকা শিক্ষক-শিক্ষয়িত্ৰীসকলৰ নিয়মীয়া উপস্থিতি নিশ্চিত কৰিবলৈ আমি শিক্ষকসকলক কোৱাৰ্টাৰ আৰু হোষ্টেল প্ৰদান কৰিম।

২৬৭। ২০২১-২২ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই মুঠ ৫১৩১.৫১ কোটি টকা ধাৰ্য কৰিছোঁ।

## XII. কাৰিকৰী শিক্ষা বিভাগঃ

২৬৮। অধ্যক্ষ মহোদয়, কাৰিকৰী শিক্ষাৰ বিকাশৰ বাবে বিভাগটোৱে বহুকেইটা পদক্ষেপ গ্ৰহণ কৰিছে।

(ক) বঙাইগাঁও, বিহালী আৰু শুৱালকুছিত তিনিখন নতুন অভিযান্ত্ৰিক মহাবিদ্যালয় আৰু হাজো, মাজুলী আৰু টিংখঙত তিনিখন নতুন পলিটেকনিকৰ নিৰ্মাণ।

(খ) অসম অভিযান্ত্ৰিক মহাবিদ্যালয়ত বহুমুখী দক্ষতা আৰু বহন সম্ভাৱনীয়তাকেন্দ্ৰ (Multi Skilling & Sustainability Centre) স্থাপন।

(গ) বিগত বৰ্ষত প্ৰৱৰ্তন কৰা বৈদেশিক ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচী (Overseas Internship Programme)ৰ অধীনত গ্ৰীষ্মকালীন

বন্ধৰ সময়ছোৱাত চৰকাৰী অভিযান্ত্রিক মহাবিদ্যালয়সমূহৰ ২১ গৰাকী স্নাতক মহলাৰ ছাত্র-ছাত্রীক মার্কিন যুক্তৰাষ্ট্র আৰু বৃটেইনৰ প্রতিষ্ঠিত বিশ্ববিদ্যালয়ত ইণ্টার্ণশ্বিপ কার্যসূচীৰ বাবে প্রেৰণ কৰা হৈছিল।

২৬৯। অধ্যক্ষ মহোদয়, মই এই পৱিত্র সদনক জনাব বিচাৰো যে অভিনৱ কার্যসূচীৰ অধীনত ১০০ গৰাকী মেধাবী ছাত্রীক প্রতি গৰাকীলৈ ৩০,০০০ টকাকৈ এককালীন বৃত্তি প্রদান কৰা হৈছে।

২৭০। পাৰদর্শী কাৰিকৰী কর্মী পাবলৈ চলিত বছৰতে ‘অভিযান্ত্রিক সেৱা নিযুক্তি প্রাধিকৰণ’ গঠন কৰাৰ প্রস্তাৱ কৰা হৈছে।

২৭১। মই এই বিভাগৰ বাবে ৪১০.১৭ কোটি টকা ধার্য কৰিছোঁ।

## XIII. পৰিৱেশ আৰু বন বিভাগ ঃ *সেউজীয়া আৱৰণৰ বৃদ্ধি*

২৭২। বৃহত্তৰ গুৱাহাটীক সেউজীকৰণ কৰাৰ বাবে ৩ বছৰীয়া এক মাষ্টাৰ প্লেন প্রস্তুত কৰা হৈছে।

২৭৩। সংৰক্ষিত বনাঞ্চলত নিয়োজিত প্রথম শাৰীৰ (Frontline) বন কর্মচাৰীসমূহক মাহিলী ২০০০ টকাৰ ৰেচন ভাট্টা দিয়া হ’ব।

২৭৪। আন্তঃৰাজ্যিক সীমান্ত এলেকাত অৱস্থিত বনাঞ্চলসমূহৰ সুৰক্ষাৰ বাবে অসম বন সুৰক্ষা বাহিনীৰ এটা তৃতীয় বেটেলিয়ন গঠন কৰাৰ ব্যৱস্থা কৰা হৈছে।

২৭৫। ২০২০-২১ বর্ষৰ বাজেটত মই এই বিভাগৰ বাবে ৭৩০.১২ কোটি টকা ধার্য কৰিছোঁ।

## XIV. আবকাৰী বিভাগ ঃ *বলবৎকৰণ আৰু নিয়োজিতকৰণ*

২৭৬। বজাৰত বিক্রী হৈ থকা ভেজাল সামগ্রীসমূহক চিনাক্ত কৰিবলৈ প্রতিটো আবকাৰী সামগ্রীৰ বাবে আমি এটা অনুসৰণ আৰু সন্ধান উলিওৱা (Track and Trace) ব্যৱস্থা ৰূপায়ণৰ লগতে এটা একক হল’গ্রামৰো ব্যৱস্থা কৰিম।

২৭৭। ২০২১-২২ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই মুঠ ৭২.৫৪ কোটি টকা ধাৰ্য কৰিছোঁ।

## XV. মীন বিভাগঃ স্ব-নিৰ্ভৰশীলতাই লক্ষ্য

২৭৮। মৎস্য উৎপাদনৰ বাবে জলজ উৎসৰ সম্ভাৱনীয়তাৰ ক্ষেত্ৰত ৰাজ্যখন অতি চহকী। কিন্তু সৰ্বাধিক সামৰ্থ আহৰণ কৰিবলৈ এতিয়াও বাকী। অধ্যক্ষ মহোদয়, এই খণ্ডৰ গুৰুত্ব বিবেচনা কৰি, বিশেষকৈ গ্ৰামীণ জীৱিকাৰ বাবে, ৰাজ্যখনৰ মৎস্য খণ্ডৰ সামগ্ৰিক বিকাশৰ অৰ্থে সম্ভৱপৰ সকলো সমৰ্থন আগবঢ়োৱাত আমি প্ৰতিশ্ৰুতিবদ্ধ।

২৭৯। পূৰ্বতে ধ্বজ্জাবাহী আঁচনিত প্ৰতিফলিত হোৱা মতে সকলো ৰাজহ গাঁৱত মীন পালনৰ বাবে ৰাজহুৱা পুখুৰী খন্দা হ'ব।

২৮০। খুচুৰা মূল্যৰ মাছ বিক্ৰী কেন্দ্ৰ বৃদ্ধি কৰা হ'ব।

২৮১। ২০২০-২১ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই মুঠ ১২২.৬১ কোটি টকাৰ প্ৰস্তাৱ লৈছোঁ।

## XVI. খাদ্য, অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা বিভাগঃ *দুখীয়া উপকৃত হ'বই লাগিব*

২৮২। ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ সামগ্ৰীসমূহৰ বিতৰণৰ ক্ষেত্ৰত স্বচ্ছতা অনাৰ বাবে 'এক ৰাষ্ট্ৰ এক ৰেচন কাৰ্ড' আঁচনি প্ৰৱৰ্তন কৰা হ'ব।

২৮৩। ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ অধীনত কাৰ্ড থকা অনুপযুক্ত লোকৰ নামসমূহ কৰ্তন কৰি যোগ্য হিতাধিকাৰীক অন্তৰ্ভুক্ত কৰাৰ বাবে কঠোৰ পদক্ষেপ লোৱা হ'ব।

২৮৪। ২০২১-২২ বৰ্ষৰ বাবে বাজেটত এই বিভাগটোৰ বাবে মই ৯১৫.০৭ কোটি টকা নিৰ্ধাৰণ কৰিছোঁ।

## XVII. সাধাৰণ প্ৰশাসন বিভাগ ঃ *প্ৰশাসনৰ কেন্দ্ৰ*

২৮৫। বিভিন্ন কাৰণত বিশেষকৈ চিকিৎসাৰ বাবে পুডুচেৰীলৈ যোৱা ৰোগীসকলৰ বাবে পুডুচেৰীত এটা অসম ভৱন নিৰ্মাণ কৰা হ'ব।

২৮৬। সংহত উপায়ুক্তৰ কাৰ্যালয় ভৱন আৰু আৱৰ্ত ভৱন নিৰ্মাণৰ প্ৰস্তাৱ লোৱা হৈছে।

২৮৭। জনতা ভৱনৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলক থকা-মেলাৰ উন্নত সুবিধা প্ৰদানৰ বাবে ৰুক্মিণীগাঁৱৰ ওচৰত দুটা আৱাসিক ভৱন (G+9) নিৰ্মাণৰ পৰিকল্পনা লোৱা হৈছে।

২৮৮। সুলভ মূল্যত দৈনন্দিন ঘৰুৱা সামগ্ৰী ক্ৰয়ৰ সুবিধা হোৱাকৈ জনতা ভৱনত কৰ্মচাৰীসকলৰ বাবে এটা সমবায় ডিপাৰ্টমেণ্টেল ষ্টোৰ স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে।

২৮৯। জনতা ভৱনৰ ভিতৰত এটা অতিৰিক্ত ব্লক আমি নিৰ্মাণ কৰিম।

২৯০। যান-বাহন ৰখাৰ সুবিধা হোৱাকৈ জনতা ভৱনত বহু তৰপীয়া কাৰ পাৰ্কিং ব্যৱস্থা গঢ়ি তোলা হ'ব।

২৯১। ২০২০-২১ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই ৭২১.৩০ কোটি টকা ধাৰ্য কৰিছোঁ।

## XVIII. হস্ততাঁত, বস্ত্ৰ আৰু ৰেচম বিভাগঃ *বয়নেই ভৱিষ্যৎ*

২৯২। এই খণ্ডটো অধিক সংগঠিত ৰূপত গঢ় দিবলৈ আমি হস্ততাঁত আদৰ্শ গাঁওসমূহ স্থাপন কৰিম।

২৯৩। বজাৰৰ সৈতে সংযোগ স্থাপন কৰিবলৈ সুবিধা প্ৰদানৰ বাবে খানাপাৰাৰ মুগাপামত আমি এখন সোণালী সূতাৰ উদ্যান (Golden Silk Park) স্থাপন কৰিম।

২৯৪। চেন্নাই, কলকাতা, শ্বিলং আৰু মুম্বাইত থকা অসম ভৱনত আমি

নতুন এম্প’ৰিয়াম স্থাপন কৰিম।

২৯৫। এই বিভাগটোৰ বাবে ২০২১-২২ বৰ্ষৰ বাজেটত মই মুঠ ৩৭৭.১৮ কোটি ধাৰ্য কৰিছোঁ।

## XIX. স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগ ঃ

***গুণগত মানৰ সৈতে বৰ্দ্ধিত পৰিসৰৰ বাবে যাত্ৰা অব্যাহত***

২৯৬। মই পূৰ্বৰ ভাষণত এই বিভাগৰ কিছু কাম-কাজৰ বিষয়ে ইতিমধ্যে উল্লেখ কৰিছোঁ।

২৯৭। বিগত পাঁচ বছৰত স্বাস্থ্য বিভাগত অসম চৰকাৰে লাভ কৰা দ্ৰুত সফলতাৰ বিষয়ে উল্লেখ কৰিবলৈ পাই মই অতিশয় আনন্দিত হৈছোঁ।

২৯৮। গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালৰ ব্লাড বেংক উন্নীত কৰা হ’ব।

২৯৯। লখিমপুৰ চিকিৎসা মহাবিদ্যালয় আৰু নগাঁও চিকিৎসা মহাবিদ্যালয়ত উপাদান পৃথকীকৰণ গোট (Component Separation Unit) ৰ সুবিধাসহ আমি দুটা নতুন ব্লাড বেংক স্থাপন কৰিম।

৩০০। “আয়ুষ্মান ভাৰত-প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনা”ৰ অধীনত ১৩৫০ টা স্বীকৃত প্ৰক্ৰিয়াত প্ৰায় ২৭ লাখ টা পৰিয়ালে নগদ ধনবিহীন চিকিৎসাৰ সুবিধা লাভ কৰিব পাৰিব।

৩০১। উত্তৰ লখিমপুৰ মহাবিদ্যালয়ত ১০০ গৰাকী এম বি বি এছ ছাত্ৰ-ছাত্ৰীৰে সৈতে শৈক্ষিক বৰ্ষ আৰম্ভ কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

৩০২। ৰাজ্যখনত চিকিৎসা মহাবিদ্যালয়ৰ সংখ্যা ২০খনলৈ বৃদ্ধি কৰাৰ বাবে প্ৰস্তাৱ লোৱা হৈছে। বৰ্তমান অসমত প্ৰায় ১০০০ খন এম বি বি এছ আৰু ৭১১খন স্নাতকোত্তৰ শ্ৰেণীৰ আসন আছে। চিকিৎসা মহাবিদ্যালয়কেইখনৰ কাম-কাজ আৰম্ভ হোৱাৰ পিছত এই আসনৰ সংখ্যা অধিক বৃদ্ধি কৰা হ’ব।

৩০৩। বিশ্বনাথ, চৰাইদেউ, মাজুলী, পশ্চিম কাৰ্বি আংলং আৰু দক্ষিণ শালমাৰাত থকা মহকুমা হাস্পতালকেইখনক জিলা হাস্পতাললৈ উন্নীত কৰাৰ প্ৰস্তাৱ লোৱা হৈছে।

৩০৪। হাইলাকান্দি জিলাৰ এছ কে ৰয় অসামৰিক চিকিৎসালয়ত আমি ১০০ খন বিছনাযুক্ত এটা এম চি এইচ উইং (MCH Wing) স্থাপন কৰিম।

৩০৫। ২০২১-২২ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই মুঠ ৭০০৪.৩৫ কোটি টকা ধাৰ্য কৰিছোঁ।

## XX. পাৰ্বত্য অঞ্চল বিভাগ ঃ *ঈশ্বৰৰ দান*

৩০৬। মাননীয় অধ্যক্ষ মহোদয়, কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদ আৰু উত্তৰ কাছাৰ পাৰ্বত্য স্বায়ত্তশাসিত পৰিষদ দুখন ৰাজ্য চৰকাৰৰ ন'ডেল বিভাগ হিচাপে পাৰ্বত্য এলেকা বিভাগৰ দ্বাৰা পৰিচালিত হয়। অসমৰ পাৰ্বত্য এলেকাসমূহত শান্তি-শৃংখলা অটুট ৰখাৰ অৰ্থে বৰ্তমান চৰকাৰ ইয়াৰ সৰ্বাংগীণ আৰ্থ-সামাজিক বিকাশ আৰু বহনক্ষম উন্নয়নৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ। খোৱা পানী যোগান আৰু পৰ্যটন খণ্ডত গুৰুত্ব প্ৰদান কৰিবলৈ প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

৩০৭। এই বিভাগৰ বাবে ২০২১-২২ বৰ্ষৰ বাজেটত মই মুঠ ২২০৮.৫৮ কোটি টকা ধাৰ্য কৰিছোঁ।

## XXI. গৃহ বিভাগ ঃ *অসমৰ সুৰক্ষা*

৩০৮। অধ্যক্ষ মহোদয়, আৰক্ষী চৰকাৰৰ মুখমণ্ডলস্বৰূপ আৰু ই এক বহল পৰিসৰৰ নিৰ্দিষ্ট কাৰ্য আৰু সেৱা সামৰি লয়। যিবিলাক সমাজৰ সুৰক্ষাৰ বাবে অতীব প্ৰয়োজন।

৩০৯। মৈত্ৰী (MOITRI– Mission for Overall Improvement of Thana for Responsive Image) প্ৰকল্পৰ অধীনত আমি ৬২ খন আৰক্ষী থানা নিৰ্মাণ আৰু উন্নীতকৰণৰ কাম সম্পূৰ্ণ কৰিছোঁ। বাকী ১১ খন থানাৰ কাম চলি আছে। দ্বিতীয় পৰ্যায়ত ৭৬ খন আৰক্ষী থানা চিনাক্ত কৰা হৈছে।

৩১০। “Citizen Financial Cyber Fraud Reporting Management System” প্ৰকল্পৰ অধীনত অপৰাধ অনুসন্ধান বিভাগে (CID) সৰ্বভাৰতীয় হেল্পলাইন নম্বৰ ১৫৫২৬০ সহ চৌবিশ ঘণ্টাই সেৱা আগবঢ়োৱা ‘হেল্পডেস্ক’ (Helpdesk) আৰম্ভ কৰিছে। এই সেৱা আৰম্ভ কৰাৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখন হৈছে দেশৰ ভিতৰত অষ্টমখন ৰাজ্য।

৩১১। মই ঘোষণা কৰিবলৈ পাই সুখী হৈছোঁ যে “নিৰ্ভয়া পুঁজি” আঁচনিৰ অধীনত অসমৰ বিভিন্ন জিলাত ‘চাইবাৰ’ ফৰেন্‌চিক পৰীক্ষাগাৰ তথা প্ৰশিক্ষণ আৰু নতুন মানৱ সৰবৰাহ বিৰোধী গোট (Cyber Forensic Lab cum Training and new Anti-Human Trafficking Units) স্থাপনৰ বাবে ভাৰত চৰকাৰে সাহায্য প্ৰদান কৰিছে।

৩১২। মহোদয়, অবৈধ অনুপ্ৰৱেশকাৰী আৰু সন্দেহজনক বিদেশী চিনাক্তকৰণ আৰু বহিষ্কৰণৰ বাবে আমাৰ চৰকাৰে অসম আৰক্ষীৰ সীমান্ত সংস্থা আৰু ইয়াৰ ই-গভৰ্নেন্স পদক্ষেপৰ সহযোগত বৰ্তমানে থকা বিদেশী চিনাক্তকৰণ ন্যায়াধিকৰণ আৰু সীমান্ত আৰক্ষীৰ কায়িক ব্যৱস্থাৰ সৈতে তথ্য-প্ৰযুক্তি ব্যৱস্থাৰ সংযোজন ঘটাইছে।

৩১৩। ৩১ টা অগ্নি নিৰ্বাপন আৰু জৰুৰীকালীন সেৱা কেন্দ্ৰৰ বাবে আমি আন্তঃগাঁথনি সৃষ্টিৰ কাম আৰম্ভ কৰিছোঁ।

৩১৪। কোনো এটা অপৰাধৰ ক্ষেত্ৰত যথোপযুক্ত আৰু ক্ষিপ্ৰ ন্যায় প্ৰদান তথা ফৰেনচিক বিজ্ঞান সেৱা সম্প্ৰসাৰণৰ প্ৰচেষ্টা হিচাপে আমাৰ চৰকাৰে যোৰহাট, শিলচৰ, ডিব্ৰুগড়, তেজপুৰ আৰু বঙাইগাঁৱত পাঁচটা আঞ্চলিক ফৰেনচিক বিজ্ঞানাগাৰ নিৰ্মাণৰ কাম হাতত লৈছে।

৩১৫। মই এই বিভাগৰ বাবে বাজেটত ৫৬৫৯.৭৪ কেটি টকাৰ প্ৰস্তাৱ

করিছোঁ।

## XXII গৃহনির্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগঃ *নতুন দিগন্তৰ সূচনা*

৩১৬। গুৱাহাটী উন্নয়ন বিভাগ আৰু নগৰ উন্নয়ন বিভাগ দুটাক একত্ৰিত কৰিবলৈ লোৱা হৈছে আৰু এই দুয়োটা বিভাগ এতিয়াৰে পৰা 'গৃহনিৰ্মাণ আৰু নগৰ পৰিক্ৰমা (Housing and Urban Affairs)' নামৰ একক বিভাগ হিচাপে জনা যাব।

৩১৭। অধ্যক্ষ মহোদয়, নাগৰিকসকলক মৌলিক সা-সুবিধা প্ৰদান আৰু মহানগৰ আন্তঃগাঁথনিৰ উন্নীতকৰণেই হ'ব এই বিভাগটোৰ প্ৰধান লক্ষ্য। একেদৰে অৰ্থনৈতিক প্ৰগতিৰ ইঞ্জিন হিচাপে মহানগৰীসমূহক আগবঢ়াই নিয়াটোও আন এক লক্ষ্য হিচাপে বিবেচনা কৰা হ'ব।

৩১৮। সমগ্ৰ অসমৰ অৰ্থনৈতিকভাৱে পিছপৰা লোকসকলৰ বাবে অসম গৃহ নিৰ্মাণ পৰিষদে সুলভ মূল্যৰ আবাস নিৰ্মাণ কৰি আছে।

৩১৯। মহোদয়, গুৱাহাটীবাসী ৰাইজৰ বাবে মহানগৰখনক এখন বানপানীমুক্ত মহানগৰ হিচাপে গঢ়ি তুলিব পৰাকৈ আমি কাম কৰি আছোঁ। কামাখ্যা, পাণবজাৰ আৰু সাতপুখুৰীত পানী যোগান আঁচনি সংযোজনৰ কামো কৰি আছোঁ।

৩২০। কৰ্কট ৰোগীসকলৰ বাবে এটা নতুন আশ্ৰয় স্থল নিৰ্মাণৰ বাবেও আমি পৰিকল্পনা হাতত লৈছোঁ।

## XXIII. উদ্যোগ আৰু বাণিজ্য বিভাগঃ *সৰ্বাংগীণ বিকাশ সৃষ্টি*

৩২১। উদ্যোগ আৰু বাণিজ্য বিভাগটো ৰাজ্যখনত ঔদ্যোগিক পৰিৱেশ গঢ়ি তুলি ইয়াক বৰ্তাই ৰাখি আমাৰ যুৱক-যুৱতীসকলৰ বাবে নিয়োগৰ সুবিধা সৃষ্টি কৰাৰ বাবে দায়বদ্ধ।

৩২২। এইক্ষেত্ৰত ৰাজ্যখনক এক আকৰ্ষণীয় বিনিয়োগস্থলী হিচাপে গঢ়ি তুলিবলৈ আমি বিভিন্ন পদক্ষেপ, যেনে "Ease of Doing Business", বিত্তীয় আৰু অন্যান্য উদগনিমূলক আঁচনি ৰূপায়ণ,

ঔদ্যোগিক লেণ্ড বেংক স্থাপন আদি ব্যৱস্থা লৈছোঁ।

৩২৩। বিনিয়োগকাৰীসকলক আকৰ্ষণ কৰাৰ লগতে তেওঁলোকক যথাযোগ্য সহায়-সহযোগিতা আগবঢ়োৱাৰ উপৰিও ব্যৱসায়িক সুচলতা (Ease of Doing Bussiness) সুনিশ্চিত কৰাৰ উদ্দেশ্যে আমি পেচাদাৰী যুৱকৰ এটা উৎসৰ্গিত দল নিয়োগৰ ব্যৱস্থা কৰিম।

৩২৪। শিলচৰ, বঙাইগাঁও, তেজপুৰ আৰু ডিব্ৰুগড়ত উদ্যোগৰ বাবে 'Nano Incubation Centre' স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে।

৩২৫। ৰাজ্যখনৰ ১০০ খন ঔদ্যোগিক উদ্যানৰ বিকাশৰ বাবে এক অভিলাষী পৰিকল্পনা গ্ৰহণ কৰিবলৈ বিভাগে প্ৰস্তাৱ লৈছে।

৩২৬। মই ক্ষুদ্ৰ চাহ খেতিয়কসকলৰ সৈতে আলোচনাত মিলিত হৈ তেওঁলোকৰ সমস্যা সমাধানৰ প্ৰচেষ্টা হাতত ল'ম।

৩২৭। ২০২১-২২ বৰ্ষৰ বাবে বাজেটত এই বিভাগটোৰ বাবে মই ২২২.৫৪ কোটি টকা নিৰ্ধাৰণ কৰিছোঁ।

**XXIV. তথ্য আৰু জনসংযোগ বিভাগ ঃ *ৰাজ্যখনক সংযোগকৰণ***

৩২৮। আমাৰ চৰকাৰে অসমৰ এক্ৰেডিটেড আৰু স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলৰ মেধাবী সন্তানসকলৰ বাবে এককালীন বিত্তীয় অনুদান প্ৰদানৰ বাবে প্ৰস্তাৱ কৰিছে। অসম মাধ্যমিক শিক্ষা পৰিষদ আৰু কেন্দ্ৰীয় বৰ্ডৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকললৈ ৩০,০০০ টকাকৈ প্ৰদান কৰিবলৈ লোৱা হৈছে। একেদৰে অসম মাধ্যমিক শিক্ষা সংসদ আৰু কেন্দ্ৰীয় বৰ্ডৰ অধীনত উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ লাভ কৰা ছাত্ৰ-ছাত্ৰীসকলক ৫০,০০০ টকাকৈ আমি প্ৰদান কৰি আছোঁ।

৩২৯। এক্ৰেডিটেড আৰু স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলৰ চিকিৎসাৰ বাবে আমি বিত্তীয় সাহায্যও প্ৰদান কৰি আছোঁ।

৩৩০। আমাৰ চৰকাৰে সাংবাদিকসকললৈ প্ৰতি মাহে ৮,০০০ টকাকৈ এক পেঞ্চনো প্ৰদান কৰি আছে। এতিয়ালৈকে ৮০ গৰাকী সাংবাদিক আৰু ২০ গৰাকী অৱসৰপ্ৰাপ্ত সাংবাদিক এই আঁচনিৰ দ্বাৰা উপকৃত হৈছে। ২০২০-২১ বৰ্ষত ২০ গৰাকী সংবাদ সেৱাৰ লগত জড়িত ব্যক্তিলৈ ৫০,০০০ টকাৰ এককালীন অনুদান আগবঢ়োৱা হৈছে। এই আঁচনিসমূহ অব্যাহত ৰাখিবলৈ আমি পৰিকল্পনা কৰিছোঁ।

৩৩১। চৰকাৰক প্ৰদান কৰা সেৱাৰ বিপৰীতে সংবাদ প্ৰতিষ্ঠানক বিজ্ঞাপনৰ বিলবোৰ চিলিংমুক্ত কৰা হ'ব।

৩৩২। এই বিভাগৰ বাবে মই ১১৭.৮১ কোটি টকা প্ৰস্তাৱ কৰিছোঁ।

**XXV. তথ্য-প্ৰযুক্তি বিভাগ ঃ ৰাজ্যক সংযোগকাৰী**

৩৩৩। অধ্যক্ষ মহোদয়, এই বিভাগৰ লক্ষ্য হৈছে ৰাজহুৱা সেৱাৰ বাবে প্ৰযুক্তি সম্পৰ্কীয় বিষয়ত চৰকাৰক তথ্য আৰু নিৰ্দেশনা প্ৰদান কৰা। এই লক্ষ্যৰে বিভাগটোৱে অসমত ২১ লাখতকৈ অধিক প্ৰশিক্ষাৰ্থীক প্ৰশিক্ষণ দিয়াৰ লগতে ১৬ লাখতকৈ অধিক প্ৰশিক্ষাৰ্থীক প্ৰামাণিকৃত কৰিছে।

৩৩৪। এই বিভাগটোৱে সকলো পঞ্জীয়ন আৰু স্ক্ৰীনিং কেন্দ্ৰত দূৰসংযোগ স্থাপন (Network Connectivity) আৰু অনলাইন শ্ৰেণীসমূহৰ ক্ষেত্ৰত ক'ভিড-১৯ ডাটা বেচৰ বাবে গুৰুত্বপূৰ্ণ সা-সুবিধা, তথ্য-প্ৰযুক্তি সঁজুলি আদি যোগান ধৰি আছে।

৩৩৫। মহোদয়, UMANG ম'বাইল প্লেটফৰ্মৰ অধীনত সোতৰটা নাগৰিক সেৱা বৰ্তমান উপলব্ধ হৈ আছে, য'ত ১২১৫টা সাধাৰণ সেৱা কেন্দ্ৰ (CSCs) আৰু ২১২টা ৰাজহুৱা সুবিধা কেন্দ্ৰই সহায়-সহযোগিতা আগবঢ়াইছে। মহোদয়, বিভাগটোৱে অত্যাধুনিক (State of the Art) তথ্য কেন্দ্ৰৰ কাম ৰূপায়ণ কৰিছে। AMTRON এ ৰাজ্যখনত উচ্চ গতিসম্পন্ন আন্তঃৰাষ্ট্ৰীয় ইণ্টাৰনেট গে'টৱে (IIG)ও স্থাপন কৰিছে।

৩৩৬। এই বিভাগটোৰ বাবে ২০২১-২২ বৰ্ষৰ বাজেটত মই মুঠ ৩০.৬৪

কোটি টকা ধাৰ্য কৰিছোঁ।

## XXVI. জলসিঞ্চন বিভাগঃ *সম্ভাৱনীয়তা উন্মুক্তকৰণ*

৩৩৭। প্ৰতিটো বিধানসভা সমষ্টিৰ বাবে এটাকৈ উপ-সংমণ্ডল প্ৰদানৰ দ্বাৰা এই বিভাগটোৰ পুনৰ গঠন প্ৰক্ৰিয়াৰ বাবে প্ৰস্তাৱ আগবঢ়োৱা হৈছে।

৩৩৮। কুলসী বহুমুখী প্ৰকল্প নামৰ এটা নতুন প্ৰকল্পৰ কাম হাতত লোৱা হ'ব, যিটোৱে ৫৫ মেগাৱাট শক্তি উৎপাদন কৰিব আৰু ২০,৫০০ হেক্টৰ কৃষিভূমিত জলসিঞ্চনৰ ব্যৱস্থা কৰিব।

৩৩৯। প্ৰধানমন্ত্ৰী কৃষি সিচাঁই যোজনা (PMKSY)- হৰ খেত কো পানী (HKKP)ৰ অধীনত অন্যান্য কৃষকসকলৰ লগতে ৰাজ্যখনৰ ১০,০০০ গৰাকী ক্ষুদ্ৰ চাহ খেতিয়কক আমি এই আঁচনিৰ অধীনত আনিবলৈ সিদ্ধান্ত লৈছোঁ আৰু তেওঁলোকক সৌৰ বৈদ্যুতিক টিউৱবেল প্ৰদান কৰা হ'ব।

৩৪০। এই বিভাগটোৰ বাবে ২০২১-২২ বৰ্ষৰ বাজেটত মই মুঠ ১২৪৫.৮৫ টকা ধাৰ্য কৰিছোঁ।

## XXVII. ন্যায়িক বিভাগ ঃ *আইনৰ শাসন*

৩৪১। এইটো কোৱা হয় যে 'ন্যায় প্ৰদানত বিলম্ব হোৱা মানে ন্যায় দানৰ পৰা বঞ্চিত কৰা'। এখন নাগৰিককেন্দ্ৰীক চৰকাৰ হিচাপে আমি সদায় ৰাজ্যৰ ন্যায়িক ব্যৱস্থাটোৰ প্ৰতি অগ্ৰাধিকাৰ দি আহিছোঁ, যাতে ন্যায় প্ৰদানত বিলম্ব নহয় নাইবা ন্যায় প্ৰদানৰ পৰা কাকো বঞ্চিত কৰা নহয়। ন্যায় ব্যৱস্থাটোলৈ গুণগত আন্তঃগাঁথনি প্ৰদানৰ দ্বাৰা সম্ভাব্য সকলো সুবিধা প্ৰদান কৰাটো হৈছে আমাৰ চৰকাৰৰ অগ্ৰাধিকাৰৰ বিষয়।

৩৪২। আমাৰ চৰকাৰে আৰু ১০ খন বিশেষ পছক' (POSCO) আদালত স্থাপন কৰাৰ বাবে ইতিমধ্যে অনুমোদন জনাইছে আৰু ইয়াৰে ছয় (৬)খনৰ কাম-কাজ ইতিমধ্যে আৰম্ভ হৈছে। বাকীকেইখন আদালত

চলিত বিত্তীয় বৰ্ষৰ ভিতৰতে কাৰ্যক্ষম হ'ব।

৩৪৩। আমাৰ চৰকাৰে ৰাষ্ট্ৰীয় আইন মহাবিদ্যালয় আৰু ন্যায়িক একাডেমী (NLUJAA) ৰ প্ৰথম পৰ্যায়ৰ কাম সম্পূৰ্ণ হোৱাৰ পিছত দ্বিতীয় পৰ্যায়ৰ নিৰ্মাণকাৰ্যৰ বাবেও অনুমোদন জনাইছে।

৩৪৪। তেজপুৰত ন্যায়িক বিষয়াৰ বাবে এটা অতিথিশালা স্থাপনৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

৩৪৫। ২০২১-২২ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই মুঠ ৫৯৩.৫৪ কোটি টকা ধাৰ্য কৰিছোঁ।

## XXVIII. শ্ৰম আৰু কল্যাণ বিভাগ ঃ *আমাৰ মুখ্য অগ্ৰাধিকাৰ*

৩৪৬। অধ্যক্ষ মহোদয়, ক'ভিড অতিমাৰীৰ প্ৰেক্ষাপটত অনলাইন যোগে সেৱা প্ৰদান কৰাৰ অৰ্থে শ্ৰম আৰু কল্যাণ বিভাগে তথ্য-প্ৰযুক্তি সেৱাৰ এলানি ব্যৱস্থা হাতত লৈছে আৰু ইয়াৰ দ্বাৰা এই বিভাগৰ সেৱা প্ৰদান কাৰ্য বৃদ্ধি হ'ব।

৩৪৭। মহোদয়, আমাৰ চৰকাৰে অনুধাৱন কৰিছে যে মটৰ পৰিবহণ কৰ্মীসকল হ'ল আটাইতকৈ শোষিত শ্ৰেণীৰ ভিতৰত এটা শ্ৰেণী। ইয়াৰ লগত প্ৰায় ২ লাখ কৰ্মচাৰী জড়িত হৈ আছে আৰু এই কৰ্মচাৰীসকলৰ মৃত্যু/দুৰ্ঘটনা, শৈক্ষিক সাহায্য আৰু গুৰুতৰ ৰোগত আক্ৰান্ত হোৱাৰ সময়ত বিভিন্ন সুবিধা প্ৰদান কৰি তেওঁলোকক সামাজিক সুৰক্ষাৰ অধীনলৈ আনিবলৈ আমি প্ৰতিশ্ৰুতিবদ্ধ।

৩৪৮। ইয়াৰ লগতে আমি ক্ষুদ্ৰ চাহ বাগিচা কৰ্মীসকলৰ অৱস্থাৰ বিষয়েও জ্ঞাত আৰু তেওঁলোকৰ মৃত্যু/দুৰ্ঘটনা, শৈক্ষিক সাহায্য আৰু গুৰুতৰ ৰোগত আক্ৰান্ত হোৱাৰ সময়ত সা-সুবিধা প্ৰদান কৰিবলৈ আমি আগ্ৰহী।

৩৪৯। ২০২১-২২ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই মুঠ ৯৮.৯৬ কোটি

ধাৰ্য কৰিছোঁ।

**XXIX. বিধায়িনী বিভাগ ঃ *বিবাদৰ নিষ্পত্তি, ন্যায় প্ৰদান***

৩৫০। বিধায়িনী বিভাগে ২০২০ বৰ্ষত ২৬ খন আৰু ২০২১ বৰ্ষত ১৪খন আইন প্ৰস্তুত কৰাৰ লগতে উপস্থাপন কৰিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰি, অসম ৰাজপত্ৰত মুঠ ১০খন অধ্যাদেশো প্ৰকাশ পাইছে।

৩৫১। অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণ (ASLSA)-এ মুঠ ১০,০২৭ গৰাকী ব্যক্তিক আইনী সেৱা প্ৰদান কৰিছে। ২০২০-২১ বৰ্ষত ৰাষ্ট্ৰীয় লোক আদালতৰ জৰিয়তে নিষ্পত্তিৰ বাবে মুঠ ৮১,৬৪৫ টা গোচৰ গ্ৰহণ কৰা হৈছে আৰু ইয়াৰে ৫,৯৯৬ টা গোচৰ নিষ্পত্তি কৰা হৈছে।

৩৫২। ২০২১-২২ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মই মুঠ ১৭.৭১ কোটি টকা ধাৰ্য কৰিছোঁ।

**XXX. খনি আৰু খনিজ সম্পদ বিভাগ ঃ *প্ৰকৃতিৰ দান***

৩৫৩। মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে জানো যে অসমখন প্ৰাকৃতিক সম্পদ বিশেষকৈ খনি আৰু খনিজ সম্পদৰ ক্ষেত্ৰত চহকী ৰাজ্য। অৱশ্যে অতীতত বিজ্ঞানসন্মতভাৱে ইয়াৰ সম্ভাৱনীয়তাক ব্যৱহাৰ কৰিবলৈ যথোপযুক্ত গুৰুত্ব প্ৰদান কৰা হোৱা নাছিল।

৩৫৪। মহোদয়, আমাৰ এই সম্পদসমূহৰ সম্ভাৱনীয়তা আমি উপলব্ধি কৰিছোঁ আৰু এই সম্পদ আহৰণ কৰিবলৈ তথা ৰাজ্যখনৰ ৰাজহ বৃদ্ধি কৰিবলৈ উপযুক্ত পদক্ষেপ লোৱা হৈছে।

৩৫৫। এই বিভাগৰ বাবে মই ৬৩.৩৭ কোটি টকা ধাৰ্য কৰিছোঁ।

**XXXI. পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ ঃ *সমৃদ্ধিশালী গ্ৰামাঞ্চল***

৩৫৬। অধ্যক্ষ মহোদয়, অসমৰ গ্ৰামাঞ্চলত আৰ্থ-সামাজিক বিকাশ ত্বৰান্বিত

কৰাৰ অৰ্থে দৰিদ্ৰতা দূৰীকৰণ আৰু আন্তঃগাঁথনি উন্নয়নৰ উদ্দেশ্যে বিভাগটোৱে বহুসংখ্যক গুৰুত্বপূৰ্ণ আঁচনি ৰূপায়ণ কৰি আছে।

৩৫৭। মহাত্মা গান্ধী এনৰেগাৰ অধীনত ২০২০-২১ বিত্তীয় বৰ্ষত অনুমোদিত মজুৰি বাজেট ৯ কোটি কৰ্মদিনৰ বিপৰীতে বিভাগে ৯.১৩ কোটি কৰ্মদিন সৃষ্টি কৰিছিল, যিটো নিৰ্ধাৰিত লক্ষ্যৰ ১০১.৫২ শতাংশ। আনহাতে, চলিত বিত্তীয় বৰ্ষত ৬.৫০ কোটি অনুমোদিত মজুৰি বাজেটৰ বিপৰীতে কৰ'না অতিমাৰীৰ মাজতো এতিয়ালৈকে ৰাজ্যখনে ২.৩৩ কোটি কৰ্মদিন সৃষ্টি কৰিছে। পূৰ্বৱৰ্তী আৰু চলিত বিত্তীয় বৰ্ষত যথাক্ৰমে ২৫২৫.২৬ কোটি টকা আৰু ৫৭৬.৫১ কোটি টকা এই আঁচনিত ব্যৱহাৰ কৰা হৈছে। লগতে সম্পূৰ্ণ হোৱা কামৰ ৯৯.৯৪ শতাংশ সম্পদ জিঅ' টেগ কৰা হৈছে।

৩৫৮। ৩,৭২,৮১০ সংখ্যক ব্যক্তিগত সম্পদ আৰু ৮২২ টা ৰাজহুৱা সম্পদ সৃষ্টি কৰি আত্ম-সহায়ক গোটৰ উপাৰ্জন ৫০,০০০ টকা পৰ্যন্ত বৃদ্ধি কৰাৰ লক্ষ্যৰে 'স্বনিৰ্ভৰ নাৰী আত্মনিৰ্ভৰ অসম' আৰু 'মুখ্যমন্ত্ৰী দিব্যাংগজন আত্মনিৰ্ভৰ আঁচনি' ৰূপায়ণ কৰা হৈছে।

৩৫৯। ৰাষ্ট্ৰীয় গ্ৰাম্য স্বৰাজ অভিযানৰ অধীনত ৰাজ্যিক পঞ্চায়ত আৰু গ্ৰামোন্নয়ন প্ৰতিষ্ঠান (SIPRD), অসমে বড়োলেণ্ড পাৰিষদীয় এলেকা (BTR) এলেকাৰ আত্মসমৰ্পণকাৰী বড়ো উগ্ৰপন্থীসকলৰ আত্মনিয়োজনৰ বাবে কোকৰাঝাৰত দক্ষতা বিকাশৰ প্ৰশিক্ষণ কাৰ্যসূচী আৰম্ভ কৰিছে। ই বড়োলেণ্ড পাৰিষদীয় এলেকাৰ ৪০০০ যুৱক-যুৱতীক সামৰি ল'ব।

৩৬০। অধ্যক্ষ মহোদয়, পঞ্চদশ বিত্ত আয়োগৰ অনুদানৰ নিৰ্ধাৰিত পুঁজিৰ অধীনত খোৱাপানী, অনাময়, গোটা আৱৰ্জনা ইত্যাদিৰ দৰে খণ্ডসমূহত ১৩,৫০৩খন আঁচনি হাতত লোৱা হৈছে আৰু শিথিল পুঁজিৰ অধীনত (পথ, শিক্ষা, গ্ৰাম্য আবাস গৃহ নিৰ্মাণ, সমাজ কল্যাণৰ দৰে খণ্ডসমূহ) ৯,৩২৪ খন আঁচনি লোৱা হৈছে, যাৰ ভিতৰত ৬৭৯ খন আঁচনি সম্পূৰ্ণ কৰা হৈছে আৰু বাকী থকাকেইখনৰ কাম চলি আছে।

৩৬১। মহোদয়, মহিলা সবলীকৰণৰ অৰ্থে গ্ৰহণ কৰা ধ্বজাবাহী আঁচনি কনকলতা মহিলা সবলীকৰণ যোজনা আৰু ইয়াৰ বৰ্দ্ধিত সংস্কৰণৰ বিস্তাৰিত কনকলতা মহিলা সবলীকৰণ যোজনাৰ অধীনত মুঠ ২.৩৮ লাখ আত্মসহায়ক গোটে মুঠ ৩৫৪.৮৭ কোটি টকা ঘূৰ্ণীয়মাণ পুঁজি হিচাবে লাভ কৰিছে।

৩৬২। মহোদয়, আমাৰ চৰকাৰখনে ইতিমধ্যে 'জীৱিকা সখী' সকললৈ ৪,২৩৮ খন স্কুটী প্ৰদান কৰাৰ উপৰি চলিত বিত্তীয় বৰ্ষত অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান (ASRLM) ৰ অধীনত সামূহিক কৰ্মী (Community Cadre) সকললৈ ৮,০৮৫ খন স্কুটী প্ৰদান কৰিবলৈ পদক্ষেপ লৈছে।

৩৬৩। অধ্যক্ষ মহোদয়, 'দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনা (DDU-GKY)' ৰ অধীনত অট'মোবাইল, হেলথ্‌কেয়াৰ আদিৰ দৰে বিভিন্ন ক্ষেত্ৰত নিয়োজিত হ'ব পৰাকৈ মুঠ ৫২,৭৯৩ গৰাকী গ্ৰাম্য দুখীয়া যুৱকক প্ৰশিক্ষিত কৰি তোলা হৈছে আৰু মুঠ ২৯.৫৪০ গৰাকী যুৱক-যুৱতীক বিভিন্ন সংগঠনত কৰ্মসংস্থাপন দিয়া হৈছে। গ্ৰাম্য আত্মনিয়োজন প্ৰশিক্ষণ প্ৰতিষ্ঠান (RSETI) ৰ অধীনত আত্মনিয়োজনৰ বাবে ১,০৭,৮৩৩ গৰাকী যুৱক-যুৱতীক প্ৰশিক্ষণ দিয়া হৈছে।

৩৬৪। মই এই বিভাগটোৰ বাবে ৮০২৩.৬৯ টকাৰ প্ৰস্তাৱ কৰিছোঁ।

## XXXII. পেঞ্চন আৰু ৰাজহুৱা ওজৰ-আপত্তি বিভাগ

৩৬৫। অনলাইন পেঞ্চন দাখিল আৰু ইয়াৰ স্থিতি নিৰীক্ষণৰ বাবে আমি 'কৃতজ্ঞতা' (KRITAGYATA) নামৰ এটা প'ৰ্টেল ৰূপায়ণৰ ব্যৱস্থা কৰিছোঁ। এই ব্যৱস্থাই শিক্ষা বিভাগ (প্ৰাদেশিকীকৃত বিদ্যালয়) আৰু প্ৰাদেশিকীকৃত PRI কৰ্মচাৰীসকলৰ পেঞ্চন সম্পৰ্কীয় বিষয়সমূহকো সামৰি ল'ব।

৩৬৬। ২০২০-২১ বৰ্ষৰ বাজেটত মই এই বিভাগৰ বাবে ৭৬৬.৫২ কোটি টকা ধাৰ্য কৰিছোঁ।

## XXXIII. কৰ্মচাৰী বিভাগ ঃ *ভৱিষ্যতৰ বাবে সাজু দল গঠন*

৩৬৭। এই চৰকাৰে মেধাৰ ওপৰত ভিত্তি কৰি অসামৰিক বিষয়াৰে গঠিত ভৱিষ্যতৰ বাবে সাজু দল গঠন কৰিবলৈ বদ্ধপৰিকৰ।

৩৬৮। অধ্যক্ষ মহোদয়, যোৱা বছৰৰ বাজেটত দিয়া প্ৰতিশ্ৰুতি অনুসৰি ৰাজ্য চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে বয়সৰ উৰ্ধতম সীমা ৩৮ ৰ পৰা ৪০ বছৰলৈ বৃদ্ধি কৰা হৈছে। চৰকাৰী চাকৰিয়ালক উপকৃত কৰিবৰ বাবে এই বিভাগে সামাজিক সুৰক্ষা পুঁজিৰ অধীনত ধন মোকলাই দিছে।

৩৬৯। অসম লোক সেৱা আয়োগ (APSC)ৰ ব্যাপক সংস্কাৰ সাধন কৰা হৈছে। যাৰ ফলত আয়োগে অধিক স্বচ্ছ পদ্ধতিৰে বিভিন্ন পদৰ নিযুক্তি প্ৰক্ৰিয়া সফলতাৰে সম্পন্ন কৰিবলৈ সক্ষম হৈছে।

৩৭০। ২০২০-২১ বৰ্ষৰ বাজেটত মই এই বিভাগৰ বাবে ২৩.১৮ কোটি টকা ধাৰ্য কৰিছোঁ।

## XXXIV. শক্তি (বিদ্যুৎ) বিভাগ ঃ *সৰ্বাংগীণ বিকাশ ত্বৰান্বিতকৰণ*

৩৭১। অধ্যক্ষ মহোদয়, ট্ৰেন্সফৰ্মাৰৰ সামৰ্থ্য বৃদ্ধি আৰু সৰবৰাহ লাইনৰ নিৰ্মাণৰ বাবে বৰ্তমানে চলি থকা তিনিটা প্ৰকল্প ৰূপায়ণৰ কাম অসম বিদ্যুৎ গ্ৰীড নিগম লিমিটেড (AEGCL)-এ অব্যাহত ৰাখিব। অতিৰিক্তভাৱে উপ-কেন্দ্ৰ আৰু সৰবৰাহ লাইন সম্পৰ্কীয় ৮ টা নতুন প্ৰকল্পৰ নিৰ্মাণৰ কাম হাতত লোৱা হৈছে।

৩৭২। পেঞ্চন নিধিৰ ঘাটি পূৰণ কৰিবলৈ সাহায্য প্ৰদান কৰা হ'ব।

৩৭৩। ২০২১ চনৰ ৩১ মাৰ্চলৈকে থকা তিনিওটা বিদ্যুৎ সেৱা প্ৰতিষ্ঠান (Utilites)ৰ সকলো ঋণ আৰু অনুদান ইকুইটিলৈ ৰূপান্তৰ কৰাৰ

লগতে এনেধৰণৰ ঋণৰ ওপৰত বাকী থকা সুদ ৰেহাই দিয়াৰ বাবে আমাৰ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে।

৩৭৪। মহোদয়, ২০২৬-২৭ বৰ্ষ পৰ্যন্ত আনুমানিক বিদ্যুতৰ চাহিদা পূৰণ কৰিবলৈ লোৱাৰ লগতে বৰ্তমানৰ বিদ্যুৎ যোগান ব্যৱস্থাটো শক্তিশালী কৰাৰ বাবে AEGCL য়ে Enhancement of intra-State Transmission System of Assam নামৰ এটা প্ৰকল্পৰ প্ৰস্তাৱ গ্ৰহণ কৰিছে। এই প্ৰকল্পটোৰ বাবে এছিয়ান আন্তঃগাঁথনি বিনিয়োগ বেংক (AIIB)য়ে পুঁজিৰ যোগান ধৰিব। প্ৰকল্পটোৰ অধীনত সমগ্ৰ ৰাজ্যখনত বিদ্যুৎ সৰবৰাহ লাইনৰ লগতে বিভিন্ন ভল্টেজ স্তৰৰ ২৪ টা নতুন উপকেন্দ্ৰ নিৰ্মাণ কৰা হ'ব।

৩৭৫। মহোদয়, ডিমা হাচাও আৰু কাৰ্বি আংলং জিলাত এক ১২০ মেগাৱাট শক্তিসম্পন্ন নামনি কপিলী জলবিদ্যুৎ প্ৰকল্প ৰূপায়ণ কৰা হ'ব। ইয়াৰ লগতে নামৰূপত ১০০ মেগাৱাট শক্তিসম্পন্ন ৰিপ্লেচমেণ্ট শক্তি প্ৰকল্প আৰু মাজুলীত ২০ মেগাৱাট শক্তিসম্পন্ন আন এটা প্ৰকল্পৰ কাম আৰম্ভ কৰা হ'ব।

৩৭৬। নামৰূপত আন এটা ১০০ মেগাৱাট শক্তিসম্পন্ন গেছ ভিত্তিক গোট স্থাপনৰ বাবে প্ৰস্তাৱ লোৱা হৈছে।

৩৭৭। 'জ্যোতিষ্মান অসম'ৰ অধীনত সমাজৰ অনগ্ৰসৰ লোকসকলক বিনামূলীয়াকৈ বিদ্যুৎ যোগানৰ লগতে সকলো শ্ৰেণীৰ গ্ৰাহকৰ বাবে শুল্ক ৰেহাইৰ ব্যৱস্থা কৰা হ'ব। আনহাতে, বিলম্বিত পৰিশোধৰ ক্ষেত্ৰত থকা উপ-কৰ এৰাই চলাৰ বাবে পৰ্যাপ্ত পৰিমাণৰ এটা ঘূৰ্ণীয়মান পুঁজি সৃষ্টি কৰা হ'ব।

৩৭৮। মহোদয়, লোকচানপ্ৰৱণ এলেকাসমূহ চিনাক্তকৰণৰ বাবে সঠিক বিদ্যুতৰ হিচাপ আৰু হিচাপ পৰীক্ষা নিশ্চিত কৰিবলৈ ৯০,৮৩১ টা বিতৰণ ট্ৰেন্সফৰ্মাৰত মিটাৰ বহুওৱা হ'ব। অধিক লোকচান হোৱা এলেকাসমূহ চিনাক্তকৰণ আৰু ইয়াৰ কাৰণসমূহ নিৰ্দ্ধাৰণ কৰাৰ

উদ্দেশ্যে সঠিক বিদ্যুতৰ হিচাপৰ বাবে 33KV আৰু 11KV ফিডাৰত ১,০৫১ টা মিটাৰ বহুওৱা হ'ব।

৩৭৯। মহোদয়, বহিঃ সাহায্যপ্ৰাপ্ত প্ৰকল্পৰ অধীনত ব্যাপক আন্তঃগাঁথনিৰ উন্নয়নৰ পদক্ষেপ লোৱা হৈছে। ইয়াৰ জৰিয়তে ১,১৪০ টা স্থানত ১৯৬ টা নতুন 33/11 KV উপকেন্দ্ৰ গঠন কৰা হ'ব। ইয়াৰ উপৰিও পাৰ্বত্য এলেকা আৰু বিদ্যুৎ যোগান বিঘ্নিত এলেকাত 33KV আৰু 11 KV ফিডাৰত আধুনিকীকৰণ আৰু পুনৰুজ্জীৱিতকৰণৰ জৰিয়তে বিদ্যুৎ সৰবৰাহৰ লাইন আৰু উপ-কেন্দ্ৰসমূহৰো আধুনিকীকৰণৰ ব্যৱস্থা লোৱা হৈছে।

৩৮০। মই এই বিভাগটোৰ বাবে ৪৩৯৪.৯৬ কোটি টকাৰ প্ৰস্তাৱ লৈছো।

## XXXV. ছপা আৰু মুদ্ৰণ

৩৮১। অধ্যক্ষ মহোদয়, চৰকাৰী ছপাশালৰ সামগ্ৰিক কাৰ্যকুশলতা বৃদ্ধিৰ উদ্দেশ্যে ইয়াৰ আধুনিকীকৰণৰ প্ৰয়োজন হৈছে। এই সন্দৰ্ভত আমি নতুন যন্ত্ৰপাতি স্থাপনৰ প্ৰস্তাৱ লৈছোঁ, যিয়ে চৰকাৰী ছপাশালটোৰ উৎপাদনশীলতা বৃদ্ধিৰ লগতে উৎপাদন ব্যয়ো হ্ৰাস কৰিব।

৩৮২। ২০২০-২১ বৰ্ষৰ বাজেটত মই এই বিভাগৰ বাবে ৪১.৮৯ কোটি টকা ধাৰ্য কৰিছোঁ।

## XXXVI. ৰাজহুৱা প্ৰতিষ্ঠান ঃ *পুনৰুজ্জীৱিতকৰণৰ দিশত*

৩৮৩। ৰাজ্যখনৰ ৰুগ্ন উদ্যোগকসমূহক পুনৰুজ্জীৱিত কৰাৰ বাবেই নহয়, ৰাজ্যিক ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহক দক্ষভাৱে পৰিচালনা কৰা আৰু সেইসমূহক স্থায়ী আৰু লাভজনক কৰি তোলাৰ বাবেও আমাৰ চৰকাৰে সকলোধৰণৰ প্ৰয়োজনীয় প্ৰচেষ্টা গ্ৰহণ কৰিছে।

৩৮৪। অধ্যক্ষ মহোদয়, ২০২০-২১ বিত্তীয় বৰ্ষত আমাৰ চৰকাৰে নুমলীগড় ৰিফাইনাৰী লিমিটেডত অসম চৰকাৰৰ অংশীদাৰী মূলধন (Share

Capital Holding) বৰ্তমান ১২.৩৫ শতাংশৰ পৰা ২৬ শতাংশলৈ বৃদ্ধি কৰিছে। সেই অনুসৰি ১,০০০ কোটি টকা ইতিমধ্যে আদায় দিয়া হৈছে আৰু বাকীখিনি ধন চলিত বিত্তীয় বৰ্ষত আদায় দিয়া হ'ব।

৩৮৫। মহোদয়, ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে—

(i) ৰাজহুৱা প্ৰতিষ্ঠান বাছনি পৰিষদৰ দ্বাৰা প্ৰাৰ্থী বাছনিৰ বাবে অনলাইনযোগে আবেদন-পত্ৰ প্ৰাপ্তি ব্যৱস্থা (Online Application Receipt System) ৰূপায়ণৰ অৰ্থে পৰিকাঠামো আৰু কৰ্মপন্থা প্ৰস্তুত কৰি আছে।

(ii) অসমৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ কাম-কাজ উন্নত কৰাৰ অৰ্থে এই প্ৰতিষ্ঠানসমূহৰ কৰ্মচাৰীসকলৰ বাবে ভাৰত চৰকাৰৰ আৰ্হিত ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে (Online Performance Appraisal and Reveiw (PAR) System ৰূপায়ণৰ বাবে পৰিকাঠামো আৰু কৰ্মপন্থা যুগুত কৰি আছে।

৩৮৬। এই বিভাগৰ বাবে মই ১.৪৭ কোটি টকা ধাৰ্য কৰিছোঁ।

## XXXVII. জনস্বাস্থ্য কাৰিকৰী বিভাগ ঃ *নিৰ্মল পানী, নিৰ্মল অসম*

৩৮৭। অধ্যক্ষ মহোদয়, গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়াললৈ পৰিষ্কাৰ খোৱাপানী যোগান ধৰিবলৈ আমাৰ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। ২০২৪ চনৰ ভিতৰত জল জীৱন অভিযানৰ অধীনত প্ৰতিটো পৰিয়ালকে সামৰি ল'ব পৰা যাব বুলি আমি দৃঢ় বিশ্বাসী।

৩৮৮। এই বিভাগে ৪,৩৩,৭৮৯ টা ব্যক্তিগত ঘৰুৱা শৌচাগাৰ আৰু ১,১৪৯ টা সামূহিকভাৱে পৰিচালিত অনাময় চৌহদ (Community Managed Complex) নিৰ্মাণ কৰিছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ সহযোগত ৰূপায়ণ কৰা গোটা-জুলীয়া আৱৰ্জনা ব্যৱস্থাপনা আঁচনি কাৰ্যকৰী কৰাৰ বাবে ২,৫৫০ খন গাঁও নিৰ্বাচন কৰা হৈছে।

২০২০-২১ বৰ্ষৰ পৰা জৈৱিকভাৱে পচনশীল আৰু অপচনশীল আৱৰ্জনা ব্যৱস্থাপনাৰ বাবে সামগ্ৰী সংগ্ৰহ আৰু পৰিবহণৰ বাবে বাহন ক্ৰয় আৰু লেতেৰা পানী নিষ্কাষণৰ গাঁত ব্যৱস্থাপনাৰ উন্নয়ন আদিৰ কাম-কাজ চলি আছে।

৩৮৯। ২০২০-২১ বৰ্ষৰ বাজেটত মই এই বিভাগৰ বাবে ১২০৪.৩৬ কোটি টকা ধাৰ্য কৰিছোঁ।

## XXXVIII. লোক নিৰ্মাণ (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগ ঃ

*শক্তিশালী ৰাষ্ট্ৰৰ বাবে আন্তঃগাঁথনিৰ নিৰ্মাণ*

৩৯০। অধ্যক্ষ মহোদয়, বিগত ৫ বছৰত বৃহৎ আন্তঃগাঁথনিগত প্ৰকল্পসমূহৰ দ্ৰুত ৰূপায়ণ আমি প্ৰত্যক্ষ কৰিছোঁ আৰু গড়কাপ্তানি (গৃহ আৰু ৰাষ্ট্ৰীয় ঘাইপথ) বিভাগে আগবঢ়োৱা সেৱাৰ মই শলাগ লৈছোঁ।

৩৯১। উত্তৰ লখিমপুৰ, ধুবুৰী আৰু নগাঁও জিলাত থকা জিলা/ৰেফাৰেল হাস্পতালৰ লগত সংলগ্ন নতুন চিকিৎসা মহাবিদ্যালয়সমূহৰ নিৰ্মাণকাৰ্য পূৰ্ণগতিত চলি আছে। তদুপৰি, চৰাইদেউ আৰু বিশ্বনাথ চিকিৎসা মহাবিদ্যালয়ৰ লগতে নলবাৰী, তিনিচুকীয়া আৰু কোকৰাঝাৰত নতুন চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালকেইখনৰ নিৰ্মাণকাৰ্য আৰম্ভ কৰা হৈছে। গুৱাহাটী আৰু গোৱালপাৰাত নতুন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণৰ কাম অচিৰেই আৰম্ভ কৰাৰ বাবে পৰিকল্পনা কৰিছোঁ।

৩৯২। মহোদয়, মই আপোনাক জনাবলৈ পাই সুখী হৈছোঁ যে ভেলোৰত এটা নতুন অসম ভৱন নিৰ্মাণৰ কাম প্ৰায় সম্পূৰ্ণ হোৱাৰ পথত আৰু বিভাগে দ্বাৰকা (নতুন দিল্লী)ত নতুন অসম ভৱন নিৰ্মাণ, চাণক্যপুৰি (নতুন দিল্লী) আৰু কলকাতাৰ ৰাচেল ষ্ট্ৰীটত অসম ভৱন পুনৰ নিৰ্মাণৰ পৰিকল্পনা কৰিছোঁ। তদুপৰি গুৱাহাটীত সন্মিলন কেন্দ্ৰ তথা ৰাজ্যিক অতিথিশালা নিৰ্মাণৰ কাম হাতত লোৱা হৈছে আৰু ইয়াৰ

কাম চলি আছে।

৩৯৩। আমাৰ বৈচিত্ৰ্যময় সাংস্কৃতিক অখণ্ডতা অটুট ৰখাৰ অৰ্থে নাৰায়ণপুৰ (লখিমপুৰ)ত শ্ৰীমাধৱদেৱ কলাক্ষেত্ৰ, সাংস্কৃতিক আৰু পৰ্যটনস্থলী হিচাপে বটদ্ৰবা থানৰ উন্নয়ন সাধন আৰু আৰু ঢেকীয়াজুলিত সন্মিলন গৃহসহ ছহিদ উদ্যানৰ উন্নয়ন সাধনৰ লেখীয়া প্ৰকল্পসমূহ আৰম্ভ কৰা হৈছে। শোণিতপুৰ জিলাৰ জামুগুৰিহাটত বাৰেচহৰীয়া ভাওনাথলীৰ কাম আৰু গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত ছহিদ স্মাৰক ক্ষেত্ৰ তথা স্মাৰক উদ্যানৰ কাম চলি আছে।

৩৯৪। মই এই বিভাগৰ বাবে ৯৮৮.৯২ টকাৰ প্ৰস্তাৱ কৰিছো।

## XXXIX. লোক নিৰ্মাণ (পথ) বিভাগ ঃ *অসমক সংযোগ কৰি*

৩৯৫। অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যখনত যোগাযোগৰ ক্ষেত্ৰত স্থল সংযোগৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। লোক নিৰ্মাণ (পথ) বিভাগটোৱে যোৱা ৫ বছৰত এই বিভাগে কেবা হাজাৰ কিলোমিটাৰ দৈৰ্ঘৰ পথ আৰু ১০০০ তকৈ অধিক সংখ্যক পকী দলং নিৰ্মাণ কৰিছে। এই যাত্ৰা, অধ্যক্ষ মহোদয়, অনাগত বৰ্ষসমূহতো অব্যাহত থাকিব।

৩৯৬। পথ যোগাযোগ ব্যৱস্থা উন্নত কৰিবলৈ কৰ্মৰত এই বিভাগে হেৰোৱা আঁতৰ পম খেদি কৰা কামৰ ভিতৰত অন্যতম হিচাপে লখিমপুৰৰ ঘূণাসুঁতিত সোৱণশিৰি নদী আৰু কুমাৰীকটাত পাগলদিয়া নদীৰ ওপৰত দলং নিৰ্মাণৰ ব্যৱস্থা কৰিছে।

৩৯৭। পলাশবাৰী আৰু শুৱালকুছি সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত বৃহৎ দলং নিৰ্মাণৰ প্ৰস্তাৱ কৰা হ'ব।

৩৯৮। ২০২৩ ৰ আগষ্ট মাহৰ ভিতৰত গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ব্ৰহ্মপুত্ৰৰ দলঙৰ নিৰ্মাণ সম্পূৰ্ণ হৈ উঠিব।

৩৯৯। ড'নাৰ মন্ত্ৰালয়ৰ পুঁজিৰে NESIDS আঁচনিত গ্ৰহণ কৰা ৩ টা প্ৰকল্প,

যথাক্ৰমে—

(ক) যোৰহাটৰ লেভেল ক্ৰচিং গে'টত ৩ টা পথযুক্ত (থ্ৰি-লে'ন) অভাৰব্ৰিজ।

(খ) দিয়ুংমুখ হৈ লংকাৰ পৰা উমৰাংছুলৈ দুটা পথযুক্ত (টু-লে'ন) ৰাস্তা নিৰ্মাণ আৰু

(গ) শিৱসাগৰৰ চিৰিপুৰীয়া ঘাটত দিখৌ নৈৰ ওপৰত পকী দলঙৰ লগতে আজানপীৰ দৰগাহ হৈ চিৰিপুৰীয়াৰ পৰা ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথলৈ ৰাস্তা নিৰ্মাণৰ কাম বৰ্তমানে চলি আছে।

৪০০। মহোদয়, 'নাবাৰ্ড'ৰ সৈতে কৰা বন্দোবস্ত অনুসৰি RIDF ৰ পুঁজিৰ পৰা উত্তৰ-পূৰ সীমান্ত ৰে'লৱেই (খৰচ ভাগ- বটোৱাৰাৰ ভিত্তিত) ৯ খন ৰে'ল অভাব্ৰিজ নিৰ্মাণ কৰিব, ইয়াৰ দ্বাৰা লেভেল ক্ৰচিং সমূহত সৃষ্টি হোৱা যান-বাহনৰ ভিৰ পাতলিব।

৪০১। মই এই বিভাগৰ বাবে ৮৫৮৩.৩৭ টকাৰ প্ৰস্তাৱ কৰিছো।

## XL. ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগ ঃ

***দেশ আৰু জনসাধাৰণৰ প্ৰতি দায়বদ্ধতা***

৪০২। অধ্যক্ষ মহোদয়, মই এতিয়া ৰাজহ বিভাগৰ বিভিন্ন কাম-কাজ আৰু সফলতাৰ বিষয়ে কবলৈ ওলাইছোঁ। এই বিভাগে সকলো প্ৰকাৰৰ ৰাজহ প্ৰশাসন যেনে চৰকাৰী ভূমিৰ ব্যৱস্থাপনা নীতি প্ৰৱৰ্তন, ভূমি সংস্কাৰ, ভূমিলেখ্য ব্যৱস্থাপনা, ভূমি অধিগ্ৰহণ, ভূমি প্ৰশাসন, ভূমি ৰাজহ, অসম জৰীপ সংগঠনৰ প্ৰশাসন, প্ৰাকৃতিক দুৰ্যোগৰ সময়ত সাহায্য অভিযান আদি বিষয় সমূহৰ তদাৰক কৰে।

৪০৩। অসম জৰীপ আৰু নিষ্পত্তি প্ৰশিক্ষণ কেন্দ্ৰটো উৎকৰ্ষ কেন্দ্ৰলৈ উন্নীত কৰা হ'ব।

৪০৪। অৰুন্ধতী আঁচনিৰ অধীনত ৭,৪৭১ গৰাকী হিতাধিকাৰীক উপকৃত কৰি সোণ ক্ৰয় কৰাৰ অৰ্থে ৪০ হাজাৰ টকাকৈ আৰ্থিক সাহায্য

প্ৰদান কৰা হৈছে।

৪০৫। মহোদয়, আমাৰ চৰকাৰে বিভিন্নধৰণে নৃশংসতাৰ বলি হোৱাসকলৰ বাবে আৰ্থিক সাহায্যৰ পৰিমাণ তলত দিয়া ধৰণে বঢ়াই দিছে।

- সন্ত্ৰাসবাদীৰ হাতত প্ৰাণ হেৰুওৱা লোকসকলৰ আৰ্থিক সাহায্য ৩ লাখৰ পৰা ৫ লাখলৈ বৃদ্ধি।
- ৰাজহুৱা স্থানত দুৰ্ঘটনাৰ বলি হোৱা লোকৰ ক্ষেত্ৰত এক লাখৰ পৰা দুই লাখলৈ বৃদ্ধি।
- সম্পূৰ্ণৰূপে অক্ষম হৈ পৰা ব্যক্তিৰ বাবে ২ লাখৰ পৰা ৩ লাখলৈ বৃদ্ধি।

৪০৬। মহোদয়, আমাৰ চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনা পদ্ধতি শক্তিশালী কৰিবৰ বাবে প্ৰগতিশীল ৰূপত সম্পদসমূহৰ ব্যৱহাৰ কৰি তলত উল্লেখ কৰা ধৰণে প্ৰতিকাৰমূলক ব্যৱস্থা গ্ৰহণ কৰিছে—

(i) বানপানীৰ ভয়াবহতাৰ সৈতে মোকাবিলা কৰিবলৈ দূৰ সংবেদন প্ৰযুক্তিত বিনিয়োগ

(ii) ভয়াবহ বতৰৰ আগজাননী ব্যৱস্থা।

(iii) জৰুৰীকালীন পৰিচালন কেন্দ্ৰসমূহ শক্তিশালী কৰা আৰু ৰাজহ চক্ৰ ভিত্তিত দ্ৰুত সঁহাৰি বাহিনী গঠন।

৪০৭। মই এই বিভাগটোৰ বাবে ২৮০৯.২৪ টকাৰ প্ৰস্তাৱ আগবঢ়াইছোঁ।

## XLI. বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ ঃ

***প্ৰযুক্তি কৰ্মৰ প্ৰতি মানুহক আগ্ৰহান্বিত কৰা***

৪০৮। ৰাজ্যখনত বিজ্ঞান আৰু প্ৰযুক্তি বিকাশক উৎসাহিত কৰাৰ অৰ্থে প্ৰযুক্তি সেৱাসমূহৰ লাভালাভ ৰাইজৰ মাজলৈ লৈ যোৱাৰ বাবে বিভিন্ন পদক্ষেপ হাতত লোৱা হৈছে।

৪০৯। জলবায়ু পৰিবৰ্তন স্থিতিস্থাপক সমাজৰ দিশত আমাৰ প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ এটা নতুন উৎকৃষ্ট প্ৰতিষ্ঠান হিচাপে বিভাগটোক আমি

বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন হিচাপে পুনৰ নামকৰণ কৰিছো।

৪১০। উদ্ভাৱক, পৰামৰ্শদাতা, পুঁজি যোগানধাৰী এক্সেলেৰেটৰচ্ আৰু ইনকিউবেটৰচ্‌সকলৰ সহযোগিতাৰে শক্তিশালী আৰু উৎসাহী নেটৱৰ্কৰ সৈতে গুৱাহাটী বায়’টেক পাৰ্কে উদ্যমিতা আৰু উদ্ভাৱনৰ গতিশীল পৰিবেশতন্ত্ৰ গঢ় দিয়াৰ লক্ষ্য হাতত লৈছে। প্ৰযুক্তি ইনকিউবেচন কেন্দ্ৰ (TIC) আৰু ব্যৱসায়িক উদ্যোগ ক্ষেত্ৰ (BZ)ই অঞ্চলটোত বায়’টেক উদ্যোগৰ বিকাশক উৎসাহিত কৰিব।

৪১১। বিকল্প শক্তিৰ উৎস সৃষ্টিত AEDA (অসম শক্তি উন্নয়ন সংস্থা)য়ে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আছে আৰু প্ৰায়োগিক সৌৰশক্তি গৱেষণাত গুৰুত্ব প্ৰদান কৰি যোৰহাটত উত্তৰ-পূব নৱীকৰণযুক্ত শক্তি গৱেষণা পৰীক্ষাগাৰ (NEREL) হিচাপে গৱেষণা আৰু উন্নয়ন (R & D) সাধনত সা-সুবিধা প্ৰদান কৰা হৈছে।

৪১২। এই বিভাগটোৰ বাবে বাজেটত মই ৩২.১৮ টকাৰ প্ৰস্তাৱ আগবঢ়াইছো।

## XLII. সচিবালয় প্ৰশাসন বিভাগ ঃ *সেৱাই আমাৰ মূলমন্ত্ৰ*

৪১৩। অধ্যক্ষ মহোদয়, সচিবালয় প্ৰশাসন বিভাগটো হ’ল অসম সচিবালয়ৰ স্নায়ুকেন্দ্ৰ। বিভাগটোৱে উন্নত প্ৰশাসন আৰু অধিক স্বচ্ছতা অনাৰ বাবে বিভিন্ন তথ্য-প্ৰযুক্তিগত ব্যৱস্থা ৰূপায়ণৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে।

৪১৪। ২০২০-২১ বৰ্ষৰ বাজেটত মই এই বিভাগৰ বাবে ৪৫৩.৮৮ কোটি টকা ধাৰ্য কৰিছোঁ।

## XLIII. দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগ

৪১৫। উত্তৰ-পূব ভাৰতত উচ্চ পৰ্যায়ৰ কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষা তথা প্ৰশিক্ষণ (TVET) প্ৰতিষ্ঠানৰ ক্ষেত্ৰত অসমক বাটকটীয়া হিচাপে প্ৰতিষ্ঠা কৰিবলৈ অসম দক্ষতা বিশ্ববিদ্যালয়ৰ কাম আগবঢ়াই নিবলৈ

প্ৰস্তাৱ কৰা হৈছে।

৪১৬। উত্তৰ-পূব দক্ষতা কেন্দ্ৰ (NESC) গুৱাহাটীয়ে ITEES ছিংগাপুৰৰ সহযোগিতাত খুচুৰা, অতিথি সেৱা আৰু সৌন্দৰ্য তথা সু-স্বাস্থ্য খণ্ডত প্ৰতিবছৰে ৪০০ যুৱক-যুৱতীক প্ৰশিক্ষণ দিবলৈ আন্তঃৰাষ্ট্ৰীয় মানৰ সমপৰ্যায়ৰ এবছৰীয়া প্ৰশিক্ষণ কাৰ্যসূচী আগবঢ়োৱাৰ জৰিয়তে উৎকৃষ্টতাৰ অভিযান চলোৱাৰ লক্ষ্য লৈছে।

৪১৭। মানসম্পন্ন দক্ষ মানৱ শক্তিৰ বাবে IT-ITES খণ্ডত সৃষ্টি হোৱা সাম্প্ৰতিক চাহিদা পূৰণ কৰিবলৈ কম্পিউটাৰ হাৰ্ডৱেৰ, ছফট্‌ৱেৰ আৰু অট'মেচন ইত্যাদি ক্ষেত্ৰত এটা উৎকৃষ্টতাৰ কেন্দ্ৰৰ প্ৰস্তাৱ কৰা হৈছে। তদুপৰি ITI সমূহক নামভৰ্তিকৰণৰ ক্ষমতা বৃদ্ধিৰে শক্তিশালী কৰি তোলা হৈছে আৰু ITI সমূহৰ কাম-কাজ উন্নত কৰি তুলিবলৈ PPP আৰ্হিত নতুন নতুন ITI স্থাপন কৰা হৈছে। ঔদ্যোগিক অংশীদাৰী হিচাপে আগশাৰীৰ PSU আৰু কৰ্প'ৰেটৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত কৰা হৈছে।

৪১৮। আধাৰভিত্তিক তথ্য পৰীক্ষাৰ জৰিয়তে নিয়োগ বিনিময় কেন্দ্ৰসমূহত চাকৰিৰ প্ৰাৰ্থীসকলৰ নাম পঞ্জীয়ণৰ অনলাইন প্ৰক্ৰিয়া ৰূপায়ণ কৰা হৈছে, যিয়ে চাকৰিৰ প্ৰাৰ্থীসকলৰ বাবে এখন বহল মঞ্চ মুকলি কৰিব।

৪১৯। এই বিভাগৰ বাবে মই ২০২১-২২ বৰ্ষৰ বাজেটত ১৭৫.৬৬ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

## XLIV. সমাজ কল্যাণ বিভাগ ঃ *সংস্কাৰতেই আছে আচল চাবিকাঠি*

৪২০। অধ্যক্ষ মহোদয়, আমাৰ সমাজৰ প্ৰতিগৰাকী সদস্যই বিশেষকৈ মহিলা, শিশু, দিব্যাংগ, জ্যেষ্ঠ নাগৰিক আৰু উপান্ত লোকসকলে উন্নয়নৰ সুবিধা লাভ কৰাটো নিশ্চিত কৰিবলৈ এই বিভাগটো সাৰ্বজনীন

সামাজিক সুৰক্ষা উপায়সমূহৰ ৰূপায়ণ আৰু সুৰক্ষাৰ প্ৰধান বিভাগ (Nodal Agency)।

৪২১। শাৰীৰিক বিকাশৰ ক্ষেত্ৰত থকা বিসংগতি আৰু পৰিপুষ্টিহীনতা, ৰক্তহীনতা (শিশু, কিশোৰী আৰু মহিলাৰ মাজত) জন্মতে কম ওজন থকা ইত্যাদি সমস্যাসমূহ হ্ৰাস কৰিবলৈ সমগ্ৰ ৰাজ্যতে 'পোষণ অভিযান' আঁচনিখন ৰূপায়ণ কৰা হৈছে।

৪২২। মহিলা সবলীকৰণৰ বাবে বিভাগে বিভিন্ন আঁচনি/কাম-কাজ যেনে- প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা, বেটী বচাও বেটী পঢ়াও, কিশোৰীৰ বাবে আঁচনি (বৰ্তমান ২২খন জিলাত), গাৰ্হস্থ্য হিংসাৰ পৰা মহিলাৰ সুৰক্ষা, বৃত্তিমুখী শিক্ষা তথা পুনৰ সংস্থাপন কেন্দ্ৰ (VTRC),'ৱান ষ্টপ চেণ্টাৰ', মহিলাৰ হেল্পলাইন, কৰ্মৰত মহিলাৰ হোষ্টেল, উজ্জ্বলা, স্বধৰ গ্ৰেহ (Swadhar Greh), ৰাজ্যিক মহিলা আয়োগ, মহিলাৰ বাবে ৰাজ্যিক সমল কেন্দ্ৰ, মহিলা শক্তি কেন্দ্ৰ ইত্যাদিৰ কাম হাতত লৈছে। তদুপৰি, চৰকাৰে মহিলা হেল্পলাইন '১৮১' আৰম্ভ কৰাৰ বাবে বিবেচনা কৰিছে।

৪২৩। গোৱালপাৰা আৰু যোৰহাটত কৰ্মৰত মহিলাসকল থকাৰ সুবিধা গঢ়ি তোলাৰ বাবে আঁচনি মুকলি কৰা হৈছে।

৪২৪। দিব্যাংগ লোকসকলক মাহিলি ১০০০ টকাকৈ দীনদয়াল দিব্যাংগজন পেঞ্চন প্ৰদান কৰি আছে। এই আঁচনিখনৰ জৰিয়তে এতিয়ালৈ ১,৬০,৬১২ গৰাকী লোক উপকৃত হৈছে।

৪২৫। এই বিভাগৰ বাবে মই ২০২১-২২ বৰ্ষৰ বাজেটত ২০১১.৬১ কোটি টকা প্ৰস্তাৱ কৰিছোঁ।

## XLV. ভূমি সংৰক্ষণ বিভাগ ঃ

*সৰ্বাংগীণ বিকাশৰ বাবে অৱক্ষয়প্ৰাপ্ত এলেকাৰ সংৰক্ষণ*

৪২৬। অধ্যক্ষ মহোদয়, ভূমি সংৰক্ষণ বিভাগৰ প্ৰাথমিক উদ্দেশ্য হ'ল ভূমিৰ অৱক্ষয় হ্ৰাস কৰা, ভূমিৰ আৰ্দ্ৰতা বৃদ্ধি কৰা, কৃষি উৎপাদন আৰু মুঠ খেতিপথাৰ বৃদ্ধি কৰিবলৈ বৰষুণৰ পানী সংৰক্ষণ কৰা, তাৰ দ্বাৰা

দুতৰপৰীয়া কৃষি কৰাত খেতিয়কক সহায় কৰা।

৪২৭। দুতৰপীয়া শস্য উৎপাদনৰ বাবে ভূমি সংস্কাৰ কৰিবলৈ প্ৰধানমন্ত্ৰী কৃষি সিঁচাই যোজনা (PMKSY) ৰ অধীনত জলচ্ছেদ উন্নয়নৰ বাবে বিভাগটো দায়বদ্ধ, এইক্ষেত্ৰত যোৱা পাঁচ বছৰত ৪৮৮২৫ লাখ টকা ব্যয়েৰে ২২৮ টা জলচ্ছেদ প্ৰকল্পৰ কাম আমি সম্পূৰ্ণ কৰিছোঁ।

৪২৮। মই এই বিভাগৰ বাবে ২৪৫.২০ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

## XLVI. ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগ ঃ *এক উদ্যম এক দল*

৪২৯। মহোদয়, আমি সকলো একমত যে ক্ৰীড়াই সামাজিক আৰু সাংস্কৃতিক ক্ষেত্ৰখনৰ সমন্বয় সাধনেৰে সমগ্ৰ জাতিটোকে একতাৰ ডোলেৰে বান্ধে আৰু ইয়াৰ দ্বাৰা ৰাষ্ট্ৰীয়তাবাদ আৰু সংহতিক উৎসাহ প্ৰদান কৰে।

৪৩০। অধ্যক্ষ মহোদয়, ৰাজ্যখনৰ সফল ক্ৰীড়াবিদসকলক উপযুক্ত সুবিধা প্ৰদান কৰাৰ উদ্দেশ্যে সংহত ক্ৰীড়া নীতিৰ যথোচিত সংশোধন কৰা হৈছে। শ্ৰীমতী হিমা দাসক অসম আৰক্ষী সেৱাৰ উপ-আৰক্ষী অধীক্ষক পদত অধিষ্ঠিত কৰা হৈছে। আনহাতে শ্ৰীমতী লাভলিনা বৰগোহাঁইক ৭ লাখ টকা আৰু শ্ৰীশিৱ থাপাক ৩ লাখ টকাৰ নগদ ধনেৰে পুৰস্কৃত কৰা হৈছে।

৪৩১। মহোদয়, মুখ্যমন্ত্ৰী সমগ্ৰ গ্ৰাম্য উন্নয়ন যোজনাৰ অধীনত ৫০০ খন খেলপথাৰৰ উন্নয়ন সাধন কৰা হৈছে। ডিব্ৰুগড়ৰ চাবুৱাত আমি এখন ক্ৰীড়া বিশ্ববিদ্যালয় স্থাপনৰো ব্যৱস্থা হাতত লৈছো।

৪৩২। তদুপৰি, আমি সমগ্ৰ ৰাজ্যতে ১০০ খন Open Air Gym স্থাপনৰ প্ৰস্তাৱ লৈছো। ইয়াৰ উপৰিও সকলোবোৰ জিলা আৰু মহকুমা সদৰত এটাকৈ ছুইমিং পুল আৰু একোখনকৈ মিনি জিম স্থাপনৰ প্ৰস্তাৱ লোৱা হৈছে। আনহাতে, লীলাবাৰীত অসম ফ্লায়িং ক্লাব লিমিটেডক পুনৰুজ্জীৱিত কৰি বিমান পৰিবহণ খণ্ডৰ এটা উৎকৰ্ষ কেন্দ্ৰ হিচাপে

গঢ়ি তোলাৰ ব্যৱস্থা হাতত লোৱা হৈছে। লগতে আমি গাঁও পঞ্চায়ত, উন্নয়ন খণ্ড আৰু জিলা পৰ্যায়ত গ্ৰাম্য অলিম্পিকৰো আয়োজন কৰিম।

৪৩৩। ২০২১-২২ বৰ্ষৰ বাজেটত মই এই বিভাগৰ বাবে ১৪৩.১১ কোটি টকা ধাৰ্য কৰিছো।

## XLVII. চাহ জনজাতি বিভাগ ঃ *অসমৰ গৌৰৱ*

৪৩৪। আমাৰ চৰকাৰে চাহ-বাগিচা শ্ৰমিকৰ কল্যাণৰ প্ৰতি উচ্চ অগ্ৰাধিকাৰ প্ৰদান কৰিছে আৰু আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে চাহ বাগিচা কল্যাণৰ প্ৰতি বিশেষ মনোযোগ প্ৰদান কৰিছে। সেয়েহে আমি বিশেষকৈ যুৱ প্ৰজন্মৰ বাবে কে'বাখনো কল্যাণকামী আঁচনি হাতত লৈছোঁ।

৪৩৫। চাহ জনজাতি মহিলাসকলৰ সবলীকৰণৰ বাবে আমাৰ প্ৰতিশ্ৰুতি মৰ্মে ATEPFO ৰ অধীনত পঞ্জীকৃত ১,১০০ খন চাহ বাগিচাৰ প্ৰত্যেকখনতে গেলামালৰ দোকান খুলিবলৈ আৰু অটোৰিক্সা ল'বলৈ একোটাকৈ মহিলা আত্মসহায়ক গোটলৈ পৰ্যাপ্ত পুঁজি যোগান ধৰাৰ বাবে আমি প্ৰস্তাৱ কৰিছোঁ।

৪৩৬। চাহ জনজাতি সমাজখন গঠিত কৰা ১০০ টাতকৈ অধিক গোটৰ সাংস্কৃতিক পৰম্পৰা, কলা আৰু ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰদৰ্শনৰ বাবে আদিবাসী আৰু চাহ জনগোষ্ঠী সমন্বয় কলাক্ষেত্ৰ স্থাপন কৰা হ'ব। এইখন হ'ব গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ আৰ্হিত এখন বহুমুখী প্ৰতিষ্ঠান।

৪৩৭। দক্ষতা বিকাশ আৰু উদ্যমিতাৰ বাবে শিক্ষিত নিবনুৱা যুৱক-যুৱতীলৈ ২৫,০০০ টকাকৈ এককালীন অনুদান আগবঢ়োৱাৰ অৰ্থে ছহিদ দয়াল দাস পানিকা স্ব-নিয়োজন আঁচনি। চাহ জনজাতি সমাজখনৰ ক্ষুদ্ৰ ব্যৱসায় কৰা উদ্যমীসকলক ই উপকৃত কৰিব।

৪৩৮। এই বিভাগৰ বাবে মই ৮১.৪১ কোটি টকা প্ৰস্তাৱ কৰিছোঁ।

## XLVIII. পৰ্যটন বিভাগ ঃ *অতুলনীয় অসম*

৪৩৯। আমাৰ চৰকাৰে ক্ষমতালৈ অহাৰে পৰা অসমক সমগ্ৰ মহাদেশখনৰ পৰ্যটন মানচিত্ৰত প্ৰতিষ্ঠিত কৰিবৰ বাবে আমি পূৰ্ণগতিত ব্ৰেণ্ড নিৰ্মাণ, আন্তঃৰাষ্ট্ৰীয় ৰোড শ্ব', অসম পৰ্যটনৰ ইন-ফ্লাইট ব্ৰেণ্ডিং, ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলাত অংশগ্ৰহণ, প্ৰচাৰ সম্বন্ধীয় সামগ্ৰী ছপা কৰাৰ কাম আৰম্ভ কৰিছোঁ।

৪৪০। অধ্যক্ষ মহোদয়, পৰ্যটনৰ ক্ষেত্ৰত ৰাজ্যখনৰ বিপুল সম্ভাৱনীয়তা ব্যৱহাৰৰ দ্বাৰা সংস্থাপনৰ পথ মুকলি হোৱাৰ উপৰিও ৰাজ্যখনৰ অৰ্থনীতিলৈও অৰিহণা আছে, বিভাগে নিম্নলিখিত আঁচনি আৰু কাম-কাজসমূহ প্ৰস্তাৱ কৰিছে—

(i) ক'ভিড-১৯ অতিমাৰীত ক্ষতিগ্ৰস্ত পৰ্যটন খণ্ডৰ অংশীদাৰ সকলক সকাহ দিবলৈ বেংকৰ নিৰ্ধাৰিত আৰ্হি অনুসাৰে ম্যাদী মূলধনী ঋণ প্ৰদানৰ বাবে 'সঞ্জীৱনী' আঁচনি।

(ii) আধা চহৰ আৰু গ্ৰাম্য অঞ্চলত "আমাৰ আলহী" আঁচনিৰে বহনক্ষম পৰ্যটনত নিয়োগৰ সুবিধা প্ৰদানৰ বাবে ঘৰে ঘৰে পৰ্যটক আলহী ৰখা কাৰ্যসূচীক উৎসাহ প্ৰদান কৰা হৈছে।

(iii) ৰাজ্যখনৰ ভিতৰ আৰু বাহিৰৰ বিভিন্ন তীৰ্থস্থান দৰ্শনৰ বাবে জ্যেষ্ঠ নাগৰিকলৈ 'পূণ্যধাম যাত্ৰা' আঁচনি।

(iv) দীঘলীপুখুৰীৰ চোৱা-চিতা আৰু উন্নয়ন, শৰাইঘাট সৰোবৰত মনোৰঞ্জনৰ সা-সুবিধা আৰু আমিনগাঁৱত এটা আধুনিক যাত্ৰী নিৱাস স্থাপন।

(v) শিৱসাগৰক বৈশিষ্ট্যপূৰ্ণ ঐতিহ্যশালী লক্ষ্যস্থানৰূপে গঢ়ি তোলাৰ ব্যৱস্থা।

(vi) কামাখ্যা ৰেলৱে ষ্টেচন আৰু কামাখ্যা মন্দিৰৰ মাজত ৰজ্জুপথ স্থাপন।

৪৪১। ২০২১-২২ বৰ্ষৰ বাবে বাজেটত এই বিভাগটোৰ বাবে মই ৭৪.২৪ কোটি টকা নিৰ্ধাৰণ কৰিছোঁ।

**XLIX. ৰূপান্তৰ আৰু উন্নয়ন বিভাগ ঃ** *উন্নয়নৰ আধাৰ*

৪৪২। মাননীয় অধ্যক্ষ মহোদয়, উন্নয়নৰ বাবে নীতি যুগুতকৰণ তথা ৰূপায়ণৰ ক্ষেত্ৰত ই হৈছে মুখ্য বিভাগ। আমাৰ নীতি আৰু পৰিকল্পনাসমূহে অসমৰ বাবে এক সামগ্ৰিক, সন্তুলিত আৰু বহনক্ষম উন্নয়নৰ কাৰ্যসূচী প্ৰতিফলিত কৰাটো নিশ্চিত কৰাৰ বাবেও বিভাগটো দায়বদ্ধ।

৪৪৩। ২০২০-২১ বৰ্ষত বিভাগে ১১,১৯২ টা নামঘৰ আৰু ধৰ্মীয় স্থানলৈ ২৭৯.৮০ কোটি টকা মুকলি কৰি দিছে। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰ বন্ধ কৰিবলৈ আমি ৭৫টা চোৰাং চিকাৰ প্ৰতিৰোধী শিবিৰ স্থাপন কৰিছোঁ। অতিৰিক্তভাৱে আমি মাজুলী নদীদ্বীপৰ সংহত বিকাশৰ কাম আৰু খিলঞ্জীয়া জনগোষ্ঠী আহোম, চুতীয়া, মৰাণ আৰু মটকৰ বিশেষ উন্নয়নৰ কাম হাতত লৈছোঁ।

৪৪৪। মহোদয়, ৰাজ্যখনৰ অন্যান্য উন্নত জিলাসমূহৰ লেখীয়াকৈ অসমৰ সাতখন আকাংক্ষামূলক জিলাৰ উন্নয়ন সাধন কৰিম। চাৰিটা বহনক্ষম উন্নয়নী লক্ষ্য যেনে - ব্যয়সাধ্য আৰু নিৰ্মল শক্তি, হ্ৰাসপ্ৰাপ্ত অসমতা, দায়বদ্ধ ব্যৱহাৰ তথা উৎপাদন আৰু জাগতিক জীৱন (Life on land)ৰ ক্ষেত্ৰত অসম হৈছে এখন অগ্ৰগামী ৰাজ্য।

৪৪৫। ২০২১-২২ বৰ্ষৰ বাজেটত এই বিভাগৰ বাবে মুঠ ১৭১৯.৪৭ কোটি টকা ধাৰ্য কৰিছোঁ।

**L. পৰিবহণ বিভাগ ঃ**

***ঘাইপথ, নদীপথ আৰু অন্যান্য যোগাযোগ ব্যৱস্থাৰ সংযোগীকৰণ***

৪৪৬। অধ্যক্ষ মহোদয়, ৰাজ্য চৰকাৰৰ অন্যতম বৃহৎ ৰাজহ সংগ্ৰহকাৰী পৰিবহণ বিভাগৰ বিস্তাৰিত কাম-কাজৰ পৰিসৰত নাগৰিকসকলৰ বাবে পথ সুৰক্ষাৰ লগে লগে ফেৰী যাত্ৰীৰ সুৰক্ষা আৰু অন্তৰ্দেশীয় জলপথত মাল পৰিবহনৰ সুচলতা সৃষ্টিও কৰে।

৪৪৭। এই সংক্রান্তত এটা এণ্ড্ৰইড ভিত্তিক মোবাইল এপ বিকশাই তোলা হৈছে। তদুপৰি যান-বাহনৰ গতি নিৰীক্ষণ কৰিবলৈ ৩৪৮ টা ই-চালান সৰঞ্জাম, ১৫ খন যান-বাহন ৰোধক বাহন আৰু ১১ টা স্পীড লেজাৰ বন্দুক আহৰণ কৰা হৈছে।

৪৪৮। মহোদয়, অসমৰ অন্তৰ্দেশীয় জল পৰিবহন খণ্ডত আন্তঃগাঁথনিগত আৰু প্ৰতিষ্ঠানিক উন্নয়ন সাধিবলৈ বিশ্ব বেংকৰ পুঁজিৰে 'অসম অন্তৰ্দেশীয় জলপৰিবহণ প্ৰকল্প' এটা আমাৰ চৰকাৰে ৰূপায়ণ কৰি আছে। অন্তৰ্দেশীয় জলপৰিবহণৰ উন্নতি সাধিবলৈ 'অসম জাহাজ পৰিবহণ কোম্পানী' আৰু 'অসম বন্দৰ কোম্পানী' নামৰ দুটা নতুন কোম্পানী ২০২১-২২ বৰ্ষৰ ভিতৰতে গঠন কৰা হ'ব।

৪৪৯। উবেৰাইজেশ্বন আঁচনিৰ অধীনত বাছ ক্ৰয়ৰ ক্ষেত্ৰত ১৪০ জন হিতাধিকাৰীলৈ সহায় আগবঢ়োৱা হৈছে। মাজুলীত বাছ আস্থান ভৱনৰ উপৰি খানাপাৰা আৰু তেজপুৰত আমি আই এছ বি টি নিৰ্মাণৰ কাম আৰম্ভ কৰিছোঁ।

৪৫০। 'ভ্ৰমণ সাৰথি'ৰ অধীনত মহিলা আৰু জ্যেষ্ঠ নাগৰিকলৈ বিনামূলীয়া বাছ সেৱাৰ সুবিধা আগবঢ়াই থকা হৈছে।

৪৫১। এই বিভাগৰ বাবে মই ৪৮৮.৭৪ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

## LI. জলসম্পদ বিভাগ

৪৫২। অধ্যক্ষ মহোদয়, এই বিভাগটোৱে ৰাজ্যখনৰ বান আৰু গড়াখহনীয়া সমস্যাটো বহনক্ষম পদ্ধতিৰে মোকাবিলা কৰে। আন্তঃগাঁথনি উন্নয়নৰ লগতে বান আৰু গড়াখহনীয়া ব্যৱস্থাপনাৰ ক্ষেত্ৰত বিভাগে ৪০১ খন আঁচনি হাতত লৈছে।

৪৫৩। মহোদয়, বিভাগটোৱে ৪৪৮৬.৪৪ কিঃমিঃ মথাউৰি নিৰ্মাণ কৰি ৩১.০৫ বানপ্ৰৱণ এলেকাৰ ১৬.৫০ লাখ হেক্টৰ ভূমি সুৰক্ষিত কৰিছে। তদুপৰি বিভাগে ১০১৯ টা গড়াখহনীয়াৰোধী তথা নগৰ সুৰক্ষামূলক কাম-

কাজ, ১০১ টা গুৰু নলা, ৫৪৫ টা লঘু নলা, ৮৯২.২১ কিঃমিঃৰ নৰ্দমা আৰু ৮৯৭.৬১ কিঃমিঃ বৰ্তমানৰ মথাউৰি ওখ কৰা আৰু শক্তিশালী কৰাৰ কাম হাতত লৈছে।

৪৫৪। মহোদয়, বিশ্ব বেংকৰ পুঁজি প্ৰাপ্ত ‘অসম সংহত নদী অৱবাহিকা ব্যৱস্থাপনা প্ৰকল্প (AIRBMP)’ৰ অধীনত দুখন বিস্তৃত বান ব্যৱস্থাপনা আঁচনিৰ প্ৰস্তাৱ কৰি থকা হৈছে, ইয়াৰে এখন বুঢ়ীদিহিং নদীত আৰু আনখন মানাহ বেকী নদীত।

৪৫৫। তদুপৰি, বিভাগটোৱে ২০২১-২২ বৰ্ষত নাবাৰ্ডৰ (গ্ৰাম্য আন্তঃগাঁথনি উন্নয়ন পুঁজি- XXVII) অধীনত সাতখন আঁচনি আৰু SOPD-G ৰ অধীনত চৈধ্যখন আঁচনিৰ প্ৰস্তাৱ কৰিছে, যিবোৰ বানপানীৰ বতৰ শেষ হোৱাৰ পিছত হাতত লোৱা হ'ব।

৪৫৬। ২০২১-২২ বাজেট এই বিভাগৰ বাবে মই ৮৯৩.৫৬ কোটি টকা ধাৰ্য কৰিছো।

## LII. সংখ্যালঘু কল্যাণ আৰু উন্নয়ন বিভাগ ঃ *সৰ্বাত্মক উন্নয়নৰ পথত*

৪৫৭। আমাৰ চৰকাৰৰ লক্ষ্য হৈছে সৰ্বাংগীন বিকাশ। অসমৰ বৈচিত্ৰময় সামাজিক গাঁথনি হৈছে আমাৰ শক্তি। আমাৰ ৰাজ্যখনে যাতে প্ৰগতিৰ পথত অগ্ৰসৰ হ'ব পাৰে সেইটো সুনিশ্চিত কৰিবলৈ আমি ইয়াক কামত খটুওৱাৰ প্ৰয়োজনীয়তা আছে। ভাষিক সংখ্যালঘুকে ধৰি সংখ্যালঘু সম্প্ৰদায়সমূহৰ তথা চৰ এলেকাত বসবাস কৰা লোকসকলৰ সৰ্বাংগীন বিকাশৰ প্ৰতি আমি প্ৰতিশ্ৰুতিবদ্ধ।

৪৫৮। ANM, DMLT, DPT, BMLT প্ৰশিক্ষণ পাঠ্যক্ৰম, ই-ৰিক্সা বিতৰণ, চিকিৎসা আৰু অভিযান্ত্ৰিক প্ৰৱেশ পৰীক্ষাৰ প্ৰশিক্ষণ ইত্যাদিৰ দৰে আঁচনিসমূহ গ্ৰহণ কৰা হৈছে।

৪৫৯। তদুপৰি সংখ্যালঘু সম্প্ৰদায়ৰ শিশুসকলক শিক্ষাৰ প্ৰতি আগ্ৰহান্বিত কৰিবলৈ ২০২০-২১ বৰ্ষত ২,৪০,৪৫৮ টা প্ৰাক প্ৰৱেশিকা জলপানি,

২৯,৫২৯ টা প্ৰৱেশিকোত্তৰ জলপানি আৰু ৭১২০ টা মেধা তথা সাধনোপায় (Merit-cum-Means) জলপানি প্ৰদান কৰা হৈছে।

৪৬০। আমাৰ চৰকাৰে খিলঞ্জীয়া অসমীয়া মুছলমান সম্প্ৰদায়ৰ বিত্তীয় অন্তৰ্ভুক্তি, স্বাস্থ্যসেৱা, শিক্ষা, দক্ষতা উন্নয়ন, সংস্কৃতিক পৰিচয়, মহিলা উন্নয়ন, জনসংখ্যা সুস্থিৰকৰণ আৰু অন্যান্য ক্ষেত্ৰত সৱলীকৰণৰ বাবে এই সম্প্ৰদায়ৰ বুদ্ধিজীৱী আৰু আগশাৰীৰ নাগৰিকসকলৰ লগত 'আলাপ আলোচনা' নামেৰে এক নতুন প্ৰয়াস চলায়।

৪৬১। মই এই বিভাগটোৰ বাবে৭৭.০৯ কোটি টকাৰ প্ৰস্তাৱ কৰিছোঁ।

## LIII. ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগ ঃ *পৰ্যাপ্ত সাহায্য*

৪৬২। ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ বিভাগে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ অৰ্থনৈতিকভাৱে দুৰ্বল লোকসকলৰ মাজত এক ইতিবাচক পৰিৱৰ্তন সাধন কৰাৰ বাবে নিম্নোক্ত গুৰুত্বপূৰ্ণ পদক্ষেপৰ জৰিয়তে শিক্ষা, কৃষি, মহিলা সবলীকৰণ, স্বাস্থ্য আৰু উপাৰ্জন সৃষ্টিৰ লেখীয়া সকলো মূল খণ্ড সামৰি লৈছে, যেনে—

(i) অনুসূচিত জনজাতি, অনুসূচিত জাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ হিতাধিকাৰীসকললৈ সাহায্য মঞ্জুৰি প্ৰদান, অনুসূচিত জনজাতিৰ লোকসকললৈ উদ্যমিতাৰ প্ৰশিক্ষণ প্ৰদান।

(ii) আই টি ডি পি আৰু আই টি ডি পি এলেকাৰ বাহিৰত আন্তঃগাঁথনিত উন্নয়ন।

(iii) ১,১৯,১৮৫গৰাকী অনুসূচিত জনজাতি / অনসূচিত জাতি / অন্যান্য পিছপৰা শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক লাভান্বিত কৰি প্ৰত্যক্ষ লাভালাভ হস্তান্তৰ মিছনৰ জৰিয়তে ৰাষ্ট্ৰীয় জলপানি প'ৰ্টেলৰ যোগেদি জলপানি আঁচনি।

(iv) তাই আহোম উন্নয়ন পৰিষদ আৰু চুতীয়া, মৰাণ আৰু মটক সম্প্ৰদায়সমূহলৈ তেওঁলোকৰ উন্নয়নৰ বাবে মাননীয় মুখ্যমন্ত্ৰীৰ বিশেষ এককালীন সাহায্য।

(v) একলব্য আদৰ্শ আৱাসিক বিদ্যালয়সমূহত আন্তঃগাঁথনিমূলক প্ৰকল্প।

(vi) এ এন এম, ড্ৰাফ্‌টছ্‌মেন (চিভিল) আৰু চাৰ্ভেয়ৰৰ (চিভিল)ৰ বিষয়ত দক্ষতা উন্নয়নৰ প্ৰশিক্ষণ।

## LIV. বড়োলেণ্ড কল্যাণ বিভাগ

৪৬৩। মহোদয়, বড়োলেণ্ড এলেকাত বসবাস কৰা লোকসকলৰ কল্যাণ আৰু সৰ্বাংগীণ বিকাশৰ বাবে নীতি আৰু কাৰ্যসূচী যুগুত কৰিবলৈ তথা ৰূপায়ণ কৰিবলৈ ‘বড়োলেণ্ড কল্যাণ বিভাগ’ নামৰ এটা নতুন বিভাগ গঠন কৰা হৈছে।

৪৬৪। কোকৰাঝাৰত বড়োলেণ্ড প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয় স্থাপনৰ জাননী জাৰি কৰা হৈছে।

## অংশ - II

অধ্যক্ষ মহোদয়, যোৱা পাঁচটা বছৰত আমাৰ চৰকাৰখনে বাজেট ব্যৱস্থাপনা আৰু ৰাজহ দায়িত্বৰ ক্ষেত্ৰত এক দৃষ্টান্তমূলক পৰিৱৰ্তন আনিছে। প্ৰযুক্তিবিদ্যাৰ জৰিয়তে স্বচ্ছতা আহৰণ কৰি বিনিয়োগ আকৰ্ষণ কৰাৰ বাবে ব্যৱসায়ৰ সুচলতাৰ (Ease of Doing Business) ব্যৱস্থা কৰি আমাৰ চৰকাৰখনে ৰাজ্যখনক প্ৰগতিৰ উজ্জ্বল উদাহৰণ হিচাপে গঢ়ি তুলিবলৈ আমাৰ অক্লান্ত প্ৰয়াসৰ ক্ষেত্ৰত কোনো সুৰুঙা ৰখা নাই।

মহোদয়, মই এই কথা উল্লেখ কৰিব বিচাৰোঁ যে যিসময়ত আমি ক'ভিড অতিমাৰীৰ সৈতে মোকাবিলা কৰিবলৈ সকলোধৰণৰ উপায়ে কামত লগোৱা আৰু সুশৃংখলিত কৰিবলগীয়া হৈছিল সেই একেখিনি সময়তে ৰাজহ সৃষ্টিৰ ক্ষেত্ৰত এক প্ৰত্যাহ্বান সৃষ্টি হৈছিল, যিহেতু অৰ্থনীতি স্থবিৰ হৈ পৰাৰ উপক্ৰম ঘটিছিল। কিন্তু তেনে এক পৰিস্থিতি সত্ত্বেও তেতিয়াৰ বিত্তমন্ত্ৰী হিচাপে বৰ্তমানৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ গঠনমূলক আৰু নিৰ্ণায়ক নেতৃত্বৰ অধীনত আমাৰ ৰাজ্যখনে সফলতাৰে পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ সক্ষম হয়। এয়া সম্ভৱ হৈ উঠিছে কেৱল যোৱা পাঁচ বছৰত আমাৰ চৰকাৰখনে কাৰ্যত ৰূপায়ণ কৰা দূৰদৃষ্টিসম্পন্ন সংস্কাৰ আৰু নীতিসমূহৰ বাবে।

**বাণিজ্যিক কৰ সংস্কাৰ**

অধ্যক্ষ মহোদয়, মই এই কথা উল্লেখ কৰিবলৈ পাই সুখী হৈছোঁ যে যোৱা ২০২০-২১ বৰ্ষত ক'ভিড অতিমাৰীৰ বাবে অৰ্থনৈতিক অৱনমন সত্ত্বেও পূৰ্ববৰ্তী বছৰটোত ১৪,৯৬৭ কোটি টকা সংগ্ৰহৰ বিপৰীতে কৰ বিভাগে ১৪,৬৪৫ কোটি টকা সংগ্ৰহ কৰে।

২০২১-২২ ৰ চলিত বিত্তীয় বৰ্ষৰ প্ৰথম তিনিমাহত যোৱা বছৰৰ প্ৰথম তিনিমাহৰ ১৯২০ কোটি টকাৰ তুলনাত ক'ভিডৰ দ্বিতীয়টো ঢৌ চলি থকা সত্ত্বেও কৰ বিভাগে কৰ সংগ্ৰহ ৩৫০১ কোটি টকালৈ বৃদ্ধি কৰিবলৈ সক্ষম হয়।

মহোদয়, যোৱা পাঁচ বছৰত বিভিন্ন দিশত গ্ৰহণ কৰা বিভিন্ন উপায়ৰ বিষয়ে মই উল্লেখ কৰিব বিচাৰিছোঁ—

- **কৰাৰোপণ গাঁথনিৰ আৰম্ভণি সীমা বৃদ্ধি আৰু উপান্ত ব্যৱসায়ীৰ পঞ্জীয়নৰ আৰম্ভণি সীমা বৃদ্ধি ঃ** উপান্ত কৰদাতাসকলৰ বাবে কৰাৰোপণ গাঁথনিৰ উচ্চসীমা ৭৫ লাখ টকাৰ পৰা ১৫০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে যিয়ে তেনে কৰদাতাসকলক কোনো বিশদ হিচাপ ৰখাৰ প্ৰয়োজনীয়তা অবিহনে মুঠ আয়ৰ ওপৰত ১ শতাংশ মোটামুটি সামগ্ৰী আৰু সেৱা কৰ পৰিশোধ কৰিবলৈ সক্ষম কৰি তুলিছে। সামগ্ৰী আৰু সেৱা কৰ (GST) ৰ অধীনত পঞ্জীয়নৰ আৰম্ভণি সীমাও মূল্য সংযোজিত কৰ (VAT) ৰ অধীনত ৬ লাখ টকাৰ তুলনাত ৪০ লাখ টকালৈ বৃদ্ধি কৰা হৈছে, যিয়ে ক্ষুদ্ৰ আৰু উপান্ত কৰদাতাসকলৰ কৰৰ বোজা লাঘৱ কৰাটো সহজ কৰি তুলিছে।
- **চাহ উদ্যোগলৈ কৰ সকাহ ঃ** ৰাজ্যখনৰ চাহ খণ্ডটোৰ উন্নয়ন সাধনৰ অৰ্থে তথা ইয়াৰ বহনক্ষম বিকাশৰ বাবে অসম কৰাৰোপণ (নিৰ্দিষ্ট ভূমিত) আইন, ১৯৯০ ৰ অধীনত ২০১৯ চনৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ চৰকাৰে চাহবাগানসমূহে উৎপাদন কৰা আৰু ক্ৰয় কৰা কেঁচা চাহপাতৰ (Green Tea Leaves)ৰ কৰ পৰিশোধৰ ক্ষেত্ৰত তিনিবছৰৰ বাবে কৰ সকাহৰ কথা ঘোষণা কৰিছে।

তদুপৰি, জলবায়ু পৰিৱৰ্তন আৰু অন্যান্য কাৰকৰ বাবে ক্ষতিৰ সন্মুখীন হোৱা চাহ খণ্ডটোৰ প্ৰসাৰ তথা এই খণ্ডটোলৈ সহায় আগবঢ়োৱাৰ অৰ্থে চৰকাৰে ২০২০ চনৰ ১ এপ্ৰিলৰ পৰা কাৰ্যকৰী হোৱাকৈ তিনি বছৰৰ বাবে কৃষি আয় কৰ পৰিশোধৰ ক্ষেত্ৰত সম্পূৰ্ণ ৰেহাই প্ৰদান কৰিছে।

- **অসম ঔদ্যোগিক নীতিৰ অধীনত ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ (SGST) পৰিশোধ ঃ** এইটো গৌৰৱৰ বিষয় যে মূল্য সংযোজিত কৰ (VAT)ৰ অধীনত কৰৰ উদগণিমূলক ব্যৱস্থা লাভ কৰা বৰ্তমানে থকা উদ্যোগসমূহ তথা নতুন বিনিয়োগক আকৰ্ষণ কৰিবলৈ নতুন উদ্যোগৰ বাবে সামগ্ৰী আৰু সেৱা কৰ পৰিশোধ আঁচনি প্ৰৱৰ্তনৰ ক্ষেত্ৰত সমগ্ৰ দেশৰ ভিতৰতে অসমেই হৈছে প্ৰথমখন ৰাজ্য। অসম ঔদ্যোগিক (যোগ্য গোটসমূহৰ বাবে কৰ পৰিশোধ) আঁচনিৰ অধীনত এতিয়ালৈকে যোগ্য উদ্যোগসমূহলৈ ৭৮৩.৬১ কোটি টকাৰ ৰাজ্যিক সামগ্ৰী আৰু সেৱা কৰ (SGST) পৰিশোধ কৰা হৈছে।
- **বকেয়া ধন প্ৰদানৰ ক্ষেত্ৰত ঋণ পৰিশোধ আঁচনি ঃ** বহুদিন ধৰি অনাদায় হৈ পৰি থকা বকেয়া ধন প্ৰদানৰ লক্ষ্যৰে ২০১৯-২০ আৰু ২০২০-২১ বৰ্ষত বকেয়া ধন পৰিশোধৰ বাবে 'অসম কৰাৰোপণ (বকেয়া ধন পৰিশোধ) আইন, ২০১৯'ৰ জৰিয়তে এখন ক্ষমাদান আঁচনি (Amnesty Scheme) হাতত লোৱা হৈছিল। বহুদিন অনাদায় হৈ পৰি থকা বকেয়া ধন পৰিশোধৰ বাবে ২০২১-২২ বিত্তীয় বৰ্ষতো এখন একেধৰণৰ আঁচনি অনাৰ প্ৰস্তাৱ কৰা হৈছে।
- **ক'ভিড সম্পৰ্কীয় গুৰুত্বপূৰ্ণ সা-সামগ্ৰীৰ ব্যয় হ্ৰাস কৰাৰ অৰ্থে সামগ্ৰী আৰু সেৱা কৰ (GST) ৰেহাই আৰু কৰৰ নিৰিখ হ্ৰাসকৰণঃ** ক'ভিড-১৯ প্ৰতিৰোধ তথা চিকিৎসাৰ বাবে প্ৰয়োজন হোৱা অত্যাৱশ্যকীয় ঔষধ আৰু অন্যান্য চিকিৎসাজনিত আহিলা-

পাতি, পৰীক্ষা কৰা সা-সঁজুলিৰ ওপৰত সামগ্ৰী আৰু সেৱা কৰ (GST) ২০২১ চনৰ ৩০ ছেপ্টেম্বৰলৈ সম্পূৰ্ণৰূপে ৰেহাই দিয়া হৈছে নাইবা হ্ৰাস কৰা হৈছে। পৰিস্থিতিৰ ওপৰত ভিত্তি কৰি এই ৰেহাইৰ সময় বৃদ্ধি পাব পাৰে।

- **ক'ভিড-১৯ মহামাৰীৰ ভয়াৱহতাৰ পৰিপ্ৰেক্ষিতত সামগ্ৰী আৰু সেৱা কৰৰ (GST) অধীনত কৰদাতাসকললৈ ৰেহাইৰ ব্যৱস্থা ঃ** তদুপৰি ক'ভিড-১৯ মহামাৰীৰ দ্বিতীয় লহৰৰ বাবে সামগ্ৰী আৰু সেৱা কৰৰ অধীনত বিধিসন্মত আৰু নিয়ামক নীতি-নিৰ্দেশনা পালন কৰিবলৈ যাওঁতে কৰদাতাসকলে সন্মুখীন হোৱা প্ৰত্যাহ্বানৰ পৰিপ্ৰেক্ষিতত চৰকাৰে কৰদাতাসকললৈ বিভিন্ন সকাহ প্ৰদান কৰিছে। সেইবোৰ হ'ল— সুতৰ হাৰ হ্ৰাস, বিলম্ব হোৱা মাচুল ৰেহাই, জি এছ টি আৰ ৰিটাৰ্ন দাখিলৰ তাৰিখ সম্প্ৰসাৰণ, আই টি চিৰ ক্ষেত্ৰত ৰেহাই আৰু জি এছ টি ৰিটাৰ্ন দাখিল নকৰাৰ বাবে এমনেষ্টি স্কীম।

- **বৃত্তি কৰৰ বিবেচিত পঞ্জীয়ন / ভৰ্তিকৰণৰ সুবিধা ঃ** বিভিন্ন কৰ সম্পৰ্কীয় আইনৰ অধীনত পঞ্জীবদ্ধ কৰদাতাসকলে বৃত্তিগত কৰ আইনৰ অধীনত পঞ্জীবদ্ধ বা ভৰ্তি হ'বলৈ প্ৰায়ে অক্ষম হয়। আজ্ঞানুৱৰ্তিতাৰ ভাৰ সুচল কৰিবলৈ অন্য কৰ আইনৰ অধীনত পঞ্জীবদ্ধ কৰদাতাসকললৈ পঞ্জীয়ন বিবেচিত (Deemed registration) হোৱাৰ সুবিধা প্ৰদান কৰা হ'ব।

- **সামগ্ৰী আৰু সেৱা কৰ বহিৰ্ভূত** (Non GST) **আইনৰ স্বয়ংক্ৰিয়কৰণ ঃ** পঞ্জীয়ন, ৰিটাৰ্ন দাখিল, কৰ পৰিশোধ আদি নন-জি এছ টি আইনসমূহৰ আওতাত পৰা কাৰ্য প্ৰণালী বৰ্তমানে কৰদাতাসকলে কায়িকভাৱে ৰূপায়ণ কৰি আহিছে। সেই কাৰ্য প্ৰণালীসমূহ সহজ আৰু সুচল কৰিবলৈ এটা অনলাইন ইলেক্ট্ৰনিক প্লেটফৰ্মৰ বিকাশ কৰাৰ বাবে প্ৰস্তাৱ কৰা হৈছে।

**আবকাৰী বিভাগীয় সংস্কাৰ**

অধ্যক্ষ মহোদয়, সন্মানীয় সদনে জানি আনন্দ পাব যে ২০১৬-১৭ বৰ্ষত সংগৃহীত ৯৬৬.৩২ কোটি টকাৰ বিপৰীতে ২০২০-২১ বৰ্ষত আবকাৰী ৰাজহ ২০৩১.০৫ কোটি টকালৈ বৃদ্ধি পাইছে। বিগত পাঁচটা বছৰত বিভাগটোলৈ চৰকাৰে অনা কিছু গুৰুত্বপূৰ্ণ পৰিৱৰ্তনৰ কথা উনুকিয়াব খুজিছোঁ।

■ **চুক্তিবদ্ধ পণ্যাগাৰ ধাৰণাৰ বিলুপ্তি আৰু শুল্ক সংগ্ৰহ স্থান পৰিৱৰ্তন ঃ** ইয়াৰ ফলত কাৰখানাৰ পৰা একমাত্ৰ শুল্ক পৰিশোধ হোৱা সুবাহে ওলাই অহাটো নিশ্চিত হৈছে। তদুপৰি বৰ্তমানে সৰ্বোচ্চ খুচুৰা মূল্যৰ ভিত্তিত আবকাৰী শুল্ক (কৰ্তন সাপেক্ষ) আৰোপণ কৰা হয়।

■ **দেশীয় সুৰাৰ আওপুৰণি মহল ব্যৱস্থাৰ ৰদকৰণ ঃ** দেশীয় সুৰাৰ মহল ব্যৱস্থা বাতিল কৰি বটলত বিক্ৰীৰ ব্যৱস্থা কৰাৰ যোগেদি তেনে সুৰাৰ মানদণ্ডও অক্ষুণ্ণ ৰখাটো নিশ্চিত কৰা হৈছে।

■ **সুৰাযুক্ত ঐতিহ্য পানীয় নীতি ঃ** বিভিন্ন থলুৱা জনগোষ্ঠীৰ বিশেষকৈ মহিলাসকলক আৰ্থিকভাৱে শক্তি প্ৰদান আৰু পৰ্যটনৰ বিকাশৰ বাবে ২০১৭ চনত এই নীতি প্ৰস্তুত কৰা হয়।

■ **মানৱীয় আন্তঃমুখীতা হ্ৰাস কৰিবলৈ বাণিজ্যিক ব্যৱস্থাত স্বয়ংক্ৰিয়কৰণঃ**

ৰাজহ সংগ্ৰহ, পাৰ্মিট তথা অনুমতি পত্ৰ, অনুজ্ঞাপত্ৰক সম্পূৰ্ণৰূপে অনলাইন আৰু ডিজিটেল কৰি তোলা হৈছে। তদুপৰি, বিশ্ববেংকৰ সাহায্যপ্ৰাপ্ত ASPIRe প্ৰকল্পৰ অধীনত এক ব্যাপক আৰু শক্তিশালী অনলাইন ব্যৱস্থা আৰম্ভ কৰা হৈছে আৰু অতি সোনকালে এই ব্যৱস্থাটো কাৰ্যক্ষম কৰা হ'ব। তদুপৰি, আবকাৰী বিভাগৰ এটা অত্যাধুনিক ৰসায়নাগাৰৰ কামো আৰম্ভ কৰা হৈছে।

■ **পৰিবেশ আৰু বন বিভাগৰ সংস্কাৰ ঃ**

পৰৱৰ্তী বিত্তীয় বৰ্ষত বনবিভাগৰ ৰয়েল্টি works departmentsৰ লগত যোগাযোগ কৰি তিনিগুণ বৃদ্ধি কৰিবলৈ লোৱা হৈছে।

অধ্যক্ষ মহোদয়, আমাৰ মাননীয় মুখ্যমন্ত্রীৰ প্রশংসনীয় সিদ্ধান্তৰ লগত ৰজিতা খুৱাই, তেখেতে বিত্তমন্ত্রী হিচাপে থকাৰ সময়ত জনসাধাৰণৰ ওপৰত কোনো ধৰণৰ অতিৰিক্ত কৰ বা বিত্তীয় বোজা নিদিয়াকৈ লোৱা ঐতিহাসিক সিদ্ধান্তৰ নিচিনাকৈ মইও এই ধাৰা অব্যাহত ৰখাৰ লক্ষ্যৰে জনসাধাৰণৰ ওপৰত কোনো ধৰণৰ অতিৰিক্ত কৰ আৰোপ নকৰাকৈ মোৰ বাজেট দাখিল কৰিব বিচাৰিছোঁ।

**বাজেট প্ৰাক্কলন**

২০২১-২২ বৰ্ষৰ বাজেট প্ৰাক্কলনত ৰাজ্যখনৰ একত্ৰীকৃত নিধিত মুঠ ১০৭৩১৭.৫৪ কোটি টকাৰ প্ৰাপ্তি প্ৰদৰ্শন কৰা হৈছে। ইয়াৰে ৮৮৯৭৯.৪০ কোটি টকা ৰাজহ শিতানত আৰু বাকী থকা ১৮৩৩৮.১৪ কোটি টকা মূলধন শিতানত। বিভিন্ন উৎসৰ পৰা অহা একত্ৰীকৃত নিধিৰ আনুমানিক প্ৰাপ্তিৰ হিচাপ মই তালিকা নং ১ত উল্লেখ কৰিছোঁ। ৰাজহুৱা শিতানত ১৮২২৫৩.১৪ কোটি টকা আৰু উপনিমিত্ত (Contingency) পুঁজিৰ অধীনত ২০০ কোটি টকা যোগ হোৱাৰ পিছত সৰ্বমুঠ আদায়ৰ পৰিমাণ হ'ব ২৮৯৭৭০.৬৮ কোটি টকা। ইয়াৰ বিপৰীতে ২০২১-২২ বৰ্ষত ৰাজ্যখনৰ একত্ৰীকৃত নিধিৰ পৰা সৰ্বমুঠ ব্যয়ৰ পৰিমাণ ১০৭৫৫৬.২৯ কোটি টকা বুলি অনুমান কৰা হৈছে; ইয়াৰে ৰাজহ শিতানত ৮৪৪০৫.৪৭ কোটি টকা আৰু মূলধন শিতানত ২৩১৫০.৮২ কোটি টকা। ২০২১-২২ বৰ্ষত একত্ৰীকৃত নিধিৰ মঞ্জুৰী অনুযায়ী ব্যয়সমূহৰ প্ৰাক্কলন তালিকা নং ২ত দেখুওৱা হৈছে। ৰাজহুৱা শিতানত হোৱা ব্যয় ১৮১৬১০.৮১ কোটি টকা আৰু উপনিমিত্ত (Contingency) পুঁজিৰ অধীনত ২০০ কোটি টকাৰে বছৰটোৰ সৰ্বমুঠ প্ৰাক্কলিত ব্যয়ৰ পৰিমাণ হ'ব ২৮৯৩৬৭.১০ কোটি টকা। এইদৰে বছৰটোত হোৱা প্ৰাক্কলিত লেনদেনৰ বাবদ আনুমানিক ৪০৩.৫৮ কোটি টকা ৰাহি হ'ব। ইয়াৰ লগত বছৰটোৰ আৰম্ভণি ঘাটি ৯৬৯.৭৮ কোটি টকাৰ হিচাপ মিলালে ২০২১-২২ বৰ্ষৰ শেষলৈ বাজেট ঘাটিৰ পৰিমাণ ৫৬৬.২০ কোটি টকা হ'বগৈ।

অধ্যক্ষ মহোদয়, আমাৰ সাংস্কৃতিক আৰু ঐতিহাসিক পৰম্পৰাৰ মই এগৰাকী শ্ৰদ্ধাশীল অনুগামী। উত্তৰাধিকাৰ সূত্ৰে আমি অতিশয় সমৃদ্ধ। আমাৰ চাৰিবেদ ৩০০০ বছৰতকৈও অধিক প্ৰাচীন। বেদৰ নিহিত শাশ্বত সৌন্দৰ্য আৰু সদা প্ৰাসংগিকতাই আমাক অহৰহ অনুপ্ৰাণিত কৰি আহিছে, সেই হেতু মই মোৰ এই বছৰৰ বাজেট বক্তৃতা এটা বেদৰ শ্লোকেৰে সামৰণি মাৰিব বিচাৰিছোঁ-

*'আনু ভদ্ৰা ক্ৰতবো য়ন্ত বিশ্বন্তঃ'*

বিশ্বৰ সকলো দিশৰ পৰা সকলো শুভ চিন্তা এই স্থানলৈ প্ৰৱাহিত হওক।

***জয় হিন্দ***

***জয় আই অসম***

***ভাৰত মাতা কী জয়***

–x–


Table- 1

## Estimated of Inflows into the Consolidated Fund of the State during 2021-22

(Rs. in Crore)

| Component | 2021-22 BE | % of Total against 2021-22 |
|---|---|---|
| State Tax Revenue | 21177.55 | 19.73 |
| Non-Tax Revenue | 6097.60 | 5.68 |
| Share of Central Taxes | 20818.82 | 19.40 |
| Centrally Sponsored Schemes | 26013.09 | 24.24 |
| Finance Commission Grants | 11508.65 | 10.73 |
| Other Transfer/Grants to States with Legislature | 3363.70 | 3.13 |
| Public Debt | 18325.53 | 17.08 |
| Recoveries of Loans & Advances | 12.61 | 0.01 |
| **Total** | **107317.55** | **100.00** |

### Where Rupee Comes From



## তালিকা - ২

### ২০২১-২০২২ বৰ্ষত ৰাজ্যৰ একত্ৰীকৃত নিধি আৰু ৰাজহুৱা শিতানৰ পৰা হ'বলগীয়া মঞ্জুৰী অনুসৰি আনুমানিক বহিৰ্গমন

*(টকাৰ হিচাপত)*

| মঞ্জুৰী নং / | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য্য | মুঠ |
|---|---|---|---|---|---|
| C1 | লোকসেৱা আয়োগ | ৰাজহ | ০.০০ | ২১৬৯৫৯০০০.০০ | ২১৬৯৫৯০০০.০০ |
| C2 | ৰাজ্যিক মুৰব্বী | ৰাজহ | ০.০০ | ১১২৫৭৮০০০.০০ | ১১২৫৭৮০০০.০০ |
| PD | ৰাজহুৱা ঋণ আৰু ঋণ সেৱা | ৰাজহ | ০.০০ | ৭৫০৯৬১৮৭০০০.০০ | ৭৫০৯৬১৮৭০০০.০০ |
| | | মূলধন | ০.০০ | ৩৫৩৬২২৯৩০০০.০০ | ৩৫৩৬২২৯৩০০০.০০ |
| ১ | ৰাজ্যিক বিধানমণ্ডল | ৰাজহ | ৯০১৪২২০০০.০০ | ১১৬৩৬০০০.০০ | ৯১৩০৫৮০০০.০০ |
| | | মূলধন | ৭৫২৯০০০০০.০০ | ০.০০ | ৭৫২৯০০০০০.০০ |
| ২ | মন্ত্ৰী পৰিষদ | ৰাজহ | ১৭৮৪৩৫০০০.০০ | ০.০০ | ১৭৮৪৩৫০০০.০০ |
| ৩ | ন্যায় প্ৰশাসন | ৰাজহ | ৪৪৫৬৮০৪০০০.০০ | ৮৪৪৪১৪০০০.০০ | ৫৩০১২১৮০০০.০০ |
| | | মূলধন | ৮১১৩৫৯০০০.০০ | ০.০০ | ৮১১৩৫৯০০০.০০ |
| ৪ | নিৰ্বাচন | ৰাজহ | ১৬০৩৩৮৩০০০.০০ | ০.০০ | ১৬০৩৩৮৩০০০.০০ |
| | | মূলধন | ১২৫৬০০০০০.০০ | ০.০০ | ১২৫৬০০০০০.০০ |
| ৫ | বিক্ৰীকৰ আৰু অন্যান্য কৰ | ৰাজহ | ৭১৯৩০৮৮০০০.০০ | ০.০০ | ৭১৯৩০৮৮০০০.০০ |
| | | মূলধন | ৩৭২১৭৩০০০.০০ | ০.০০ | ৩৭২১৭৩০০০.০০ |
| ৬ | ভূমি ৰাজহ | ৰাজহ | ৩৬২০৬৯২০০০.০০ | ০.০০ | ৩৬২০৬৯২০০০.০০ |
| | | মূলধন | ৪০০০০০০০.০০ | ০.০০ | ৪০০০০০০০.০০ |
| ৭ | টিকট আৰু পঞ্জীয়ন | ৰাজহ | ১০০৮৪৩৪০০০.০০ | ০.০০ | ১০০৮৪৩৪০০০.০০ |
| ৮ | ৰাজ্যিক আবকাৰী | ৰাজহ | ৭০৯৪৪০০০০.০০ | ০.০০ | ৭০৯৪৪০০০০.০০ |
| | | মূলধন | ১৬০০০০০০.০০ | ০.০০ | ১৬০০০০০০.০০ |
| ৯ | পৰিবহন সেৱা | ৰাজহ | ৪০২৮১২৪০০০.০০ | ০.০০ | ৪০২৮১২৪০০০.০০ |
| | | মূলধন | ৮৫৯২৮৪০০০.০০ | ০.০০ | ৮৫৯২৮৪০০০.০০ |
| ১০ | অন্যান্য অৰ্থনৈতিক সেৱা | ৰাজহ | ২৬২০৬০০০.০০ | ০.০০ | ২৬২০৬০০০.০০ |
| ১১ | সচিবালয় আৰু সংলগ্ন কাৰ্যালয়সমূহ | ৰাজহ | ৯০০৯৪২০০০০.০০ | ০.০০ | ৯০০৯৪২০০০০.০০ |
| | | মূলধন | ৪৮০০০০০০.০০ | ০.০০ | ৪৮০০০০০০.০০ |
| ১২ | জিলা প্ৰশাসন | ৰাজহ | ৫১৫৩৩০০০০০.০০ | ০.০০ | ৫১৫৩৩০০০০০.০০ |
| | | মূলধন | ১৪৯৩৪৫৭০০০.০০ | ০.০০ | ১৪৯৩৪৫৭০০০.০০ |
| ১৩ | কোষাগাৰ আৰু হিচাপ প্ৰশাসন | ৰাজহ | ১০৬৩৯৯৫০০০.০০ | ০.০০ | ১০৬৩৯৯৫০০০.০০ |
| | | মূলধন | ৯৮৪০০০০০.০০ | ০.০০ | ৯৮৪০০০০০.০০ |
| ১৪ | আৰক্ষী | ৰাজহ | ৫০০৪৩৭৫৯০০০.০০ | ৫৩০০০০০.০০ | ৫০০৪৯০৫৯০০০.০০ |
| | | মূলধন | ১৭৬৯৭২৭০০০.০০ | ০.০০ | ১৭৬৯৭২৭০০০.০০ |
| ১৫ | কাৰাগাৰ | ৰাজহ | ৮৯৫৫২০০০০.০০ | ২০০০০০০.০০ | ৮৯৭৫২০০০০.০০ |
| | | মূলধন | ২০১১১৬০০০.০০ | ০.০০ | ২০১১১৬০০০.০০ |
| ১৬ | মুদ্ৰণ আৰু লেখন | ৰাজহ | ৪০১৪৪৮০০০.০০ | ০.০০ | ৪০১৪৪৮০০০.০০ |
| | | মূলধন | ১৭৫২০০০০.০০ | ০.০০ | ১৭৫২০০০০.০০ |
| ১৭ | প্ৰশাসনীয় আৰু কাৰ্যালয় ভৱন | ৰাজহ | ২২০৮৯৫৯০০০.০০ | ০.০০ | ২২০৮৯৫৯০০০.০০ |
| | | মূলধন | ৩৯৫৫১৪৩০০০.০০ | ০.০০ | ৩৯৫৫১৪৩০০০.০০ |
| ১৮ | অগ্নিনিৰ্বাপক সেৱা | ৰাজহ | ১৬২৮৪৬৫০০০.০০ | ৭১১০০০.০০ | ১৬২৯১৭৬০০০.০০ |
| | | মূলধন | ৪৪৬১৮০০০০.০০ | ০.০০ | ৪৪৬১৮০০০০.০০ |
| ১৯ | নিৰীক্ষণ আয়োগ আৰু অন্যান্য | ৰাজহ | ৩৬৬৫৪৪৭০০০.০০ | ০.০০ | ৩৬৬৫৪৪৭০০০.০০ |
| | | মূলধন | ১৬৮০০০০০০.০০ | ০.০০ | ১৬৮০০০০০০.০০ |
| ২০ | অন্যান্য প্ৰশাসনীয় সেৱা (অসামৰিক প্ৰতিৰক্ষা আৰু গৃহৰক্ষী) | ৰাজহ | ২৯৪৬১২৭০০০.০০ | ০.০০ | ২৯৪৬১২৭০০০.০০ |
| | | মূলধন | ৯৬০৫৮০০০.০০ | ০.০০ | ৯৬০৫৮০০০.০০ |
| ২১ | অতিথিশালা, চৰকাৰী নিবাস | ৰাজহ | ৫৫৩২৫২০০০.০০ | ০.০০ | ৫৫৩২৫২০০০.০০ |
| ২২ | প্ৰশাসনীয় প্ৰশিক্ষণ | ৰাজহ | ১৮৭১২৫০০০.০০ | ০.০০ | ১৮৭১২৫০০০.০০ |
| | | মূলধন | ৯২৭২০০০০.০০ | ০.০০ | ৯২৭২০০০০.০০ |
| ২৩ | অৱসৰ | ৰাজহ | ৮৬৮৭০০১৩০০০.০০ | ০.০০ | ৮৬৮৭০০১৩০০০.০০ |
| ২৪ | সাহায্য সামগ্ৰী | ৰাজহ | ৯০০০০.০০ | ০.০০ | ৯০০০০.০০ |
| ২৫ | অন্যান্য সাধাৰণ সেৱা | ৰাজহ | ৩২৭৭৪৯২০০০০.০০ | ০.০০ | ৩২৭৭৪৯২০০০০.০০ |
| | | মূলধন | ১০১১৩৪৮৩০০০.০০ | ০.০০ | ১০১১৩৪৮৩০০০.০০ |
| ২৬ | উচ্চ শিক্ষা | ৰাজহ | ২৭৭৫১৭২৮০০০.০০ | ০.০০ | ২৭৭৫১৭২৮০০০.০০ |
| | | মূলধন | ২৪৩১৩৯০০০০.০০ | ০.০০ | ২৪৩১৩৯০০০০.০০ |
| ২৭ | কলা আৰু সংস্কৃতি | ৰাজহ | ৯২৪১৬১০০০.০০ | ০.০০ | ৯২৪১৬১০০০.০০ |
| | | মূলধন | ৬২৩০৫৬০০০.০০ | ০.০০ | ৬২৩০৫৬০০০.০০ |
| ২৮ | ৰাজ্যিক দপ্তৰখানা | ৰাজহ | ১৮৮৮২০০০.০০ | ০.০০ | ১৮৮৮২০০০.০০ |
| | | মূলধন | ৮০০০০০.০০ | ০.০০ | ৮০০০০০.০০ |
| ২৯ | চিকিৎসা আৰু জনস্বাস্থ্য | ৰাজহ | ৬২১২৭৩৮০০০০.০০ | ১০৫০০০০০.০০ | ৬২১৩৭৮৮০০০০.০০ |
| | | মূলধন | ৭৯০৫৬২১০০০.০০ | ০.০০ | ৭৯০৫৬২১০০০.০০ |
| ৩০ | পানীযোগান আৰু অনাময় | ৰাজহ | ৫২০৭৫৯৯০০০.০০ | ০.০০ | ৫২০৭৫৯৯০০০.০০ |
| | | মূলধন | ৬৮৩৬০৩৭০০০.০০ | ০.০০ | ৬৮৩৬০৩৭০০০.০০ |
| ৩১ | নগৰ উন্নয়ন | ৰাজহ | ৫৪১৬৮১৯০০০.০০ | ০.০০ | ৫৪১৬৮১৯০০০.০০ |
| ৩২ | গৃহ নিৰ্মাণ | ৰাজহ | ৫৬৭৩৭০০০.০০ | ০.০০ | ৫৬৭৩৭০০০.০০ |

| মঞ্জুৰী নং / | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য্য | মুঠ |
|---|---|---|---|---|---|
| ৩৩ | আৱাস গৃহ | ৰাজহ | ১৬৮৬৯০০০.০০ | ০.০০ | ১৬৮৬৯০০০.০০ |
| | | মূলধন | ৫৫২০০০০.০০ | ০.০০ | ৫৫২০০০০.০০ |
| ৩৪ | নগৰ উন্নয়ন (পৌৰ প্ৰশাসন) | ৰাজহ | ১৪২৫৮৫৫৬০০০.০০ | ০.০০ | ১৪২৫৮৫৫৬০০০.০০ |
| | | মূলধন | ২৯৬৩৪০০০.০০ | ০.০০ | ২৯৬৩৪০০০.০০ |
| ৩৫ | তথ্য আৰু জনসংযোগ | ৰাজহ | ১১৭৮০৯২০০০.০০ | ০.০০ | ১১৭৮০৯২০০০.০০ |
| | | মূলধন | ৮০০০০.০০ | ০.০০ | ৮০০০০.০০ |
| ৩৬ | শ্ৰম আৰু নিয়োগ | ৰাজহ | ২১৪১২২২০০০.০০ | ০.০০ | ২১৪১২২২০০০.০০ |
| | | মূলধন | ৬০৫১০২০০০.০০ | ০.০০ | ৬০৫১০২০০০.০০ |
| ৩৭ | খাদ্য, ভঁড়াল আৰু পণ্যাগাৰ | ৰাজহ | ৮৯২০১১০০০০.০০ | ০.০০ | ৮৯২০১১০০০০.০০ |
| | | মূলধন | ২৬০৪৩০০০.০০ | ০.০০ | ২৬০৪৩০০০.০০ |
| ৩৮ | অনুসূচিত জাতি/জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ কল্যাণ | ৰাজহ | ১১৬৪৫৪০৪০০০.০০ | ০.০০ | ১১৬৪৫৪০৪০০০.০০ |
| | | মূলধন | ৬০০০৬৫০০০.০০ | ০.০০ | ৬০০০৬৫০০০.০০ |
| ৩৯ | সামাজিক নিৰাপত্তা, কল্যাণ আৰু পোষণ | ৰাজহ | ১৯৮৩৪৩১৮০০০.০০ | ০.০০ | ১৯৮৩৪৩১৮০০০.০০ |
| | | মূলধন | ২৮১৮১৭০০০.০০ | ০.০০ | ২৮১৮১৭০০০.০০ |
| ৪০ | সামাজিক নিৰাপত্তা আৰু কল্যাণ (মুক্তিযোদ্ধা) | ৰাজহ | ৩৪২৬১০০০০.০০ | ০.০০ | ৩৪২৬১০০০০.০০ |
| ৪১ | প্ৰাকৃতিক দুৰ্যোগ | ৰাজহ | ২৩২৮৪০৯০০০০.০০ | ০.০০ | ২৩২৮৪০৯০০০০.০০ |
| ৪২ | অন্যান্য সামাজিক সেৱাসমূহ | ৰাজহ | ৭৬৪৮৩৭০০০.০০ | ০.০০ | ৭৬৪৮৩৭০০০.০০ |
| | | মূলধন | ৬১৬০০০০.০০ | ০.০০ | ৬১৬০০০০.০০ |
| ৪৩ | সমবায় | ৰাজহ | ১১১৯৭৮৬০০০.০০ | ০.০০ | ১১১৯৭৮৬০০০.০০ |
| | | মূলধন | ৪৬২২১২০০০.০০ | ০.০০ | ৪৬২২১২০০০.০০ |
| ৪৪ | উত্তৰ পূৱ পৰিষদ আঁচনি | ৰাজহ | ৪৩২৫৯০০০.০০ | ০.০০ | ৪৩২৫৯০০০.০০ |
| | | মূলধন | ১৩৩৮৫৮৫৯০০০.০০ | ০.০০ | ১৩৩৮৫৮৫৯০০০.০০ |
| ৪৫ | লোকশিল্প, তুৰীপ আৰু পৰিসংখ্যা | ৰাজহ | ৪৩২০৪৬০০০.০০ | ০.০০ | ৪৩২০৪৬০০০.০০ |
| | | মূলধন | ১২০০০০০০.০০ | ০.০০ | ১২০০০০০০.০০ |
| ৪৬ | ওজন আৰু জোখমাপ | ৰাজহ | ১৯৮৩০১০০০.০০ | ০.০০ | ১৯৮৩০১০০০.০০ |
| | | মূলধন | ৬২৬২০০০.০০ | ০.০০ | ৬২৬২০০০.০০ |
| ৪৭ | বাণিজ্যিক উপদেষ্টা | ৰাজহ | ১৩০৪০০০০.০০ | ০.০০ | ১৩০৪০০০০.০০ |
| ৪৮ | কৃষি | ৰাজহ | ১৯৩১৩৪১০০০০.০০ | ০.০০ | ১৯৩১৩৪১০০০০.০০ |
| | | মূলধন | ২২৮১৩০৬০০০.০০ | ০.০০ | ২২৮১৩০৬০০০.০০ |
| ৪৯ | জলসিঞ্চন | ৰাজহ | ৫৪০৭২৬৯০০০.০০ | ০.০০ | ৫৪০৭২৬৯০০০.০০ |
| | | মূলধন | ৭০৫১২৭৭০০০.০০ | ০.০০ | ৭০৫১২৭৭০০০.০০ |
| ৫০ | অন্যান্য বিশেষ এলেকা আঁচনি | ৰাজহ | ৩৩২৯৫০০০.০০ | ০.০০ | ৩৩২৯৫০০০.০০ |
| | | মূলধন | ৬৫৮৯৭৮০০০.০০ | ০.০০ | ৬৫৮৯৭৮০০০.০০ |
| ৫১ | ভূমি আৰু জল সংৰক্ষণ | ৰাজহ | ১৮৪৩৮০০০০০.০০ | ০.০০ | ১৮৪৩৮০০০০০.০০ |
| | | মূলধন | ৬০৮২৪০০০০.০০ | ০.০০ | ৬০৮২৪০০০০.০০ |
| ৫২ | পশুপালন | ৰাজহ | ৪৫২৫৪৪০০০০.০০ | ০.০০ | ৪৫২৫৪৪০০০০.০০ |
| | | মূলধন | ৫৭৬৭৮২০০০.০০ | ০.০০ | ৫৭৬৭৮২০০০.০০ |
| ৫৩ | দুগ্ধ উন্নয়ন | ৰাজহ | ৭৭৩৯৮৪০০০.০০ | ০.০০ | ৭৭৩৯৮৪০০০.০০ |
| | | মূলধন | ৭৪৭২১০০০.০০ | ০.০০ | ৭৪৭২১০০০.০০ |
| ৫৪ | মীনমহল | ৰাজহ | ১০০৯৮০৮০০০.০০ | ০.০০ | ১০০৯৮০৮০০০.০০ |
| | | মূলধন | ২১৬৩৮০০০০.০০ | ০.০০ | ২১৬৩৮০০০০.০০ |
| ৫৫ | বনানীকৰণ আৰু বন্যপ্ৰাণী | ৰাজহ | ৭১৬৪৮৪৮০০০.০০ | ০.০০ | ৭১৬৪৮৪৮০০০.০০ |
| | | মূলধন | ১৩৬৪০২০০০.০০ | ০.০০ | ১৩৬৪০২০০০.০০ |
| ৫৬ | গ্ৰামোন্নয়ন (পঞ্চায়ত) | ৰাজহ | ২৮১১১০২৮০০০.০০ | ৪০৪৯৬০০০.০০ | ২৮১৫১৫২৪০০০.০০ |
| | | মূলধন | ১৬০০০০০০.০০ | ০.০০ | ১৬০০০০০০.০০ |
| ৫৭ | গ্ৰামোন্নয়ন | ৰাজহ | ৫২০৬৯৪৭৩০০০.০০ | ০.০০ | ৫২০৬৯৪৭৩০০০.০০ |
| | | মূলধন | ১০০০.০০ | ০.০০ | ১০০০.০০ |
| ৫৮ | উদ্যোগ | ৰাজহ | ৬০৮৬২৬০০০.০০ | ০.০০ | ৬০৮৬২৬০০০.০০ |
| | | মূলধন | ১০৫২৫৯৩০০০.০০ | ০.০০ | ১০৫২৫৯৩০০০.০০ |
| ৫৯ | ৰেচম আৰু বয়ন | ৰাজহ | ৩৬৮০৭২০০০০.০০ | ০.০০ | ৩৬৮০৭২০০০০.০০ |
| | | মূলধন | ৯১১৫২০০০.০০ | ০.০০ | ৯১১৫২০০০.০০ |
| ৬০ | কুটিৰ শিল্প | ৰাজহ | ৫৬২৬৮০০০০.০০ | ০.০০ | ৫৬২৬৮০০০০.০০ |
| | | মূলধন | ১৬০০০০০০.০০ | ০.০০ | ১৬০০০০০০.০০ |
| ৬১ | খনি আৰু খনিজ দ্ৰব্য | ৰাজহ | ২০১৭৪৮০০০.০০ | ০.০০ | ২০১৭৪৮০০০.০০ |
| | | মূলধন | ৪৩১৯৭৮০০০.০০ | ০.০০ | ৪৩১৯৭৮০০০.০০ |
| ৬২ | শক্তি (বিদ্যুৎ) | ৰাজহ | ১২০৬৬০৩২০০০.০০ | ০.০০ | ১২০৬৬০৩২০০০.০০ |
| | | মূলধন | ৩১৮৮৩৫৯২০০০.০০ | ০.০০ | ৩১৮৮৩৫৯২০০০.০০ |
| ৬৩ | জলসম্পদ | ৰাজহ | ৩৪৩৮০১২০০০.০০ | ০.০০ | ৩৪৩৮০১২০০০.০০ |
| | | মূলধন | ৫৪৯৭৬৬৯০০০.০০ | ০.০০ | ৫৪৯৭৬৬৯০০০.০০ |
| ৬৪ | পথ আৰু দলং | ৰাজহ | ১৪০৬৫৬৮৭০০০.০০ | ০.০০ | ১৪০৬৫৬৮৭০০০.০০ |
| | | মূলধন | ৭৫৪৭০৮১১০০০.০০ | ০.০০ | ৭৫৪৭০৮১১০০০.০০ |
| ৬৫ | পৰ্যটন | ৰাজহ | ৫৪০৮৬৬০০০.০০ | ০.০০ | ৫৪০৮৬৬০০০.০০ |
| | | মূলধন | ২০১৬০০০০০.০০ | ০.০০ | ২০১৬০০০০০.০০ |

| মঞ্জুৰী নং/ | দাবী/ বিনিয়োজনৰ শিৰোনাম | | গৃহীত | ধাৰ্য্য | মুঠ |
|---|---|---|---|---|---|
| ৬৬ | স্থানীয় নিকায় আৰু পঞ্চায়তীৰাজ সংস্থাসমূহলৈ ক্ষতিপূৰণ | ৰাজহ | ৭৯৪৮৭৫৫০০০.০০ | ০.০০ | ৭৯৪৮৭৫৫০০০.০০ |
| ৬৭ | উদ্যান শস্য | ৰাজহ | ১৭৯৬৭০৪০০০.০০ | ০.০০ | ১৭৯৬৭০৪০০০.০০ |
| | | মূলধন | ১০৮৯০০০০.০০ | ০.০০ | ১০৮৯০০০০.০০ |
| ৬৮ | চৰকাৰী চাকৰিয়াললৈ ঋণ, অগ্ৰিম ইত্যাদি | মূলধন | ০.০০ | ০.০০ | ১০০০০০.০০ |
| ৬৯ | বৈজ্ঞানিক সেৱা আৰু গৱেষনা | ৰাজহ | ১৫৬০৯৯০০০.০০ | ০.০০ | ১৫৬০৯৯০০০.০০ |
| | | মূলধন | ১৬৫৭৬১০০০.০০ | ০.০০ | ১৬৫৭৬১০০০.০০ |
| ৭০ | পাৰ্ব্বত্য অঞ্চল | ৰাজহ | ২৩৩৮৯৩০০০.০০ | ০.০০ | ২৩৩৮৯৩০০০.০০ |
| | | মূলধন | ২০৩০০০০০০.০০ | ০.০০ | ২০৩০০০০০০.০০ |
| ৭১ | শিক্ষা (প্ৰাথমিক, মাধ্যমিক ইত্যাদি) | ৰাজহ | ১৪১৫৮৫৬৬৬০০০.০০ | ০.০০ | ১৪১৫৮৫৬৬৬০০০.০০ |
| | | মূলধন | ৩৬৩৭৩৪৮০০০.০০ | ০.০০ | ৩৬৩৭৩৪৮০০০.০০ |
| ৭২ | সামাজিক নিৰাপত্তা আৰু কল্যাণ (সাহায্য আৰু পুনৰ সংস্থাপন) | ৰাজহ | ১৫২১৫২০০০.০০ | ০.০০ | ১৫২১৫২০০০.০০ |
| ৭৩ | নগৰ উন্নয়ন (গুৱাহাটী উন্নয়ন বিভাগ) | ৰাজহ | ৩৮৭৪৩৭০০০০.০০ | ০.০০ | ৩৮৭৪৩৭০০০০.০০ |
| | | মূলধন | ৭১৬০৯৭০০০০.০০ | ০.০০ | ৭১৬০৯৭০০০০.০০ |
| ৭৪ | ক্ৰীড়া আৰু যুৱ কল্যাণ | ৰাজহ | ৯৭৩৫৪৮০০০.০০ | ০.০০ | ৯৭৩৫৪৮০০০.০০ |
| | | মূলধন | ৪৫৭৬০৩০০০.০০ | ০.০০ | ৪৫৭৬০৩০০০.০০ |
| ৭৫ | তথ্য আৰু প্ৰযুক্তি | ৰাজহ | ৩০২৪৮৮০০০.০০ | ০.০০ | ৩০২৪৮৮০০০.০০ |
| | | মূলধন | ৪০০১০০০.০০ | ০.০০ | ৪০০১০০০.০০ |
| ৭৬ | কাৰ্বি আংলং স্বায়ত্বশাসিত পৰিষদ | ৰাজহ | ১৩৬৬৮০৩১০০০.০০ | ০.০০ | ১৩৬৬৮০৩১০০০.০০ |
| | | মূলধন | ১৩৬৬৯৪৪০০০.০০ | ০.০০ | ১৩৬৬৯৪৪০০০.০০ |
| ৭৭ | ডিমা হাছাও স্বায়ত্বশাসিত পৰিষদ | ৰাজহ | ৬০৬৮৬৪৯০০০.০০ | ০.০০ | ৬০৬৮৬৪৯০০০.০০ |
| | | মূলধন | ৭২৮০৫০০০০.০০ | ০.০০ | ৭২৮০৫০০০০.০০ |
| ৭৮ | বড়োলেণ্ড টেৰিটৰিয়েল অঞ্চল | ৰাজহ | ২৮৭১৩১৩৯০০০.০০ | ০.০০ | ২৮৭১৩১৩৯০০০.০০ |
| | | মূলধন | ১৬৪৮০৬৯০০০.০০ | ০.০০ | ১৬৪৮০৬৯০০০.০০ |
| | **মুঠ** | **ৰাজহ** | **৭৬৭৭১৩৯৩৪০০০.০০** | **৭৬৩৪০৭৮১০০০.০০** | **৮৪৪০৫৪৭১৫০০০.০০** |
| | | **মূলধন** | **১৯৬১৪৫৮৯৬০০০.০০** | **৩৫৩৬২২৯৩০০০.০০** | **২৩১৫০৮১৮৯০০০.০০** |
| | **মঞ্জুৰী মুঠ** | | **৯৬৩৮৫৯৮৩০০০০.০০** | **১১১৭০৩০৭৪০০০.০০** | **১০৭৫৫৬২৯০৪০০০.০০** |

**Annexure**

**Abstract of Transactions**

(Rs. in crores)

| | | Actuals 2019-20 | Budget Estimates 2020-21 | Revised Estimates 2020-21 | Budget Estimates 2021-22 |
|---|---|---|---|---|---|
| | | [1] | [2] | [3] | [4] |
| **A. RECEIPTS** | | | | | |
| I | Consolidated Fund | **78752.69** | **105246.23** | **107314.47** | **107317.54** |
| | Revenue Account | 64495.08 | 91930.80 | 89782.93 | 88979.40 |
| | Capital Account | 14257.61 | 13315.43 | 17531.54 | 18338.14 |
| II | Contingency Fund | 100.00 | | 200.00 | 200.00 |
| III | Public Account | 174896.85 | 177048.16 | 181195.78 | 182253.14 |
| | **Total (I + II + III )** | **253749.54** | **282294.39** | **288710.25** | **289770.68** |
| **B. EXPENDITURE** | | | | | |
| I | Consolidated Fund | **82588.12** | **103761.63** | **122341.66** | **107556.29** |
| | Revenue Account | 65817.28 | 82776.98 | 96011.59 | 84405.47 |
| | Capital Account | 16770.84 | 20984.65 | 26330.07 | 23150.82 |
| II | Contingency Fund | | | 200.00 | 200.00 |
| III | Public Account | 167618.14 | 176598.66 | 170118.57 | 181610.81 |
| | **Total (I + II + III )** | **250206.26** | **280360.29** | **292660.23** | **289367.10** |
| **C. TRANSACTIONS DURING THE YEAR** | | | | | |
| | Surplus (+ ) | 3543.28 | 1934.10 | | 403.58 |
| | Deficit ( - ) | | | -3949.98 | |
| **D. OPENING BALANCE** | | | | | |
| | Surplus (+ ) | | | 2980.20 | |
| | Deficit ( - ) | -563.08 | -3183.60 | | -969.78 |
| **E. CLOSING BALANCE** | | | | | |
| | Surplus (+ ) | 2980.20 | | | |
| | Deficit ( - ) | | -1249.50 | -969.78 | -566.20 |

২০২১

অসম চৰকাৰী ছপাশালত মুদ্ৰিত
গুৱাহাটী-২১